● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

সন্মুখত বাধা আহি পৰিলে আপুনি লক্ষ্যত উপনীত হ'বলৈ দিশ সলনি কৰে; আপুনি তাত উপনীত হোৱাৰ সিদ্ধান্ত সলনি নকৰে।

জিগ জিগলাৰ
*আমেৰিকাৰ লেখক*



www.dainikagradoot.in

৫ ৰাছিয়াৰ বিৰুদ্ধে ইউক্ৰেইন প্ৰসংগত প্ৰথম ভোট ভাৰতৰ
১৫ বিশ্ব বেডমিণ্টনৰ কোৱাৰ্টাৰত প্ৰণয়
৪ শিক্ষাৰ ব্যক্তিগতকৰণত চৰকাৰৰ ভূমিকা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩১৬তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ৯ ভাদ ১৪২৯ ভাস্কৰাব্দ ২৬ আগষ্ট ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 26 August 2022 মূল্য ঃ ৯.০০ টকা

■ জলসিঞ্চনৰ শোচনীয় অৱস্থাত হামৰাও কাঢ়িছে কৃষকে ■ জিলাই জিলাই ছিৰাল ফাট পথাৰত
■ ৰাজ্যৰ ২৭ লাখ হেক্টৰ কৃষিভূমিৰ আজিও মাত্ৰ চাৰে পাঁচ লাখ হেক্টৰতহে জলসিঞ্চনৰ সুবিধা

# পথাৰত পানী নাই ঃ বিপৰ্যয় কৃষকৰ

■ ডিজেলৰ অত্যধিক দামৰ বাবে নিজাববীয়াকৈ পানী যোগানতো ব্যৰ্থ হৈছে দুখীয়া কৃষক

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৫ আগষ্ট ঃ** বৰষুণ নিৰ্ভৰ ৰাজ্যৰ কৃষিখণ্ডক সাম্প্ৰতিক খৰাং সদৃশ পৰিস্থিতিয়ে মাধমাৰ শোধাইছে। এই সময়ত বৰষুণৰ পানীৰে উপচি থকা পথাৰবোৰত ধানগছে লহপহীয়া ৰূপ ল'ব লাগে যদিও ছিৰাল ফাট দিয়া পথাৰত সেই পৰিৱেশ নাই। ৰাজ্যৰ প্ৰতিখন জিলাতে এনে পৰিস্থিতিৰ সৃষ্টি হৈছে। মাত্ৰ দুমাহ আগৰ দোকোলটঁকা বানৰ পাছত যি প্ৰত্যাশাৰে ৰাজ্যৰ কৃষক সমাজ খেতিপথাৰত নামিছিল সেয়া চলিত খৰাং সদৃশ পৰিস্থিতিয়ে একেবাৰে শেষ কৰি দিছে। ফলস্বৰূপে মূৰে কপালে হাত দিবলগীয়া হৈছে কৃষকসকলে। তেওঁলোকক সকাহ দিব পৰাকৈ পথাৰত নাই জলসিঞ্চন ব্যৱস্থা। অথচ কৃষিপ্ৰধান ৰাজ্য অসমত জলসিঞ্চন ব্যৱস্থাক ত্বৰান্বিত কৰাৰ প্ৰতিশ্ৰুতি দি আহিছে প্ৰতিখন চৰকাৰে। অসমত জলসিঞ্চন বিভাগৰ এনে দুৰৱস্থা যে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিও অসমত সফল হোৱাৰ কোনো ৰেঙণি এই পৰ্যন্ত কৃষক ৰাইজে দেখা নাই। যিখিনি পথাৰত জলসিঞ্চনৰ ব্যৱস্থা আছে তাৰো বেছিভাগ আঁচনিয়ে কলঢপ কলঢপকৈ চলি আছে। অৰ্থনৈতিক আৰু পৰিসংখ্যা বিভাগৰ তথ্য অনুসৰি অসমত কৃষি উপযোগী ভূমিৰ পৰিমাণ ৩০,৭৬,৯০৯ হেক্টৰ। ইয়াৰে ২৬,৯৯,৪৬৭ হেক্টৰ ভূমিত কৃষিকাৰ্য চলি আছে। তাৰে জলসিঞ্চনৰ সুবিধা থকা কৃষিভূমিৰ পৰিমাণ হ'ল মাত্ৰ ৫,৪৭,৪৮১ হেক্টৰ। ৰাজ্যৰ জলসিঞ্চন *১০ পৃষ্ঠাত চাওক*



*নিযুক্তিৰ প্ৰতিশ্ৰুতি দিও চৰকাৰী প্ৰতাৰণাৰ অভিযোগত যুৱ তৃণমূল কংগ্ৰেছৰ প্ৰতিবাদ, মহানগৰীত বৃহস্পতিবাৰে।*

## মুখাৰ আঁৰৰ জীৱনটো

**দেশ-কাল-সমাজ**
**ড° দীনেশ বৈশ্য**



মুখা! আজিৰ তাৰিখত আমি বেছিভাগ মানুহেই মুখা পিন্ধি তথাকথিত ভদ্ৰলোক হৈ থাকো। আচলতে আমি বেছিভাগ মানুহেই ভণ্ড আৰু মিছলীয়া। আমাৰ সমাজখনেই ভণ্ড। আমি সকলোৱেই লগ লাগি এখন ভণ্ড সমাজ গঢ়িছো। মানুহে যিমানেই বেছিকৈ ভণ্ডামি কৰে, মিছা কথা ক'ব পাৰে, সিমানেই বেছি জনপ্ৰিয় হয়, সমাজে নেতা বুলি গ্ৰহণ কৰে। *১০ পৃষ্ঠাত চাওক*

## লাওখোৱা অভয়াৰণ্যত বনকৰ্মীক আক্ৰমণ চোৰাং মাছমৰীয়াৰ

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৫ আগষ্ট ঃ** নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ অন্তৰ্গত লাওখোৱা অভয়াৰণ্যত একাংশ সশস্ত্ৰ চোৰাং মাছমৰীয়াৰ দৌৰাত্ম্য অব্যাহত আছে। অভয়াৰণ্যৰ ভিতৰত আইন *১০ পৃষ্ঠাত চাওক*

## মাছ মাৰিবলৈ যোৱা লোকক গুলীয়াই হত্যা কৰিলে সীমান্তৰক্ষীয়ে

**মানকাচৰ, ২৫ আগষ্ট ঃ** দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ মানকাচৰৰ ভাৰত-বাংলাদেশ সীমান্তৰ ছাটকৰাইবাৰীত (গুডলী গাঁও) আজি কাহিলি পুৱা তিনি বজাত সীমান্তৰক্ষীৰ গুলিত এজন স্থানীয় বাসিন্দা *ছয় পৃষ্ঠাত চাওক*

■ ক'লা বেপাৰীৰ নতুন কৌশল ■ ন্যূনতম সমৰ্থিত মূল্যত কৃষকৰ পৰা ক্ৰয় কৰা ধান বনা মিলৰে গোপন যোগসূত্ৰ সমবায় সমিতিৰ

## চৰকাৰী চোৰাং চাউল পুনৰ খাদ্য নিগমকে বিক্ৰী ক'লা বেপাৰী চক্ৰৰ


**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৫ আগষ্ট ঃ** দৰিদ্ৰ জনতাৰ বাবে আৱণ্টিত চৰকাৰী চাউল ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা চুবুৰীয়া ৰাজ্যৰ লগতে বাংলাদেশলৈ চোৰাংভাৱে সৰবৰাহৰ সমান্তৰালভাৱে এই চৰকাৰী চাউল ভাৰতীয় খাদ্য নিগমকে ক'লা ব্যৱসায়ীয়ে বিক্ৰী কৰাৰ তথ্য পোহৰলৈ আহিছে। বিশেষকৈ বৰপেটা, গোৱালপাৰা, দৰং আৰু মৰিগাঁও জিলাৰ একাংশ সমবায় সমিতিৰ চাউল ক'লা ব্যৱসায়ীয়ে পুনৰ ভাৰতীয় খাদ্য নিগমকে বিক্ৰী কৰাৰ তথ্য অৰ্থনৈতিক অপৰাধ তদন্ত সংস্থাই লাভ কৰিছে বুলি অসম আৰক্ষীৰ শীৰ্ষ সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখ্য যে চৰকাৰী চোৰাং চাউলৰ বিৰুদ্ধে *১০ পৃষ্ঠাত চাওক*

■ চৰকাৰী চোৰাং চাউল ৰাইচ মিলৰ জৰিয়তে পুনৰ খাদ্য নিগমক বিক্ৰী ■ তথ্য লাভ কৰিও ৰাজনৈতিক হেঁচাত থমকিছে আৰক্ষী

■ প্ৰশ্নৰ সন্মুখীন হৈছে শক্তিধৰ ৰুছ বাহিনীৰ সামৰ্থ্যও ■ কিমানদিন যুদ্ধ চলাব পুটিনে ঃ বিশ্বজুৰি চৰ্চা প্ৰতিকূল পৰিস্থিতিত যুদ্ধ কৰাৰ সামৰ্থ্য নাই পুটিন বাহিনীৰ ঃ বিশেষজ্ঞৰ দাবী

## ছমাহ যুদ্ধৰ পাছতো অপৰাজেয় ইউক্ৰেইন

■ **নিউজ ব্যুৰ'**
**কিয়েভ, ২৫ আগষ্ট ঃ** যুদ্ধই ছমাহ অতিক্ৰম কৰাৰ পাছতো ইউক্ৰেইনক বলাব পৰা নাই শক্তিধৰ ৰাছিয়াই। ফলত ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন সেনা বাহিনীৰ যোগ্যতা আৰু পেছাদাৰী দক্ষতাক লৈ প্ৰশ্ন উঠিছে। যোৱা ২৪ ফেব্ৰুৱাৰীত ইউক্ৰেইনৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল ৰুছ ৰাষ্ট্ৰপতি পুটিনে। তাৰ ছমাহ পাছত বৰ্তমান কি দশা এই যুদ্ধৰ? বিভিন্নজনৰ মনত এই প্ৰশ্ন জাগ্ৰত হৈছে। আন্তঃৰাষ্ট্ৰীয় সামৰিক পৰ্যবেক্ষকসকলৰ মতে ইউক্ৰেইনৰ ৩০ শতাংশ অঞ্চলতো দখল সাব্যস্ত কৰিব পৰা নাই ৰুছ বাহিনীয়ে। দক্ষিণৰ উদেছাৰ পৰা পূবৰ ডনবাছ পৰ্যন্ত বিভিন্ন অঞ্চলত সফলতাৰে মস্কোৰ বাহিনীৰ বিৰুদ্ধে মোকাবিলা কৰি আছে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ জেলেনস্কীৰ অনুগত সেনাবাহিনীয়ে। *১০ পৃষ্ঠাত চাওক*



■ শিক্ষকৰ আৰ্জিত ছুটী বৃদ্ধি, প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষকৰ পদ সৃষ্টিৰ নিৰ্দেশ

## চাৰি মাহৰ ভিতৰতে ৰাজ্যিক কৰ্মচাৰীয়ে পাব বিনামূলীয়া স্বাস্থ্য সেৱা

কৰ্মচাৰী পৰিষদৰে বৈঠকত মুখ্যমন্ত্ৰীৰ ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৫ আগষ্ট ঃ** কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ দৰেই অসম চৰকাৰৰ কৰ্মচাৰীসকলেও লাভ কৰিব বিনামূলীয়া চিকিৎসা সেৱা। অসম চৰকাৰে গ্ৰহণ কৰা নতুন ব্যৱস্থাৰ অধীনত বিষয়া বা কৰ্মচাৰী এজনৰ চিকিৎসা ব্যয় পৰিশোধৰ ক্ষেত্ৰত একাধিক কৰ্তৃপক্ষৰ অনুমোদনৰ ব্যৱস্থা আদি আঁতৰাই ক্ষিপ্ৰতাৰে ধনৰাশি আদায়ৰ প্ৰস্তাৱ লোৱা হৈছে। কেন্দ্ৰীয় *১০ পৃষ্ঠাত চাওক*

## হঠাতে অসুস্থ হৈ পৰিল চাৰি বিদ্যালয়ৰ ৬৩ ছাত্ৰ-ছাত্ৰী

**অগ্ৰদূত বাৰ্তা**
**খুমটাই, ২৫ আগষ্ট ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত ৰঙাগড়া অঞ্চলত আজি চাৰিখন বিদ্যালয়ত ৬৩ গৰাকী ছাত্ৰ-ছাত্ৰী হঠাৎ অসুস্থ হৈ পৰাত এক আতংকময় পৰিৱেশ সৃষ্টি হয়। উল্লেখ্য যে কালি ৰঙাগড়া বাগিচা প্ৰাথমিক বিদ্যালয়ত প্ৰথমে ১১ গৰাকী ছাত্ৰ-ছাত্ৰী পাঠদান কৰি থকা অৱস্থাতে জ্বৰ, *১০ পৃষ্ঠাত চাওক*

■ ৰাজঘাটত মহাত্মা গান্ধীৰ সমাধিস্থলীত থিয় হৈ দাবী কেজৰিৱালৰ
■ ১২জন বিধায়কৰ দাবী ঃ দল ভাঙিবলৈ প্ৰস্তাৱ দিছে শাসক দলে

## আঠশ কোটি লৈ ৪০ আপ বিধায়কক ক্ৰয় কৰিবলৈ পথাৰত নামিছে বিজেপি



নাটক আখ্যা বিজেপিৰ

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৫ আগষ্ট ঃ** দিল্লীত আম আদমী পাৰ্টি (আপ)ৰ চৰকাৰ উৎখাত কৰিবলৈ আঠশ কোটি টকা লৈ খেলপথাৰত নামিছে বিজেপি। লক্ষ্য হ'ল ৪০জন আপৰ বিধায়কক ক্ৰয় কৰি চৰকাৰ ওফৰাই দিয়া। আজি ৰাজঘাটত থিয় হৈ এই অভিযোগ কৰিলে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে। তেওঁ কয়, 'চিবিআইৰ *১০ পৃষ্ঠাত চাওক*

## পুত্ৰৰ অসবৰ্ণ বিবাহৰ বাবেই যোৰহাটৰ এটা পৰিয়াল পাঁচ বছৰে এঘৰীয়া



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ২৫ আগষ্ট ঃ** পুত্ৰৰ অসবৰ্ণ বিবাহৰ বাবেই দীৰ্ঘদিন ধৰি এটা পৰিয়ালক এঘৰীয়া কৰি থোৱাৰ দৰে লজ্জাজনক ঘটনা পোহৰলৈ আহিছে যোৰহাটত। এই ঘটনা সংঘটিত *ছয় পৃষ্ঠাত চাওক*

## সুৰাসক্ত সংগীত শিক্ষকৰ প্ৰহাৰত আহত জেএনভিৰ ছাত্ৰ, গ্ৰেপ্তাৰৰ দাবী

**অগ্ৰদূত বাৰ্তা**
**ধিং, ২৫ আগষ্ট ঃ** যোৱা নিশা ধিং জৱাহৰ নৱোদয়ৰ সুৰামত্ত সংগীত শিক্ষকৰ প্ৰহাৰত গুৰুতৰভাৱে আহত হয় দ্বাদশ শ্ৰেণীৰ এজন ছাত্ৰ। ফলত *১০ পৃষ্ঠাত চাওক*

## নড্ডাক সাক্ষাৎ সোণোৱালৰ, সাংগঠনিক বিভিন্ন বিষয়ৰ আলোচনা

**অগ্ৰদূত প্ৰতিবেদক**
**নতুন দিল্লী, ২৫ আগষ্ট ঃ** বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জেপি নড্ডাক আজি সাক্ষাৎ কৰে কেন্দ্ৰীয় মন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা সৰ্বানন্দ সোণোৱালে। নড্ডাৰ নতুন দিল্লীস্থিত বাসভৱনত হোৱা এই সাক্ষাৎকালত দলৰ বিভিন্ন সাংগঠনিক বিষয় আলোচিত হয়। দলৰ দায়িত্ব আৰু কাম-কাজ সুচাৰুৰূপে পালন *ছয় পৃষ্ঠাত চাওক*

■ ৰাজপথত সংকেত মানিবলৈ ছদিনৰ সময়, অন্যথা যান-বাহনৰ গৰাকীৰ ঘৰলৈ প্ৰেৰণ কৰা হ'ব জৰিমনাৰ চালান

## বছৰৰ সাত মাহতে গুৱাহাটীত বিক্ৰী ৪৫ হেজাৰ চাৰিচকীয়া বাহন

■ মহানগৰ আৰক্ষী আয়ুক্ত সিঙৰ ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৫ আগষ্ট ঃ** গুৱাহাটী মহানগৰীত নতুনকৈ আৰম্ভ কৰা ট্ৰেফিক ছিগনেল 'আইটিএমএছ'ৰ পথ নিৰ্দেশনাৰ স'তে অভ্যস্ত হ'বলৈ মহানগৰবাসীক পাঁচ-ছদিনৰ সময় বান্ধি দিলে আৰক্ষী প্ৰশাসনে। এইকেইদিনত ভুলবশতঃ কোনো লোকে ট্ৰেফিক ছিগনেল অমান্য কৰিলেও জৰিমনাৰ পৰা ৰেহাই দিয়া হ'ব। পিছে এসপ্তাহৰ পাছৰে পৰা 'আইটিএমএছ'ৰ সংকেত অমান্য কৰা *১০ পৃষ্ঠাত চাওক*



*সংবাদমেলত আৰক্ষী আয়ুক্ত*

■ ট্ৰেফিক নিয়ম নমনা চিটি বাছে ভৰিব লাগিব বৃহৎ অংকৰ জৰিমনা, বাতিল হ'ব চালকৰ লাইচেন্স ■ শ্বপিং মল, ক'চিং চেন্টাৰে গ্ৰাহকৰ বাবে ৰাখিব লাগিব পাৰ্কিং, অন্যথা বাতিল হ'ব ট্ৰেড লাইচেন্স


## স্মাৰ্ট পুলিচক ভেঙুচালি কৰি মহানগৰীত ৩৭ শতাংশ বৃদ্ধি হত্যাকাণ্ড

কুটুমেই প্ৰাণ লৈছে কুটুমৰ, উদ্বিগ্ন আৰক্ষী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৫ আগষ্ট ঃ** চোৰ, ডকাইত বা আন অপৰাধীয়ে কেৱল নহয়, কুটুমেও প্ৰাণ লৈছে কুটুমৰ। ফলস্বৰূপে গুৱাহাটী মহানগৰীত ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিছে হত্যাকাণ্ডৰ দৰে নৃশংস অপৰাধ। পৰিচিত মানুহৰ দ্বাৰাই সংঘটিত হৈছে এনে নাৰকীয় ঘটনা। চলিত বৰ্ষৰ বিগত সাতটা মাহতে গুৱাহাটীত সংঘটিত হৈছে ৩৭ টাকৈ হত্যাকাণ্ড। পিছে এই বৃহৎসংখ্যক হত্যাকাণ্ডৰ ঘটনাৰ অধিকাংশই হ'ল পৰিয়ালৰ মাজতে হোৱা সংঘাতৰ কৰুণ পৰিণতি। গুৱাহাটীৰ আৰক্ষী আয়ুক্ত হৰমিৎ সিঙে আজি এক সংবাদমেলত গুৱাহাটীত বৃদ্ধি পোৱা *১০ পৃষ্ঠাত চাওক*

## উৎকোচ লোৱা অৱস্থাতে ধৃত ডিটিঅ'ৰ জ্যেষ্ঠ সহায়ক

**ধেমাজি, ২৫ আগষ্ট ঃ** ৰাজ্যত বৃদ্ধি পাইছে চৰকাৰী কাৰ্যালয় সমূহত উৎকোচ গ্ৰহণৰ প্ৰৱণতা। এইক্ষেত্ৰত চৰকাৰ আৰু বিভাগে বিভিন্ন সময়ত উৎকোচ লৈ ধৰা পেলায় একাংশ কৰ্মচাৰীক ৰঙাঘৰলৈ প্ৰেৰণ কৰিছে যদিও কাণ্ডজ্ঞান হোৱা নাই ঘোচখোৰ কৰ্মচাৰীৰ। আজি ধেমাজি জিলা পৰিবহণ বিভাগৰ *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৪° | ২৭° |
| ডিব্ৰুগড় | ৩২° | ২৭° |
| দিল্লী | ৩৫° | ২৮° |
| কলকাতা | ৩৩° | ২৬° |
| মুম্বাই | ২৯° | ২৬° |
| চেন্নাই | ৩০° | ২৬° |
| বাংগালুৰু | ২৭° | ১৯° |
| শ্বিলং | ২৬° | ১৮° |

*২৫ আগষ্ট, ২০২২*

## চেঙা তেল



*চুপে-চাপে আগবাঢ়ক ছাৰ! ভোট জয়ৰ পাছত অহাই নাছিল যে মানুহবিলাকে চিনিয়েই পোৱা নাই!*

■ জাতি-মাতৃভাষাৰ অন্যায় কৰা সিদ্ধান্ত প্ৰত্যাহাৰ কৰক মুখ্যমন্ত্ৰীয়ে ঃ অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈৰ আহ্বান

## মাতৃভাষা মাধ্যমৰ বন্ধ কৰা বিদ্যালয়ত ইংৰাজী স্কুল পাতিব ৰাজ্য চৰকাৰে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৫ আগষ্ট ঃ** মাতৃভাষা মাধ্যমৰ প্ৰতি শাসকীয় পক্ষৰ অনীহাৰ বাবে ৰাজ্যৰ ভিন্ন প্ৰান্তত একাংশ বিদ্যালয় একত্ৰীকৰণৰে বিলুপ্ত কৰিছে আৰু কিছুসংখ্যক বিদ্যালয় সম্পূৰ্ণৰূপে বন্ধ কৰি দিছে। ৰাজ্য চৰকাৰে যিবোৰ বিদ্যালয় বন্ধ কৰি দিছে বা একত্ৰীকৰণ কৰিছে এই বিদ্যালয়বোৰ অতীতত



স্থানীয় ৰাইজেহে পতা বিদ্যালয় আছিল। — ৰাজ্যৰ শিক্ষা বিভাগে ছাত্ৰ নথকাৰ অজুহাতত ভালেসংখ্যক বিদ্যালয় বন্ধ কৰি দিবলৈ জাননী জাৰি কৰাৰ প্ৰসংগত আজি এনেদৰে ক্ষোভ উজাৰিছে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে। বিদ্যালয়ত তলা ওলমোৱা, বিদ্যালয় একত্ৰীকৰণ আৰু মাতৃভাষা বিৰোধী তৎপৰতাৰ *ছয় পৃষ্ঠাত চাওক*

## ৰাজপথত আন্দোলনৰ ভাবুকি বিদ্যাৰ্থী পৰিষদৰ

শিক্ষাৰ মাধ্যমক লৈ চৰকাৰৰ সিদ্ধান্তৰ বিৰোধ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৫ আগষ্ট ঃ** অসম চৰকাৰে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিক অংগুষ্ঠ দেখুৱাই তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান বিষয় দুটা ইংৰাজী মাধ্যমত শিকাবলৈ লোৱা সিদ্ধান্তৰ বিৰুদ্ধে *ছয় পৃষ্ঠাত চাওক*

প্ৰৱেশদ্বাৰত ২৪ ঘণ্টীয়া অনশন একতা সভাৰ ঃ সৃষ্টি অচলাৱস্থাৰ

অভিভাৱকৰ দায়িত্ব পালনত ব্যৰ্থ হৈছে কৰ্তৃপক্ষ ঃ মাচুল বৃদ্ধিৰ প্ৰসংগ

## ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ আন্দোলন অব্যাহত, চেপা উত্তেজনা

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২৫ আগষ্ট ঃ** আজিও উত্তেজনা বিৰাজ কৰি আছে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত। নামভৰ্তিৰ মাচুল বৃদ্ধিক লৈ কালি বিশ্ববিদ্যালয়খনত এক অশোভনীয় পৰিস্থিতিৰ সৃষ্টি হয়। ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা অপদস্থ হ'বলগীয়া হয় স্বয়ং উপাচাৰ্য। লগতে অধ্যাপক আৰু শিক্ষাৰ্থীৰ মাজত হতাহতিৰ দৰে পৰিস্থিতিৰো সৃষ্টি হয়। *ছয় পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৬ আগষ্ট, ২০২২ শুকুৰবাৰ পৃষ্ঠা তিনি

## সোণাৰিত স্বামীয়ে হত্যা কৰিলে পত্নীক

**অগ্ৰদূত বাৰ্তা**

**সোণাৰি, ২৫ আগষ্ট ঃ** পৰকীয়া প্ৰেমৰ কৰুণ পৰিণতিত স্বামীয়ে পত্নীক পৰিকল্পিতভাৱে হত্যা কৰা এক নৃশংস ঘটনা সংঘটিত হৈছে চৰাইদেউ জিলাত। জিলাৰ সদৰ সোণাৰি নগৰৰ সমীপৱৰ্তী ভজো বগৰীগুৰিত ব্যৱসায়ী জাকিৰ হুছেইনে দীৰ্ঘদিনৰ পৰাই পত্নী মমিনা বেগমক শাৰীৰিক-মানসিক নিৰ্যাতন চলাই আহিছিল। তেনে ঘটনাৰে অংশবিশেষত কালি নিশা স্বামী-স্ত্ৰীৰ মাজত তৰ্কাতৰ্কি আৰু মাৰ-পিটৰ সুত্ৰপাত হয়। ইফালে, জাকিৰ হুছেইন আৰু মমিনাৰ পুত্ৰ-কন্যাই ৰাতিপুৱা মাতৃক ঘৰত নেদেখি স্থানীয় ৰাইজক খবৰ দিয়ে। ইফালে, সোণাৰি আৰক্ষীৰ উপস্থিতিত স্থানীয় ৰাইজে আজি পুৱা ঘৰৰ পাছফালে থকা এটা লেতেৰা পুখুৰীৰ পানীৰ পৰা মমিনাৰ ছয় পৃষ্ঠাত চাওক

## শুৱালকুছিৰ শিপিনীৰ মূৰ ৰাম টাঙোন শোধোৱাৰ ষড়যন্ত্ৰৰ অভিযোগ ঃ এজাহাৰ দাখিল

# নকল প্ৰতিবেদন সংলগ্ন পাট কাপোৰ জব্দ



**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ২৫ আগষ্ট ঃ** শুৱালকুছি ৰেছম পৰীক্ষাগাৰৰ নকল প্ৰতিবেদন সংলগ্ন এযোৰ পাট কাপোৰ জব্দ হোৱা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। শুৱালকুছি ৰেছম পৰীক্ষাগাৰৰ বিষয়াসকলে এই নকল পাটৰ কাপোৰযোৰ জব্দ কৰে। দুষ্ট চক্ৰই ন ন কৌশলেৰে শুৱালকুছিৰ শিপিনীসকলৰ মূৰত ৰাম টাঙোন শোধাবলৈ ষড়যন্ত্ৰ ৰচাৰ অভিযোগ উঠিছে। এই সন্দৰ্ভত শুৱালকুছি তাঁত শিল্প উন্নয়ন সমিতিয়ে শুৱালকুছি আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। তাঁত শিল্প উন্নয়ন সমিতিয়ে এজাহাৰত উল্লেখ কৰিছে যে যোৱা ২২ আগষ্টত শুৱালকুছি লক্ষ্মীনাথ নগৰৰ নিবাসী মৃণাল দাসে তেওঁৰ ৰেছম পাছবুকৰ জৰিয়তে ছয় যোৰা পাটৰ কাপোৰ পৰীক্ষাৰ বাবে শুৱালকুছিৰ পৰীক্ষাগাৰত জমা দিয়ে। ইয়াৰে এযোৰ পাটৰ কাপোৰত পূৰ্বতে পৰীক্ষাগাৰৰ পৰীক্ষাগাৰৰ 'টেষ্টিং ৰিপ'ৰ্ট' সংলগ্ন হৈ আছে। যদিও ৰিপ'ৰ্টটো সম্পূৰ্ণ ভুৱা। শুৱালকুছি পৰীক্ষাগাৰৰ ৰিপ'ৰ্টৰ দৰে ছয় পৃষ্ঠাত চাওক



দিল্লীত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জেপি নড্ডাক সাক্ষাৎ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ বৃহস্পতিবাৰে।

## অসম ৰাইফলছৰ শিবিৰত আক্ৰমণত জড়িত আলফা (স্বাঃ) নেতাৰ মৃত্যু

**■ সেনাৰ গুলিত নিহত ইয়াংখু অসমৰ অমৰ মৃতক ঘোষণা আলফা (স্বাঃ)ৰ ■ মৃতদেহ পৰিয়ালক গতাই দিবলৈ পৰেশ বৰুৱাক আহ্বান**

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৫ আগষ্ট ঃ** যোৱা স্বাধীনতা দিৱসৰ আগমুহূৰ্তত শক্তি প্ৰদৰ্শনৰ উদ্দেশ্যে এন এছ চি এন আৰু জি পি আৰ এনৰে মিলি আলফা (স্বাধীন)ই অৰুণাচলৰ পাংচুপাছত অসম ৰাইফলছৰ শিবিৰত চলোৱা আক্ৰমণৰ পৰিণতিত আজি সংগঠনটোৰ স্বয়ম্ভু অনায়োগ বিষয়া ছাৰ্জেণ্ট মেজৰ ইয়াংখু অসম ওৰফে অচিন্ত মৰাণ মৃত্যুমুখত পৰে। আজি এক বিবৃতিত সংগঠনটোৰ সভাপতি পৰেশ অসমে এই তথ্য সদৰী কৰে। চাঞ্চল্যৰ সৃষ্টি কৰা সেই আক্ৰমণৰ পাছত উগ্ৰপন্থী আৰু অসম ৰাইফলছ উভয়ে ক্ষয়-ক্ষতিক লৈ ৰহস্যজনক নীৰৱতা অৱলম্বন কৰিছিল। আজি বিবৃতিটোত উল্লেখ কৰা অনুসৰি এই অভিযানত অসম ৰাইফলছৰ প্ৰত্যুত্তৰত অচিন্ত ছয় পৃষ্ঠাত চাওক

## কলিয়াবৰত পুখুৰীত গা ধুবলৈ গৈ সলিল সমাধি এজনৰ

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ২৫ আগষ্ট ঃ** কলিয়াবৰৰ ঝাওকটাত আজি আবেলি তিনি বজাত সংঘটিত হয় এক অঘটন। পুখুৰীত গা ধুবলৈ গৈ এজন ব্যক্তিৰ সলিল সমাধি ঘটে। মৃত লোকজন ললিত মাহাতু (৩৫) বুলি জানিব পৰা গৈছে। পুখুৰীৰ পৰা হাঁহ উঠাই গা ধুবলৈ যাওঁতেই মৃত্যু হয় লোকজনৰ। ঘটনাস্থলীত জখলাবন্ধা আৰক্ষী উপস্থিত হৈ লোকজনক উদ্ধাৰ কৰি জখলাবন্ধা চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসকে লোকজনক মৃত বুলি ঘোষণা কৰে।

## চালানবিহীনভাৱে শিল-বালি কঢ়িওৱা ভূটানৰ ডাম্পাৰসহ তিনিখন ডাম্পাৰ জব্দ



**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২৫ আগষ্ট ঃ** বন বিভাগৰ ধাৰাবাহিক অভিযানৰ মাজতে তামুলপুৰ জিলাৰ বিভিন্ন শিল-বালি মহলৰ পৰা চালানবিহীনভাৱে একাংশ অসাধু ব্যৱসায়ীয়ে ডাম্পাৰেৰে শিল- বালি কঢ়িয়াই অব্যাহত ৰাখিছে শিল-বালিৰ অবৈধ ব্যৱসায়। বাগ্‌সা জিলাৰ বন সুৰক্ষা বাহিনীয়ে আজি দিনৰ ভাগত তামুলপুৰ জিলাৰ বিভিন্ন প্ৰান্তত অবৈধভাৱে ছয় পৃষ্ঠাত চাওক

## চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধিৰ প্ৰতিক্ৰিয়া ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ

অগ্ৰদূত বাৰ্তা

কলিয়াবৰ, ২৫ আগষ্ট ঃ আগষ্টৰ পৰাই কাৰ্যকৰী হোৱাকৈ ৰাজ্যৰ চাহ শ্ৰমিকৰ দৈনিক ২৭টকাকৈ মজুৰি বৃদ্ধি কৰা হৈছে। লগে-লগে ৰাজ্যত এই নতুন নিৰিখ লৈ এই উদ্যোগৰ লগত জড়িত ভিন্ন মহলত সৃষ্টি হৈছে মিশ্ৰিত প্ৰতিক্ৰিয়া। উল্লেখ্য যে শেহতীয়াকৈ অসম চৰকাৰে চাহ শ্ৰমিকসকলৰ দীৰ্ঘদিনীয়া ছয় পৃষ্ঠাত চাওক

## পাটাছাৰকুছিত ভয়ংকৰ দুৰ্ঘটনাত নিহত দুই ভ্ৰাতৃ

**ৰৈ থকা ট্ৰাকত পুৱতি নিশা খুন্দা মাৰিলে তেলৰ টেংকাৰে**

**অগ্ৰদূত বাৰ্তা**

**পাটাছাৰকুছি, ২৫ আগষ্ট ঃ** পাটাছাৰকুছিত আজি পুৱতি নিশা সংঘটিত এক ভয়ানক দুৰ্ঘটনাত এহাল ভ্ৰাতৃৰ মৃত্যু হয়। চিৰাং জিলাৰ ঢালিগাঁৱৰ পৰা গুৱাহাটী অভিমুখে ৰাওনা হৈছিল ভাৰত পেট্ৰ'লিয়ামৰ এএছ-১৯ চি-২০৯৭ নম্বৰৰ তেল ভৰ্তি টেংকাৰখন। পুৱতি নিশা প্ৰায় ৩-৪৫ বজাত টেংকাৰখনে তীব্ৰ বেগত আহি পাটাছাৰকুছিত পথৰ দাঁতিত ৰখাই থোৱা আৰজে-২০ জিবি-০৬১৭ নম্বৰৰ ট্ৰাকখনত খুন্দা মাৰে। প্ৰচণ্ড জোৰত মৰা খুন্দাত টেংকাৰখনৰ অগ্ৰভাগ চুচুৰ্মৈ হৈ পৰে আৰু বাহনখনৰ চালক আৰু হেণ্ডিমেন থিতাতে নিহত হয়। পাটাছাৰকুছি আৰক্ষীয়ে দুৰ্ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ দুটা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। নিহত চালক জাহাংগীৰ আলী (৩৫) আৰু হেণ্ডিমেন কালাম আলী (২৭) সহোদৰ ভ্ৰাতৃ আৰু তেওঁলোকৰ ঘৰ চিৰাঙৰ কাজলগাঁও আৰক্ষী থানাৰ অন্তৰ্গত বৰতলা গাঁৱত বুলি আৰক্ষীয়ে জনাইছে।

## নগালেণ্ডত পঞ্জীয়ন কৰি অসমত ব্যৱহাৰ বাণিজ্যিক বাহন

**কমেও ২০ হেজাৰ নগালেণ্ডত পঞ্জীয়ন কৰা বাহনে অসমত চলাচল কৰে ঃ বছৰি ৰাজ্যই হেৰুৱাইছে কমেও ২১৬ কোটি টকা**

**ষ্টাফ ৰিপ'ৰ্টাৰ**


**গুৱাহাটী, ২৫ আগষ্ট ঃ** পৰিবহণ বিভাগৰ গুৰুত্বহীনতাৰ বাবে অসমে বছৰি কমেও ২১৬ কোটি টকাৰ ৰাজহ হেৰুৱাইছে বুলি আজি এক সংবাদমেলত উল্লেখ কৰে খিলঞ্জীয়া অধিকাৰ মৰ্চাই। সংগঠনটোৰ প্ৰতিষ্ঠাপক সভাপতি অমিতাভ শৰ্মাই এই হিচাপৰ সন্দৰ্ভত আজি কয় যে অসমত চলি থকা ডাম্পাৰ, কে'বাচকীয়া ট্ৰাক আদি গধুৰ বাণিজ্যিক বাহনৰ অধিকাংশই নগালেণ্ডত পঞ্জীয়ন কৰা। তেনে এখন বাহনৰ পৰা কৰ আৰু ৰাজহৰ নামত পৰিবহণ বিভাগে গড় হিচাপত বছৰি ৮০ হেজাৰ টকা সংগ্ৰহ কৰে। অসমত কমেও ২০ হেজাৰ ছয় পৃষ্ঠাত চাওক

## বনকৰা কিশোৰীৰ মৃত্যু, দুৰ্ভগীয়া কিশোৰীৰ বাসগৃহত ফৰেনছিকৰ দল

**খান্দি উলিয়ালে মৃতদেহ ঃ তদন্তৰ বাবে পুনৰ কৰা হ'ব মৰণোত্তৰ পৰীক্ষা**

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ২৫ আগষ্ট ঃ** ঢেকিয়াজুলিৰ বনকৰা কিশোৰী এগৰাকীৰ মৃত্যুৰ তদন্ত প্ৰক্ৰিয়া ক্ষিপ্ৰতাৰে আগবাঢ়িছে। বনকৰা কিশোৰী আৰতি তুৰিৰ ৰহস্যজনক মৃত্যু প্ৰসংগত ইতিমধ্যে মুখ্যমন্ত্ৰীয়ে গঠন কৰি দিয়া বিশেষ তদন্তকাৰী দলে তদন্ত প্ৰক্ৰিয়া ক্ষিপ্ৰতাৰে আৰম্ভ কৰিছে। ইয়াৰ মাজতে আজি পুৱা ছমান বজাত ঢেকিয়াজুলিৰ হুগ্ৰাজুলি প্ৰজাপথাৰ গাঁৱৰ আৰতি তুৰিৰ বাসগৃহত পুৱাই বিশেষ তদন্তকাৰী দল আৰু ফৰেনছিকৰ দল উপস্থিত হয়। তদন্তকাৰী কমিটীৰ অন্যতম সদস্য তথা চিআইডিৰ অধীক্ষক কল্যাণ ফুকনৰ নেতৃত্বত উপস্থিত হোৱা ফৰেনছিক ছয় পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী শুকুৰবাৰ ৯ ভাদ ১৪২৯ ভাস্কৰাব্দ ২৬ আগষ্ট ২০২২

# চকু খুলিব কেতিয়া ?

সম্প্ৰতি শিক্ষিত নিবনুৱাই দেশত ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। আমাৰ নিবনুৱা যুৱক-যুৱতীয়ে আনৰ উপাৰ্জিত সম্পদেৰে জীৱন নিৰ্বাহ কৰিব লগা হোৱা হেতুকে সামগ্ৰিকভাৱে ৰাষ্ট্ৰীয় গড় আয় নিম্নমুখী হৈছে। সংবিধানৰ নিৰ্দেশনাত প্ৰত্যেকলৈ কৰ্মসংস্থান দিয়াৰ পোষকতা কৰা হৈছে যদিও সেয়া চৰকাৰী চাকৰি নহয়। দৰাচলতে দেশৰ উন্নয়নৰ হেতুকে চৰকাৰী চাকৰিয়ালতকৈও কৃষক-শ্ৰমিকসকলেহে অধিক বৰঙণি আগবঢ়ায়; কিন্তু তেওঁলোকে সততে চৰকাৰৰ দ্বাৰা প্ৰাপ্যৰ পৰা কিদৰে বঞ্চিত হৈ আহিছে, তাক উল্লেখ কৰাৰ প্ৰয়োজন নাই। এই ক্ষেত্ৰত চৰকাৰী নীতিৰ সংস্কাৰৰ বিশেষ প্ৰয়োজন আছে। চৰকাৰী চাকৰিয়ালে যদিহে কৰ্মকালৰ অন্তত পেঞ্চন লাভ কৰিব পাৰে, তেন্তে শ্ৰমিক-কৃষকসকলে বৃদ্ধাৱস্থাত আৰ্থিক অনাটনত ভুগিব লগা হয় কিয়? তেওঁলোকেও বৃদ্ধাৱস্থাত চিকিৎসা আৰু অন্যান্য চৰকাৰী সা-সুবিধা চাকৰিয়ালৰ দৰেই পোৱাটো বাঞ্ছনীয়। কৃষি আৰু উদ্যোগ ক্ষেত্ৰত মানসিকতাৰ পৰিৱৰ্তন হোৱা হ'লে নিশ্চয় আমাৰ যুৱক-যুৱতীসকলো সেই পথলৈ ধাৱিত হ'লহেঁতেন। কিন্তু ব্ৰিটিছৰ আৰ্হিৰে আমাৰ প্ৰশাসনীয় ব্যৱস্থা এনেদৰে ৰখা হৈছে যে কঠোৰ পৰিশ্ৰম কৰা কৃষক আৰু শ্ৰমিকসকল অৱহেলিত হৈ আছে। স্বাধীন দেশ এখনত তেওঁলোকেও চৰকাৰৰ ফালৰ পৰা নাগৰিকৰ পূৰ্ণ মৰ্যাদা পোৱাটো বাঞ্ছনীয়।

আমাৰ সমাজৰ সামগ্ৰিক উন্নয়নৰ হেতুকে প্ৰাথমিক স্তৰৰ শিক্ষাৰ পৰাই কৰ্মৰ জৰিয়তে আত্মনিৰ্ভৰশীলতাৰ শিক্ষাদানৰ ওপৰতেই দেশৰ সামগ্ৰিক বিকাশ নিৰ্ভৰ কৰে। আমি সততে পাশ্চাত্যক অনুসৰণ কৰি ভাল পাওঁ; কিন্তু পাশ্চাত্যৰ ভালখিনি গ্ৰহণ কৰিবলৈ আগ্ৰহী নহয়। ইউৰোপ বা আমেৰিকাত এজন কৃষক আৰু উচ্চপদস্থ চৰকাৰী চাকৰিয়ালৰ জীৱন যাত্ৰাৰ মাজত কোনো পাৰ্থক্য নাথাকে। সমাজেও দুয়োশ্ৰেণীকে সমদৃষ্টিৰে চায়। সবাতোকৈ উল্লেখনীয় যে ছাত্ৰাৱস্থাৰ পৰাই তেওঁলোকে উপাৰ্জনৰ জৰিয়তে স্বনিৰ্ভৰশীলতাৰ প্ৰতি আকৰ্ষিত হয়। বিদ্যালয়ত পঢ়ি থকাৰ সময়তো আজৰি সময়ছোৱাত উদ্যোগ, ব্যৱসায়িক প্ৰতিষ্ঠান, আনকি ব্যক্তিগত পৰিয়ালত কাম কৰিও স্বাৱলম্বী হোৱা দেখা যায়। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ মনত কোনো ধৰণৰ হীনমন্যতা নাথাকে। ৰাজ্যপাল অথবা ৰাষ্ট্ৰপতিৰ পুত্ৰ-কন্যায়ো আজৰি পৰত শাৰীৰিক শ্ৰমেৰে উপাৰ্জন কৰে। বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পুৱাই ৰাজপথত ঝাৰু দিয়াও দেখা যায়; কিন্তু আমাৰ দেশত এইবোৰ দেখা নাযায়। ব্ৰিটিছৰ ঔপনিবেশিক ধ্যান-ধাৰণাৰে আজিও আমাৰ সমাজ পৰিচালিত হৈ আহিছে। তেওঁলোকে ব্ৰিটেইনত যি ধৰণে জীৱন নিৰ্বাহ কৰিছিল, তাৰ সম্পূৰ্ণ ওলোটা পদ্ধতিৰে ঔপনিবেশিক শাসন অটুট ৰখাৰ বাবে আমাৰ দেশত বিভাজন নীতি প্ৰৱৰ্তন কৰিছিল। দেশখন শাসন কৰাৰ বাবে শাসক আৰু শাসিত, চাহাব আৰু বনুৱাৰ মাজত বিভাজন আনিছিল। আমাৰ ভাষাকো তেওঁলোকে নেটিভৰ ভাষা বুলি অৱজ্ঞা কৰিছিল; কিন্তু পৰিতাপৰ বিষয় এইটোৱেই যে সেই পঁয়ালগা ধ্যান ধাৰণা স্বাধীনতাৰ ৭৫ বছৰ কাল অতিবাহিত হোৱাৰ পাছতো সলনি নহ'ল। আজিও আমাৰ সমাজত ক'লা চামৰাৰ চাহাবৰ বিপৰীতে সৰহভাগেই প্ৰজা হৈয়েই থাকিল। এই দৃষ্টিভংগীৰ পৰিৱৰ্তন নোহোৱালৈকে আমাৰ সমাজৰ পৰা বৈষম্য আঁতৰি নাযায়; শিক্ষাৰ স'তে উপাৰ্জনৰ প্ৰশিক্ষণ জড়িত নোহোৱালৈকে নিবনুৱা সমস্যা আৰু বিশৃংখল পৰিস্থিতিৰ পৰা উদ্ধাৰ পোৱাটো সম্ভৱ নহয়। দেশে স্বাধীনতা লাভ কৰাৰ সময়তে চৰকাৰৰ ফালৰ পৰা কোৱা হৈছিল যে স্বাধীন ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত ব্ৰিটিছ শাসনৰ লেখীয়াকৈ উচ্চ-নীচৰ বৈষম্য নাথাকিব; কিন্তু পৰিহাসৰ কথা এইটোৱেই যে সেই বৈষম্য এনেদৰে বৃদ্ধি পাবলৈ ধৰিছে যে আঢ্যৱন্তৰ সন্তান আৰু সাধাৰণ লোকৰ সন্তানৰ শিক্ষাৰ স্থলীৰ মাজত আকাশ-পাতাল পাৰ্থক্য দেখা গৈছে। এনে বৈষম্যই দেশৰ ঐক্য গঢ়াত সহায় নকৰে।

## খোলা মঞ্চ

## অৰ্ধ-শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে মোৰ ধাৰণা



**মনীষীসকলে** কৈ গৈছে— 'মানুহৰ গোটেই জীৱনটো নিৰ্ণয় কৰে তিনিটা বস্তুৱে, সেইকেইটা হ'ল— ইচ্ছা, পৰিশ্ৰম আৰু কৃতকাৰ্যতা।' ইচ্ছাই এখন নতুন দুৱাৰ মুকলি কৰে, পৰিশ্ৰমে সেই দুৱাৰডলিয়েদি আগবাঢ়ি যাত্ৰাপথত আগুৱাই যোৱাত সহায় কৰে আৰু যাত্ৰাৰ শেষত আহে কৃতকাৰ্যতা। অসম সাহিত্য সভাৰ সভাপতিৰ পদ অলংকৃত কৰা বিশিষ্ট সাংবাদিক কনকসেন ডেকাৰ ইচ্ছাই হ'ল 'অগ্ৰদূত' কাকতখনক অসমৰ ভিতৰত জাকত-জিলিকা কাকতৰূপে প্ৰতিষ্ঠা কৰা আৰু তাৰ বাবে তেওঁ পৰিশ্ৰম অব্যাহত ৰাখিছে আৰু সেই কাৰণে তেওঁ হেজাৰ বাধা-বিঘিনি নেওচি সফলতাৰ শীৰ্ষ স্থানত প্ৰতিষ্ঠিত হৈছে।

**অঞ্জন শৰ্মা**, *লেখক*

১৯৭১ত পোনপ্ৰথমবাৰৰ বাবে মঙলদৈ চহৰৰপৰা বাৰ্তালোচনী হিচাপে তাৰ পাছত ১৯৭৩ত গুৱাহাটীৰ পৰা তিনিদিনীয়াকৈ কাকতখন নিয়মীয়াকৈ প্ৰকাশ পাই আহিছে। কাকতখনৰ বৈশিষ্ট্য হ'ল ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত হৈ সত্যনিষ্ঠ সাংবাদিকতাত উৎসৰ্গিত। তদুপৰি প্ৰতিটো পৃষ্ঠাৰ বিষয়বস্তুসমূহ মনোগ্ৰাহী। সম্পাদকৰ আত্মবিশ্বাস, একাগ্ৰতা আৰু সুদক্ষ সম্পাদনাৰ লগতে সহঃসম্পাদক আৰু 'অগ্ৰদূত'ৰ কাকতৰ অন্যান্য কৰ্মচাৰীবৃন্দৰ একাণপতীয়া প্ৰচেষ্টাৰফলত কাকতখনে সফলতাৰে ৫০টা বছৰ পূৰ্ণ কৰিলে। ফলশ্ৰুতিত ছয় জুলাই, ২০২২ত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তঃৰ্জাতিক প্ৰেক্ষাগৃহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাৰ্চুৱেল ভাষণেৰে শুভাৰম্ভ কৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত অসমৰ মুখ্যমন্ত্ৰী সহিতে কে'বাগৰাকী বৰেণ্য ব্যক্তিৰ উপস্থিতিত 'অগ্ৰদূত'-এ স্বৰ্ণজয়ন্তীৰ শুভাৰম্ভ সফলতাৰে উদ্‌যাপন কৰা বিষয়টো সমগ্ৰ সংবাদ মাধ্যমৰ বাবে এক ঐতিহাসিক ক্ষণ হিচাপে পৰিগণিত হৈ ৰ'ব। মোৰ দৃঢ় বিশ্বাস সাম্প্ৰদায়িকতা আৰু হিংসাত্মক কাৰ্যকলাপৰ পৰা সদায়ে আঁতৰত থকা এই কাকতখনক পাঠক সমাজে কেতিয়াও অগ্ৰাহ্য কৰিব নোৱাৰে। সেয়ে স্বৰ্ণ জয়ন্তী অতিক্ৰমী এক নতুন দিগন্তৰ সূচনা কৰি শতবৰ্ষ অভিমুখে অগ্ৰসৰ হ'ব।

সদৌ শেষত অসম মাতৃৰ এইগৰাকী সুযোগ্য সন্তানৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰাৰ লগতে কাকতখনৰ আয়ুস বৃদ্ধিৰ কামনা কৰি নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনালো।


*ফোন ঃ ৮৭৫৩৯৪৭৩৪৮*

# শিক্ষাৰ ব্যক্তিগতকৰণত চৰকাৰৰ ভূমিকা

## নামী-দামী ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰক ইচ্ছামতে মাচুল লোৱাৰ ক্ষেত্ৰত চৰকাৰে নাকী লগাব পৰা নাই



**দৃষ্টিপাত**



**ড° খৰ্গেশ্বৰ ভূঞা**

জ্যোতিষীৰ ভুৱা ভৱিষ্যদ্বাণীৰ বাদেও সাধাৰণতে পৰিৱেশ-পৰিস্থিতি অধ্যয়ন কৰি কিছুমান ভৱিষ্যদ্বাণী কৰিব পাৰি। সেইবোৰ সময়ত মিলি গ'লে স্বাভাৱিকতেই আনন্দ লাগে। পিছে কিছুমান ক্ষেত্ৰত ভৱিষ্যদ্বাণী শুদ্ধ হ'লে মনটো বেয়াহে লাগে। যেনে— কিছু বছৰৰ আগৰে পৰা লেখা-মেলাৰ যোগেদি ভৱিষ্যদ্বাণী কৰি আছিলো যে চৰকাৰখনৰেই পৃষ্ঠপোষকতাত শিক্ষা খণ্ডটোৰ ব্যক্তিগতকৰণ হ'ব। এতিয়া সেয়া সত্য হোৱাৰ সম্পূৰ্ণ সম্ভাৱনাৰ দিশত আগবাঢ়িছে। ইয়াৰ বাবে আনন্দ কৰিব লগা নাই, দুখহে লাগিছে নিজকে ভৱিষ্যৎ বক্তা হ'বলৈ আগবঢ়া দেখি। শিক্ষা সম্পূৰ্ণৰূপে ব্যক্তিগত খণ্ডৰ হাতলৈ যোৱাৰ বাবে সকলোৰে যে লোকচান হ'ব, সেয়াও নহয়। যিসকলৰ সামৰ্থ্য ভালদৰেই আছে তেওঁলোকে চিন্তা নকৰে, কাৰণ কিবা পাবলৈ কিবা হেৰুৱাবই লাগিব— এই ক্ষেত্ৰত গাঁঠিৰ ধন ভাঙিব পৰাখিনিয়ে, বিশেষকৈ সোঁৰে-বাঁৰে ধন ঘটিব পৰাসকলে নিজৰ ধনৰ ভাণ্ডাৰৰ পৰা এমুঠিমান খৰচ কৰিলেই যদি সন্তানৰ ভৱিষ্যৎ সুৰক্ষিত কৰিব পৰা যায়, তেন্তে আপত্তি কৰিব লগা কি আছে!

ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান যে এতিয়াহে স্থাপন হৈছে, তেনে কথা নহয়। বৰ বৰ নেতা তথা ধনকুবেৰসকলৰ সন্তানে পঢ়িবৰ বাবে নামী-দামী স্কুল স্বাধীনতাৰ আগৰে পৰা আছিল। সাধাৰণ শিক্ষাৰ কথা বাদেই, বৃত্তিগত শিক্ষা, যেনে— চিকিৎসা, কাৰিকৰী বিদ্যা, পৰিচালনা, ওকালতি, কৃষি, পশু চিকিৎসা আদি বিভিন্ন বিষয়ত ধন খৰচ কৰিলেই পঢ়াৰ সুবিধা আছিল— এতিয়া জানিবা সেইবোৰৰ সংখ্যা দ্ৰুতগতিত বাঢ়িছে। ভাৰতত পৰ্যাপ্ত পৰিমাণে চিকিৎসক (উদাহৰণস্বৰূপে) নাই বাবে যথেষ্ট সংখ্যক এনে অনুষ্ঠান স্থাপন কৰিব লাগিছিল চৰকাৰে; পিছে এতিয়াৰ দিনতো চৰকাৰী চিকিৎসা শিক্ষাৰ অনুষ্ঠানত পঢ়িবলৈ আসন লাভ কৰাটো ভাগ্যৰ কথা বুলি ভবা হৈছে। উল্লেখ কৰি থ'ব পাৰি যে ভাৰততকৈ বিদেশৰ কিছুমানত চিকিৎসা বিজ্ঞান পঢ়িবলৈ আসন পোৱাটো তুলনামূলকভাৱে সহজ। ইউক্ৰেইন-ৰাছিয়াৰ যুদ্ধৰ সময়ত হেজাৰৰ হিচাপত ভাৰতীয় ছাত্ৰ-ছাত্ৰীয়ে চিকিৎসা বিজ্ঞান বিষয়ত সেইবোৰ দেশত শিক্ষা লাভ কৰি থকাৰ তথ্য পোহৰলৈ আহিছিল। অন্যবোৰ বিষয়ৰ অধ্যয়নৰ ক্ষেত্ৰতো কথাবোৰৰ মিল আছে। শতিকাটোৰ প্ৰথম দশকতে ব্যক্তিগত চিকিৎসা বিজ্ঞানৰ শিক্ষানুষ্ঠানত পঢ়িবলৈ ৩০/৪০ লাখ টকাৰ দৰকাৰ হৈছিল, এতিয়া পৰিমাণটো বাঢ়িছে।

নক'লেও হ'ব যে উন্নত মানৰ যিকোনো ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত পঢ়িবলৈ বৃহৎ পৰিমাণৰ ধনৰ দৰকাৰ হোৱাৰ বাবে ধনীসকলৰ ভিতৰৰ এচামেহে এইবোৰত পঢ়াৰ সুযোগ পাইছিল। সাধাৰণ লোকসকলে সেইবোৰ ঢুকি নোপোৱাৰ বাবে সমস্যাও নাছিল। এতিয়া ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানক লৈ অৰ্থাৎ শিক্ষাৰ ব্যক্তিগতকৰণক লৈ হুলস্থুল কৰিব লগা হৈছে এইবাবে যে একেবাৰে প্ৰাক্ প্ৰাথমিক স্তৰৰ পৰা উচ্চ পৰ্যায়লৈকে এফালেদি চৰকাৰী খণ্ডৰ বিদ্যালয়বোৰৰ এটা বৃহৎ অংশ বন্ধ হৈছে বা বিলুপ্তিৰ পথত আগবাঢ়িছে, আনফালেদি অলিয়ে-গলিয়ে সকলো স্তৰৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানবোৰ স্থাপিত হৈছে। কিছু কালৰ আগলৈকে ব্যক্তিগত খণ্ডত শিক্ষানুষ্ঠান খোলাত যথেষ্ট বাধ্য-বাধকতা আছিল, শিক্ষা সংসদ, ছেবা আদিত কিছুমানে সৎভাৱে চৰ্ত পূৰণ কৰি আন কিছুমানে পিছ দুৱাৰেদি স্বীকৃতি লাভ কৰিছিল, যদিও এইবোৰ সংখ্যাত যথেষ্ট কম আছিল। লাহে লাহে চৰকাৰেই পৰোক্ষভাৱে এইবোৰ শিক্ষানুষ্ঠানক উদ্‌গনি দিবলৈ ধৰিলে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে। উদাহৰণস্বৰূপে এই দশকৰ আৰম্ভণিৰ পৰা উচ্চতৰ মাধ্যমিক স্তৰৰ কনিষ্ঠ মহাবিদ্যালয় খোলাৰ ধুম উঠিছিল, ২০০৭ত নগাঁও জিলাতে ব্যক্তিগত খণ্ডৰ এনে বিদ্যালয়ৰ সংখ্যা আঢ়ৈ কুৰিতকৈ বেছি আছিল। চৰকাৰে নিয়ম কৰিলে যে উচ্চতৰ মাধ্যমিক শ্ৰেণী থকা বিদ্যালয়ত নৱম, দশম— দুটা শ্ৰেণীও থাকিব লাগিব। ইয়াৰ ফলত অনুমতি, স্বীকৃতি, চৰকাৰী অনুমোদন আদিৰ কামবোৰো সহজ হৈ পৰিল, ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ সম্প্ৰসাৰণত এই নিয়মে সাৰ-পানীহে যোগালে। ওলোটাকৈ যিবোৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় উচ্চ মাধ্যমিক স্তৰৰ আছিল, সেইবোৰত উচ্চতৰ মাধ্যমিক শ্ৰেণী খুলিবলৈও নিয়ম শিথিল কৰা হ'ল।

ছাত্ৰ-ছাত্ৰীৰ সংখ্যা সকলো স্তৰতে বাঢ়িছে, শিক্ষাৰ প্ৰসাৰৰ আধাৰত এয়া সঁচাকৈয়ে সুলক্ষণ। পিছে শিক্ষা ল'ৰা-ছোৱালীৰ মৌলিক অধিকাৰ হ'লেও তথা এয়া চৰকাৰৰ মৌলিক কৰ্তব্যৰ ভিতৰত পৰে যদিও বৰ্দ্ধিত ছাত্ৰ-ছাত্ৰীক স্থান দিবলৈ চৰকাৰে বিদ্যালয় খোলাৰ বিপৰীতে সেইবোৰ ব্যক্তিগত খণ্ডলৈহে ঠেলি দিছে। ইয়াত ব্যৱসায়িক মনোভাৱ আছে, কিয়নো নামী-দামী ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰক ইচ্ছামতে মাচুল লোৱাৰ ক্ষেত্ৰত চৰকাৰে নাকী লগাব পৰা নাই। এটা কথা ঠিক যে যিবোৰ বিদ্যালয়ক লৈ শিক্ষাৰ ব্যক্তিগতকৰণ বিষয়টো আলোচনা হয়, তেনেবোৰৰ বাদেও গাঁৱে-ভূঞে বহু ব্যক্তিগত বিদ্যালয় আছে, যিবোৰৰ আৰ্থিক অৱস্থা শোচনীয়; গাঁৱৰ দুখীয়া ৰাইজৰ সামৰ্থ্য নাই গাঁঠিৰ ধন ভাঙি সন্তানক শিক্ষা দিয়াৰ। চৰকাৰী খণ্ডৰ বৰ্তমানৰ বিদ্যালয়বোৰত বৰ্দ্ধিত সংখ্যক ছাত্ৰ-ছাত্ৰীক ভৰ্তি কৰাবলৈ যথেষ্ট সংখ্যক আসন নাই বাবে ব্যক্তিগত বিদ্যালয়বোৰে অৱশ্যেই সেই চাহিদা পূৰণ কৰিছে। প্ৰহসনৰ কথাটো হ'ল ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰী খণ্ড বাদ দি ব্যক্তিগত বিদ্যালয়বোৰলৈ ঢাপলি মেলিছে, অথচ চৰকাৰীবোৰত মাচুল নাই (এতিয়া নতুনকৈ প্ৰৱৰ্তন কৰিব খুজিছে), সাজ-পোছাক, কিতাপ-পত্ৰ, মধ্যাহ্ন ভোজন আদি বিভিন্ন সুবিধা দিয়া হয়। চৰকাৰে নতুনকৈ তিনিশটকীয়া মাচুলৰ প্ৰৱৰ্তন কৰি চৰকাৰী বিদ্যালয়ৰ শ্মশান যাত্ৰা সম্পূৰ্ণ কৰিব খুজিছে, যাতে শিক্ষাৰ ব্যক্তিগতকৰণ প্ৰক্ৰিয়া ত্বৰান্বিত হয়।

ব্যক্তিগত খণ্ডত যিকোনো লোকে বিদ্যালয় খোলাৰ পাছত এসময়ত সেইবোৰ আদানী, আম্বানীৰ দৰে চৰকাৰৰ আশিসধন্য পুঁজিপতিৰ লগতে বৃহৎ ব্যৱসায়ীৰ হাতলৈ যোৱাৰ লক্ষণ দেখা গৈছে সম্প্ৰতি আমিনগাঁৱত ৬০ বিঘা মাটিত খোলা Vandya International School নামৰ উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্ববৃহৎ শিক্ষানুষ্ঠানটো মুখ্যমন্ত্ৰীৰ পত্নীয়ে আন মন্ত্ৰীৰ উপস্থিতিত কৰা উদ্বোধন দেখি। বাতৰি মতে ৰিণিকি শৰ্মা ভূঞাই হেনো ইয়াৰ মালিক। অসমীয়া ব্যক্তি বৃহৎ উদ্যোগী হ'বলৈ যোৱাটো অতি উৎসাহজনক কথা যদিও ইয়াৰ যোগেদি শিক্ষাৰ ব্যক্তিগতকৰণক স্থায়িত্ব দিয়া কাৰ্যহে সাধাৰণ লোকৰ বাবে উদ্বেগজনক।

ছাত্ৰ-ছাত্ৰীৰ বাবে পৰ্যাপ্ত আসন নথকাৰ বাবে ব্যক্তিগত খণ্ডত বিদ্যালয় খোলা হৈছিল আগৰ দিনৰ ভেন্সাৰ স্কুলৰ আৰ্হিত। পিছে তেতিয়াৰ দৰে নতুনবোৰে ৰাইজৰ সাহায্যৰ ওপৰত নিৰ্ভৰ নকৰি ছাত্ৰ-ছাত্ৰীৰ মাচুলৰ প্ৰতি দৃষ্টি দিলে। শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি আৰু ৰাইজৰ একাংশৰ হাতত সন্তানৰ অৰ্থে খৰচ কৰিব পৰাকৈ ধন গোট খোৱাত মানুহে মাচুলৰ বাবে চিন্তা নকৰা হ'ল। নতুনকৈ খোলা ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰে নিজৰ অস্তিত্বৰ সংগ্ৰামত দৃঢ়ভাৱেই ব্ৰতী হোৱাৰ বাবে এইবোৰৰ ফলাফল ভাল হ'বলৈ ধৰিলে আৰু চৰকাৰী বিদ্যালয়বোৰৰ লগত অঘোষিত প্ৰতিযোগিতা আৰম্ভ হ'ল। এই প্ৰতিযোগিতা সুস্থ আৰু অসুস্থ দুয়োভাৱেই আছিল। ইয়াত নিজৰ স্বাৰ্থতেই কিছুমান বিদ্যালয়ৰ কৰ্তৃপক্ষই সংবাদ মাধ্যমক জড়িত কৰিলে। প্ৰচাৰৰ জৰিয়তে এনে এটা পৰিৱেশৰ সৃষ্টি কৰা হ'ল যে চৰকাৰীৰ তুলনাত ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ যথেষ্ট সুবিধা নথকা সত্ত্বেও ফলাফল যথেষ্ট উন্নত। এই তথ্যত আংশিক সত্যতাহে আছে— কিছুমান মুষ্টিমেয় ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ ফলাফল সঁচাকৈয়ে ভাল হোৱাৰ বিপৰীতে গৰিষ্ঠসংখ্যকৰ ফলাফল বেয়া আছিল চৰকাৰী খণ্ডৰ তুলনাত। কিছু ব্যক্তিগত বিদ্যালয়ে দোপতদোপে উন্নতি কৰাৰ বিপৰীতে বহু তেনে বিদ্যালয় বন্ধ হৈ গ'ল আৰু এতিয়াও তেনে হৈ আছে। উল্লেখ কৰি থ'ব পাৰি যে মিছনেৰীৰ দ্বাৰা পৰিচালিত ডন বস্ক', খ্ৰীষ্টজ্যোতি ধৰণৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰ যথেষ্ট পুৰণি আৰু এইবোৰে পূৰ্বৰে পৰাই ভাল ফলাফল দেখুৱাই আহিছে। অসমত সাধাৰণতে ভাল ফলাফল মানে ছেবা আৰু শিক্ষা সংসদৰ চূড়ান্ত পৰীক্ষা দুটাৰ কথাহে বিশেষভাৱে বিবেচিত হয়। একে ধৰণৰ কেন্দ্ৰীয় ব'ৰ্ডৰ কথা দুবছৰমানৰ আগলৈকে অহা নাছিল। মিছনেৰীৰ স্কুলবোৰ লাহে লাহে কেন্দ্ৰীয় ব'ৰ্ডৰ অধীনলৈ যাব ধৰিলে আৰু কিছুমানত কেন্দ্ৰীয় আৰু ৰাজ্যিক দুয়োবিধ পাঠ্যক্ৰমেই চলি আছে।

সংবাদ মাধ্যমৰ কৃপাত ১৫ বছৰ মানৰ আগৰ পৰা এনে এটা পৰিৱেশৰ সৃষ্টি কৰা হ'ল যেন ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰৰ ফলাফল চৰকাৰীবোৰতকৈ উন্নত। চৰকাৰীবোৰৰ ফলাফল নিঃস্বাৰ্থভাৱে প্ৰচাৰিত নহয়। অসংখ্য স্বাৰ্থপৰতাৰ উদাহৰণৰ ভিতৰত এইবাৰৰ শিক্ষা সংসদৰ পৰীক্ষাত কলা বিভাগত যুটীয়াভাৱে প্ৰথম স্থান লাভ কৰা ছাত্ৰী দুগৰাকীৰ কথাই ল'ব পাৰি। এটা (নে একাধিক) টিভি চেনেলে ব্যক্তিগত খণ্ডৰ পৰা স্থান পোৱা গৰাকীক লৈ ঢোল বজোৱাৰ বিপৰীতে চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ পৰা এনে স্থান পোৱাগৰাকীক অৱহেলা কৰিলে। এনে প্ৰচাৰত পূৰ্বতে চৰকাৰী পৃষ্ঠপোষকতা নাছিল যদিও আজি-কালি চৰকাৰেও সঁহাৰি দিয়ে, ফলাফল বেয়া হোৱা বিদ্যালয়ৰ প্ৰধানক ৰাজহুৱাকৈ গালি দিয়ে,

> **ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান যে এতিয়াহে স্থাপন হৈছে, তেনে কথা নহয়। বৰ বৰ নেতা তথা ধনকুবেৰসকলৰ সন্তানে পঢ়িবৰ বাবে নামী-দামী স্কুল স্বাধীনতাৰ আগৰে পৰা আছিল**

সংবাদ মাধ্যমযোগে ৰাইজৰ মাজলৈ চৰকাৰেই সংকেত প্ৰেৰণ কৰে যে চৰকাৰী বিদ্যালয় বেয়া, গতিকে 'নিজৰ ল'ৰা-ছোৱালী তেনে বিদ্যালয়লৈ নপঠিয়াই ব্যক্তিগত বিদ্যালয়লৈ পঠিয়াবা যদিহে সন্তানৰ ভাল শিক্ষা হোৱাটো বিচাৰা' ইত্যাদি। সংবাদ মাধ্যম তথা বিভিন্ন ন্যস্তস্বাৰ্থৰ কৃপাত ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ চূড়ান্ত ফলাফলৰ গ্ৰাফডাল নিৰৱচ্ছিন্নভাৱে ঊৰ্ধ্বগামী হোৱাৰ বিপৰীতে চৰকাৰী খণ্ডৰ নিম্নগামী হৈছে। মূৰত হোৱা ওকণি মাৰিবলৈ উপযুক্ত ঔষধ প্ৰয়োগ নকৰি মূৰৰ চুলিসোপাকে খুৰাই পেলোৱাৰ দৰে চৰকাৰে বেয়া ফলাফল দেখুওৱা বিদ্যালয়বোৰ হয় বন্ধ কৰিছে, নহ'লে কে'বাখনো বিদ্যালয় লগ লগাই এখন কৰিছে। সামৰ্থ্য নথকাসকলৰ সন্তানে এনেয়েও স্কুললৈ যাবলৈ নিবিচাৰে। এতিয়া একেবাৰে তল শ্ৰেণীত পঢ়িবলৈকে ভালেমান দূৰলৈ যাব লগা হ'লে বিদ্যালয়লৈ যোৱাৰ আগ্ৰহ এনেয়েও কমিব। এতিয়া তিনিশটকীয়া মাচুল প্ৰৱৰ্তন কৰিলে যাব খোজাখিনিও নোযোৱা হ'ব। কংগ্ৰেছ চৰকাৰে চৰকাৰী খণ্ডৰ বিদ্যালয়বোৰলৈ মধ্যাহ্ন ভোজন, ইউনিফৰ্মৰ যোগান, বিনামূলীয়া শিক্ষা আদিৰে কিছু হ'লেও উৎসাহ যোগাইছিল; মধ্যাহ্ন ভোজনে নানা আহুকলীয়া অৱস্থাৰ অৱশ্যেই সৃষ্টি কৰিছিল। এইবোৰ ব্যৱস্থাৰ যোগেদি শিক্ষাক চৰকাৰী কৰি ৰখাত যথেষ্ট ধনৰ খৰচ হয়। গতিকে বৰ্তমানৰ চৰকাৰে সেইবোৰ বিলোপ কৰাতকৈ বিদ্যালয়বোৰকেই বন্ধ কৰি দিয়াৰ ব্যৱস্থা কৰিছে, যাতে খৰচৰ ভাৰটো কমি যায়।

এফালেদি চৰকাৰৰ বিত্তমন্ত্ৰীয়ে ধন ভঁৰালত পৰ্যাপ্ত পৰিমাণে ধন থকাৰ ঘোষণা কৰিছে, আনফালেদি শিক্ষামন্ত্ৰীয়ে বিধায়ক তথা ৰাইজকেই বিদ্যালয়ৰ আন্তঃগাঁথনি আৰু অন্যান্য খৰচৰ বাবে দান দিবলৈ আহ্বান জনাইছিল। শিক্ষামন্ত্ৰীৰ চিঠিয়ে চৰকাৰৰ ফোঁপোলা স্বৰূপ উদঙাই দিয়া বুলি ৰাইজে হৈ-চৈ কৰিবলৈ ধৰাত মুখ্যমন্ত্ৰীয়ে শিক্ষামন্ত্ৰীৰ গাতেই চিঠিৰ বাক্য গাঁথনি ভুল কৰা বুলি দোষ জাপি দিছে। সাধাৰণতে চৰকাৰৰ মুৰব্বীয়েই হওক বা প্ৰশাসনৰ বৰমুৰীয়াই হওক তলতীয়াসকলৰ দোষৰ পৰা নিজকে বিচ্ছিন্ন নকৰে; পিছে বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে পূৰ্বতে অন্য মন্ত্ৰীৰ গাত দোষ জপাৰ দৰে এইবাৰো শিক্ষামন্ত্ৰীক ৰাইজৰ ওচৰত অপদস্থ কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। লাখ কোটিৰ হিচাপত ধাৰৰ ওপৰত চৰকাৰ চলা আৰু 'ভিতৰত ঢকুৱাৰ বেৰ, বাহিৰত বৰচুবীয়াৰ ফেৰ' প্ৰদৰ্শন কৰা ধৰণৰ কাৰবাৰবোৰ ৰাইজৰ ওচৰত ধৰা নপৰাকৈ থকা নাই। সময় থাকোতেই এইবোৰত চৰকাৰ সংযত হোৱা উচিত।

বিশেষ আৱশ্যকতা নথকাকৈয়ে চৰকাৰে তৃতীয় শ্ৰেণীৰ পৰাই বিজ্ঞান আৰু গণিত, ইংৰাজী মাধ্যমত পঢ়ুওৱাৰ ব্যৱস্থা কৰাটো তেনেই অপৰিপক্কতাৰ চিন। পিছে ইয়াৰ আঁৰতো আছে শিক্ষাৰ ব্যক্তিগতকৰণৰ পৰোক্ষ উদ্দেশ্য। বিজ্ঞান আৰু গণিতৰ দৰে বিষয় দুটা মাতৃভাষাত নপঢ়িলে কেনে বিপৰ্যয় সেয়া অভিজ্ঞসকলে জানে। চৰকাৰী খণ্ডৰ বিদ্যালয়বোৰৰ দুৰৱস্থাৰ আঁৰত বহু কাৰণ আছে, সেইবোৰ কাৰণ জানিও চৰকাৰে উপযুক্ত ব্যৱস্থা নোলোৱাটো পৰিতাপৰ কথা।

*ফোন ঃ ৮১৩৫৮৩৫২১৯*


# ২০২৪ৰ সাধাৰণ নিৰ্বাচন

# নৰেন্দ্ৰ মোদী বনাম নীতিশ কুমাৰ





**পৰ্যালোচনা**



**আশীষ মজুমদাৰ**

**ভাৰতৰ** গণতন্ত্ৰ হ'ল সংসদীয় গণতন্ত্ৰ। ইয়াত ক্ষমতাৰ বাবে ৰাজনৈতিক দলবোৰৰ মাজত যুঁজ হয় আৰু যিটো দলে সংসদত সংখ্যাগৰিষ্ঠতা লাভ কৰে সেইটো দলৰ নেতৃত্বত চৰকাৰৰ গঠন হয়। সংসদীয় গণতন্ত্ৰত ৰাইজে ৰাষ্ট্ৰৰ মুৰব্বী অৰ্থাৎ প্ৰধানমন্ত্ৰী বা ৰাষ্ট্ৰপতি নিৰ্বাচন কৰিব নোৱাৰে। কিন্তু নৰেন্দ্ৰ মোদীৰ প্ৰখৰ ব্যক্তিত্ব আৰু বিপুল জনপ্ৰিয়তাৰ সদ্ব্যৱহাৰ কৰিবলৈ বিজেপিয়ে সংসদীয় নিৰ্বাচনকো একপ্ৰকাৰ ৰাষ্ট্ৰপতীয় পদ্ধতিৰ নিৰ্বাচনলৈ পৰ্যবসিত কৰিব খোজা পৰিলক্ষিত হৈছে। বিজেপিয়ে ভালদৰে জানে যে দেশত এতিয়া মোদীৰ স'তে ফেৰ মাৰিব পৰা কোনো নেতা বিৰোধী দলবোৰৰ মাজত নাই। সেয়ে মোদী বনাম কোন প্ৰশ্ন উত্থাপন কৰিলে বিৰোধী পক্ষক শলঠেকত পেলাব পৰা যাব।

শেহতীয়াকৈ বিহাৰত হঠাৎ ৰাজনৈতিক পট পৰিৱৰ্তন হোৱা দেখা গৈছে। কোনো আগজাননী নিদিয়াকৈ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে বিজেপিৰে সম্পৰ্ক ছেদ কৰি বিৰোধী ৰাষ্ট্ৰীয় জনতা দলৰ স'তে হাত মিলাই পুনৰ চৰকাৰ গঠন কৰিছে। এই পট পৰিৱৰ্তনৰ আঁৰত জেডিইউ আৰু আৰজেডিৰ মাজত কি গোপন চুক্তি হৈছে জনা নাযায়। সদ্যহতে ৰাজ্যৰ বৃহত্তম দল আৰজেডিয়ে মুখ্যমন্ত্ৰীৰ আসনখন এৰি দিলেও অহা বিধানসভাৰ নিৰ্বাচনত অৰ্থাৎ ২০২৫ত দুয়োটা দলে আৰজেডিৰ তেজস্বী যাদৱক মুখ্যমন্ত্ৰী প্ৰাৰ্থীৰূপে ঘোষণা কৰিব বুলি ধাৰণা কৰা হৈছে। ইয়াৰ বিনিময়ত আৰজেডিয়ে নীতিশ কুমাৰক বিৰোধীৰ সৰ্বসন্মত প্ৰধানমন্ত্ৰী প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিবলৈ প্ৰয়াস চলাব। অলপতে অনুষ্ঠিত হোৱা ৰাষ্ট্ৰপতি আৰু উপৰাষ্ট্ৰপতি নিৰ্বাচনত বিৰোধী দলবোৰৰ মাজত কোনো ঐক্য পৰিলক্ষিত হোৱা নাছিল। ২০২৪তো বিৰোধীৰ মাজত যদি ঐক্য প্ৰতিষ্ঠা নহয়, তেনেহ'লে নৰেন্দ্ৰ মোদীয়ে হেলাৰঙে হেটট্ৰিক অৰ্জন কৰিব। একাংশ সংবাদ মাধ্যমে ইতিমধ্যেই অহা সাধাৰণ নিৰ্বাচন মোদী বনাম নীতিশ কুমাৰৰ মাজত অনুষ্ঠিত হ'ব বুলি ভৱিষ্যদ্বাণী কৰা দেখা গৈছে।

এতিয়া প্ৰধানমন্ত্ৰী প্ৰাৰ্থী হিচাপে নীতিশ কুমাৰৰ ব্যক্তিত্ব, বিশ্বাসযোগ্যতা আৰু সম্ভাৱনাৰ বিষয়ে আলচ কৰা যাওক। ২০০৫ৰ বিধানসভা নিৰ্বাচনত নীতিশ কুমাৰৰ নেতৃত্বত জেডিইউ-বিজেপি জোট বন্ধনে লালুপ্ৰসাদৰ আৰজেডিৰ ১৫ বছৰীয়া অপশাসন আৰু জংঘলৰাজৰ ওৰ পেলাই বিপুল ভোটেৰে চৰকাৰ গঠন কৰিছিল। তেতিয়াৰ পৰাই মাজত দুবাৰমান ওলোটা খৰ মাৰি হ'লেও নীতিশ কুমাৰৰ ৰাজত্ব চলি আছে। নীতিশ কুমাৰৰ শাসনত বিহাৰৰ চমকপ্ৰদ উন্নয়ন নহ'লেও আইনৰ শাসন প্ৰতিষ্ঠা হৈছে। তেওঁৰ দীঘলীয়া শাসন কালত কোনো গুৰুতৰ কেলেংকাৰীৰ অভিযোগ নাই। বিহাৰৰ সংবাদ মাধ্যমত তেওঁ 'সুশাসন বাবু' হিচাপে পৰিচিত। পাটনা এনআইটিৰ স্নাতক নীতিশ কুমাৰ এজন উচ্চশিক্ষিত আৰু সংস্কৃত ব্যক্তি। লালুপ্ৰসাদৰ অৰ্ধশিক্ষিত পুত্ৰদ্বয় তেজস্বী আৰু তেজপ্ৰতাপৰ দৰে উদ্ধত আৰু অভং আচৰণ তেওঁ কেতিয়াও নকৰে। সুদীৰ্ঘ ৰাজনৈতিক কেৰিয়াৰত তেওঁক এজন সৎ ব্যক্তি বুলিয়েই জনা যায়। পৰিয়ালতন্ত্ৰৰ পৰাও তেওঁ শত যোজন দূৰৈত অৱস্থিত। মোদীৰ দৰে তেওঁৰ পৰিয়ালৰো কোনো সদস্য ৰাজনৈতিক সুবিধা গ্ৰহণ কৰি লাভান্বিত হোৱাৰ বাতৰি পোৱা নাযায়।

প্ৰধানমন্ত্ৰী পদৰ বাবে তেওঁ এজন যোগ্য প্ৰাৰ্থী, তাত সন্দেহ নাই। এতিয়া অহা যাওক বিশ্বাসযোগ্যতাৰ প্ৰসংগলৈ। দীঘলীয়া ৰাজনৈতিক জীৱনত নীতিশ কুমাৰে কিমানবাৰ ওলোটা খৰ মাৰিছে তাৰ হিচাপ ৰখাই ৰাজনৈতিক পণ্ডিতসকলৰ বাবে টান হৈ পৰিছে।

লালুপ্ৰসাদৰ স'তে একেলগে সমাজবাদী আন্দোলনত জড়িত হৈ পৰা নীতিশ কুমাৰে ১৯৯৪ত লালুৰ সংগ ত্যাগ কৰি জৰ্জ ফাৰ্ণাণ্ডেজৰ স'তে সমতা পাৰ্টি গঠন কৰে; কিন্তু নিৰ্বাচনত বেয়াকৈ পৰ্যুদস্ত হোৱাৰ পাছত ১৯৯৬ত বিজেপিৰে মিত্ৰতা কৰে। বিজেপিৰ স'তে নীতিশ কুমাৰৰ মিত্ৰতা ১৭ বছৰ অব্যাহত থাকে। ২০০৩ত নীতিশ কুমাৰে দলটোৰ নাম সমতাৰ পাৰ্টিৰ পৰা জনতা দল ইউনাইটেডলৈ সলনি কৰে। ২০০৫ৰ বিধানসভা নিৰ্বাচনত জেডিইউ-বিজেপিৰ জোটবন্ধনে বিপুল ভোটত জয়লাভ কৰে আৰু একেৰাহে ১৩ বছৰ চৰকাৰ চলায়; কিন্তু ২০১৩ত বিজেপিয়ে হিন্দুত্ববাদী নৰেন্দ্ৰ মোদীক প্ৰধানমন্ত্ৰী প্ৰাৰ্থীৰূপে প্ৰক্ষেপ কৰাৰ লগে লগে তেওঁ বিজেপিৰে মিত্ৰতা ভংগ কৰে আৰু ২০১৫ত চিৰশত্ৰু কংগ্ৰেছ, আৰজেডি আৰু বাওঁদলৰ লগ লাগি মহাজোট বন্ধন কৰি বিধানসভা নিৰ্বাচনত জয়ী হয়; কিন্তু তেজস্বী যাদৱ আৰু আৰজেডিৰ মন্ত্ৰীবোৰৰ অতপালিত অতিষ্ঠ হৈ ২০ মাহ পাছতেই মিত্ৰতা ভংগ কৰি পুনৰ বিজেপিৰে লগ লাগি চৰকাৰ গঠন কৰে। ২০২০ৰ বিধানসভা নিৰ্বাচনত জেডিইউ-বিজেপি মিত্ৰজোটে পুনৰ চৰকাৰ গঠন কৰে যদিও এইবাৰ বিজেপিৰ ৭৫ খন আসনৰ বিপৰীতে নীতিশ কুমাৰৰ দলে মাথোঁ ৪৫ খনহে আসন লাভ কৰে। দুবছৰ চৰকাৰ চলোৱাৰ পাছত নীতিশ কুমাৰে অলপতে পুনৰ বিজেপিৰে মিত্ৰতা ছেদ কৰি আৰজেডিৰে লগ লাগি জনমতক বিশ্বাসঘাতকতা কৰি পুনৰ মুখ্যমন্ত্ৰীৰ আসনত বহে। অৰ্থাৎ দেখা যায় যে নীতিশ কুমাৰৰ ৰাজনৈতিক ইতিহাসেই হ'ল বিশ্বাসভংগৰ ইতিহাস। এই ওলোটা খৰ মৰা চৰিত্ৰৰ বাবে ২০২৪ৰ নিৰ্বাচনত নীতিশ কুমাৰ বিৰোধী পক্ষৰ উমৈহতীয়া প্ৰধানমন্ত্ৰী প্ৰাৰ্থী হোৱাৰ ক্ষেত্ৰত কিছু হেঙাৰৰ সৃষ্টি কৰিব পাৰে।

নীতিশ কুমাৰৰ বাহিৰেও প্ৰধানমন্ত্ৰী প্ৰাৰ্থীৰূপে আম আদমী পাৰ্টিৰ অৰবিন্দ কেজৰিৱাল, তৃণমূল কংগ্ৰেছৰ মমতা বেনাৰ্জী, কংগ্ৰেছৰ ৰাহুল গান্ধীৰ নাম চৰ্চালৈ আহিছে। আগতকৈ বহু নিশকতীয়া হৈ পৰিলেও কংগ্ৰেছৰ এতিয়াও সৰ্বভাৰতীয় স্থিতি আছে। ৰাজনীতিত যদিও অসম্ভৱ বোলা একো নাথাকে তথাপি কংগ্ৰেছে প্ৰধানমন্ত্ৰীত্বৰ দাবী ইমান সহজে এৰি দিব বুলি মনে নধৰে। দিল্লী আৰু পাঞ্জাৱত আম আদমী পাৰ্টি কংগ্ৰেছৰ মূল শত্ৰু, গতিকে কংগ্ৰেছৰ বাবে অৰবিন্দ কেজৰিৱালক সমৰ্থন দিয়াৰ প্ৰশ্নই নাহে। পশ্চিমবংগতো তৃণমূলৰ স'তে কংগ্ৰেছৰ অহি-নকুল সম্পৰ্ক। গতিকে মমতা বেনাৰ্জীকো কংগ্ৰেছে সমৰ্থন দিয়াৰ আশা ক্ষীণ। ৰাহুল গান্ধীৰ যে প্ৰধানমন্ত্ৰীৰ প্ৰাৰ্থী হোৱাৰ যোগ্যতা নাই এইটো কথা কংগ্ৰেছী সকলেও পেটে পেটে স্বীকাৰ কৰিব। ছ'চিয়েল মিডিয়াত ৰাহুল গান্ধীক পাপু বুলি সততে ট্ৰ'ল কৰা হয়। তেওঁক বিৰোধী দলবোৰে প্ৰধানমন্ত্ৰী পদৰ উমৈহতীয়া প্ৰাৰ্থী ঘোষণা কৰা মানে বিনা যুদ্ধত মোদীক গাদী অৰ্পণ কৰা।

উপৰোক্ত পৰ্যালোচনাৰ পৰা দেখা যায় যে বিৰোধীৰ সন্মিলিত প্ৰধানমন্ত্ৰী প্ৰাৰ্থী হিচাপে নীতিশ কুমাৰ অলপ হ'লেও আগবাঢ়ি আছে। স্বাৰ্থৰ সংঘাত নথকা বাবে আন বিৰোধী দলবোৰৰ স'তে নীতিশ কুমাৰৰ সম্পৰ্ক সন্তোষজনক। কংগ্ৰেছে যদি মোদীৰ অশ্বমেধ ঘোঁৰা ৰোধ কৰাৰ স্বাৰ্থত আত্মত্যাগ কৰি নীতিশ কুমাৰক সমৰ্থন দিয়ে তেনেহ'লে অহা নিৰ্বাচন হৈ পৰিব আকৰ্ষণীয়। নীতিশ কুমাৰৰ জেডিইউৰ ১৫-২০ খনৰ ওপৰত আসন লাভ কৰাৰ কোনো সম্ভাৱনা নাই। দুৰ্ঘটনাবশত নীতিশ কুমাৰ প্ৰধানমন্ত্ৰী হ'লেও তেওঁৰ অৱস্থা সংযুক্ত মৰ্চাৰ গুজৰাল বা দেৱগৌড়াৰ দৰে হৈ পৰিব। বিশ্ব দৰবাৰত মোদীৰ বলিষ্ঠ নেতৃত্বৰ সোৱাদ পোৱা জনতা জনাৰ্দনে দুৰ্বল প্ৰধানমন্ত্ৰীৰ পোষকতা কৰিব জানো?

*ফোন ঃ ৭০০২২৫১১৬৬*



## হঠাৎ ইউক্ৰেইনত উপস্থিত হ'ল ব্ৰিটিছ প্ৰধানমন্ত্ৰী

**নিউজ ব্যুৰ'**
**কীভ, ২৫ আগষ্ট ঃ** কালি হঠাতে বিদায়ী ব্ৰিটিছ প্ৰধানমন্ত্ৰী বৰিছ জনছন ইউক্ৰেইনত উপস্থিত হৈছিল। জনছনে ইউক্ৰেইনৰ ৰাজধানী কীভত আয়োজন কৰা দেশখনৰ ৩১ সংখ্যক স্বাধীনতা দিৱসৰ চৰকাৰী কাৰ্যসূচীত অংশ লৈছিল। উক্ত অনুষ্ঠানত উপস্থিত থাকি বিদায়ী ব্ৰিটিছ প্ৰধানমন্ত্ৰীয়ে ইউক্ৰেইনৰ প্ৰতি ব্ৰিটেইনৰ সমৰ্থন অব্যাহত থাকিব বুলি ঘোষণা কৰে। পাছত ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেন'স্কিৰ স'তে কীভত উঠা ফটো টুইট কৰি জনছনে এইদৰে লিখে, 'ইউক্ৰেইনত যি সংঘটিত হ'ল সেয়া আমাৰ সকলোৰে বাবে গুৰুত্বপূৰ্ণ। এই কাৰণতে আজি কীভলৈ আহিছিলো। মোৰ বিশ্বাস, ইউক্ৰেইন এই যুদ্ধত জয়ী হ'ব।'

## কাশ্মীৰত গুলিত আহত সন্ত্ৰাসবাদীক ৰক্তদানৰে প্ৰাণৰক্ষা ভাৰতীয় সেনাৰ



**নিউজ ব্যুৰ', শ্ৰীনগৰ, ২৫ আগষ্ট ঃ** জম্মু-কাশ্মীৰৰ ৰাজৌৰিৰ নৌচেৰা খণ্ডত নিয়ন্ত্ৰণ ৰেখাৰ সমীপত ধৰা পৰা আত্মঘাতী সন্ত্ৰাসবাদী তাবাৰাক হুছেইনক তিনি বটল ৰক্তদানৰে প্ৰাণ ৰক্ষা কৰিলে ভাৰতীয় সেনা বাহিনীৰ সদস্যই। নৌচেৰা ব্ৰিগেডৰ কমাণ্ডাৰ বিগ্ৰেডিয়াৰ ৰাজীৱ নায়াৰে আজি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি কয়, 'যোৱা দেওবাৰে এক সংঘৰ্ষত উক্ত সন্ত্ৰাসবাদীজনৰ উৰু আৰু কান্ধত দুটাকৈ গুলি লগাৰ কাৰণত তেওঁ গুৰুতৰভাৱে আহত হৈছিল। প্ৰচুৰ পৰিমাণে তেওঁৰ ৰক্তপাত হৈছিল। অস্ত্ৰোপচাৰৰ বাবে তেওঁক আই চি ইউত ভৰ্তি কৰোৱা হৈছিল যদিও সেনা বাহিনীৰ সদস্যই তিনি বটল ৰক্তদানৰে তেওঁৰ প্ৰাণৰক্ষা কৰিলে।' সেনা বিষয়াজনে প্ৰকাশ কৰা অনুসৰি, উক্ত সন্ত্ৰাসবাদীজনৰ স্বাস্থ্যৰ অৱস্থা সম্প্ৰতি স্থিতিশীল। ভাৰতীয় সেনাৰ এই মানৱিক চেহেৰা পোহৰলৈ অহাত সকলোৱে প্ৰশংসা কৰিছে। উল্লেখ্য যে যোৱা দেওবাৰে পুৱা ভাৰতীয় সেনাই নৌছেৰাৰ সীমান্তত দুই-তিনিজন সন্ত্ৰাসবাদীয়ে অনুপ্ৰৱেশৰ অপচেষ্টা চলোৱা প্ৰত্যক্ষ কৰি সন্ত্ৰাসবাদীলৈ গুলিবৰ্ষণ কৰিছিল আৰু এই ঘটনাত তাবাৰাক গুলিবিদ্ধ হৈছিল। পাছত ভাৰতীয় সেনাই তেওঁক সামৰিক চিকিৎসালয়ত ভৰ্তি কৰিছিল।



## জাৰ্মানীত চলাচল আৰম্ভ বিশ্বৰ প্ৰথম হাইড্ৰ'জেনচালিত ৰেল

**নিউজ ব্যুৰ', বাৰ্লিন, ২৫ আগষ্ট ঃ** হাইড্ৰ'জেন চালিত বিশ্বৰ প্ৰথমখন ৰেলৰ সেৱা জাৰ্মানীত আৰম্ভ হ'ল। দেশখনৰ ল'ৱাৰ ছেক্সনীত এই ৰেলৰ সেৱা প্ৰৱৰ্তন কৰা হৈছে। উল্লেখ্য যে চাৰি বছৰ পূৰ্বেই জাৰ্মানীত হাইড্ৰ'জেন চালিত ৰেলৰ পৰীক্ষামূলক চলাচল আৰম্ভ কৰা হৈছিল। যোৱা বুধবাৰৰ পৰা দেশখনৰ ল'ৱাৰ ছেক্সনীত হাইড্ৰ'জেন ইন্ধন চালিত ৰেলৰ নিয়মীয়া চলাচল আৰম্ভ কৰা হ'ল। পুৰণি ডিজেলচালিত ৰেলৰ স্থানত এতিয়াৰে পৰা জাৰ্মানীত হাইড্ৰ'জেন চালিত ৰেলৰ সেৱা প্ৰৱৰ্তন কৰা হ'ল।

## আমেৰিকাত বন্দুকধাৰীৰ দুই পৃথক আক্ৰমণৰ ঘটনাত নিহত কমেও তিনিজন



**নিউজ ব্যুৰ', মেৰিলেণ্ড, ২৫ আগষ্ট ঃ** আমেৰিকাত পুনৰ বন্দুকধাৰীয়ে সংঘটিত কৰিলে আক্ৰমণৰ ঘটনা। দেশখনৰ দুটা অঞ্চলত বন্দুকধাৰীৰ আক্ৰমণত কমেও তিনিজন লোকৰ মৃত্যু হ'ল। প্ৰথমটো ঘটনা মেৰিলেণ্ডত স্থানীয় সময় অনুসৰি বুধবাৰে দুপৰীয়া ১২-২৪ বজাত সংঘটিত হৈছিল। আৰক্ষীৰ খবৰ অনুসৰি, এখন ক'লা ৰঙৰ গাড়ীৰে অহা দুৰ্বৃত্তই হঠাতে গুলিবৰ্ষণ কৰাত ঘটনাস্থলীতে এজন লোকৰ মৃত্যু হয় আৰু আন ছজন লোক আহত হৈছিল। পৰৱৰ্তী ঘটনাটো ৱাশ্বিংটনৰ ট্ৰাক্সটল অঞ্চলত সংঘটিত হৈছিল। এটা বৃদ্ধাশ্ৰম আৰু বিদ্যালয়ৰ চৌহদত বন্দুকধাৰীয়ে বুধবাৰে দুপৰীয়া এক বজাত গুলিবৰ্ষণ কৰাত ঘটনাস্থলীতে দুজন লোকৰ মৃত্যু হয় আৰু আন তিনিজন গুৰুতৰভাৱে আহত হৈছিল। আক্ৰমণ সংঘটিত কৰা দুৰ্বৃত্তক এতিয়াও আৰক্ষীয়ে ধৰা পেলাব পৰা নাই।

## দৈনিক আক্ৰান্তৰ সংখ্যা ১০ হেজাৰৰ উৰ্ধ্বতে, ২৪ ঘণ্টাত মৃত্যু ৩৬ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৫ আগষ্ট ঃ** একেৰাহে দুদিন ধৰি ভাৰতৰ দৈনিক ক'ভিড আক্ৰান্তৰ সংখ্যা ১০ হেজাৰৰ উৰ্ধ্বত আছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ১০৭২৫ জন লোক ক'ভিড সংক্ৰমিত হ'ল। বুধবাৰে এই সংখ্যা আছিল ১০,৬৪৯ জন। যোৱা ২৪ ঘণ্টাত মহাৰাষ্ট্ৰত ১৯১৩, কৰ্ণাটকত ১২৫৫, কেৰালাত ১১৫৪ আৰু দিল্লীত ৯৪৫ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। ইফালে, বিগত এদিনত দেশত ৩৬ জন কৰ'না ৰোগীৰ মৃত্যু হ'ল। দিল্লীত ছজন, মহাৰাষ্ট্ৰ-কেৰালাত পাঁচজন কৰ'না ৰোগীৰ মৃত্যু হ'ল।

**ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ইউক্ৰেইন সন্দৰ্ভত প্ৰক্ৰিয়ামূলক ভোটদানত ৰাছিয়াৰ বিৰুদ্ধে ভাৰত**

# ৰাছিয়াৰ বিৰুদ্ধে ইউক্ৰেইন প্ৰসংগত প্ৰথম ভোটদান ভাৰতৰ

**নিউজ ব্যুৰ'**
**ৰাষ্ট্ৰসংঘ, ২৫ আগষ্ট ঃ** ভাৰতে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ইউক্ৰেইন সন্দৰ্ভত এক প্ৰক্ৰিয়ামূলক ভোটদানত ৰাছিয়াৰ বিৰুদ্ধে প্ৰথমবাৰৰ বাবে ভোটদান কৰিলে। ৰাষ্ট্ৰসংঘৰ ১৫ সদস্যবিশিষ্ট নিৰাপত্তা পৰিষদে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেন'স্কিক এই বৈঠকৰ সময়ত ভিডিঅ' টেলিকনফাৰেন্সৰ



জৰিয়তে ভাষণ দিবলৈ আমন্ত্ৰণ জনাইছিল।

উল্লেখ্য যে যোৱা ২৪ ফেব্ৰুৱাৰীৰ দিনা ৰুছ সেনা বাহিনীয়ে ইউক্ৰেইনত প্ৰথম আক্ৰমণ সংঘটিত কৰিছিল আৰু এতিয়াও ৰাছিয়াই কীভৰ বিৰুদ্ধে এই যুদ্ধ অব্যাহত ৰাখিছে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ উক্ত বৈঠকত ইউক্ৰেইন প্ৰসংগত প্ৰথমবাৰৰ বাবে ৰাছিয়াৰ বিৰুদ্ধে ভাৰতে ভোটদান কৰিলে। ইয়াৰ পূৰ্বলৈকে ভাৰতে ইউক্ৰেইন প্ৰসংগত নিৰাপত্তা পৰিষদত নিষ্ক্ৰিয় ভূমিকা গ্ৰহণ কৰি আহিছিল। ফলত ভাৰতৰ আচৰণত তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছিল আমেৰিকাসহ পশ্চিম বিশ্বৰ দেশসমূহে। ভাৰত সম্প্ৰতি দুবছৰৰ বাবে নিৰাপত্তা পৰিষদৰ অস্থায়ী সদস্য হৈ আছে। অহা ডিচেম্বৰত এই কাৰ্যকালৰ অন্ত পৰিব।

## ই ডিৰ ক্ষমতা বৃদ্ধিৰ বিৰুদ্ধে আবেদনৰ শুনানি গ্ৰহণত আপত্তি নাই উচ্চতম ন্যায়ালয়ৰ




**নিউজ ব্যুৰ', নতুন দিল্লী, ২৫ আগষ্ট ঃ** কেন্দ্ৰীয় তদন্তকাৰী সংস্থা প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)ৰ বিশেষ ক্ষমতাৰ সন্দৰ্ভত দিয়া ৰায়ৰ পুনৰ বিবেচনাৰ আবেদনৰ শুনানি গ্ৰহণত আপত্তি নাই উচ্চতম ন্যায়ালয়ৰ। আজি এই বিষয়ত সৰ্বোচ্চ ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰৰ মতামত বিচাৰি জাননী জাৰি কৰিলে। কেন্দ্ৰৰ নতুন আইনলৈ সন্মতি প্ৰদান কৰি গ্ৰেপ্তাৰী, তালাচী, চমন জাৰি কৰা, নগদ-সম্পত্তি জব্দ কৰাৰ দৰে ই ডিৰ যাৱতীয় ক্ষমতা আপাতত বাহাল ৰখাৰ নিৰ্দেশ দিলে উচ্চতম ন্যায়ালয়ে। অৱশ্যে অভিযুক্তক গ্ৰেপ্তাৰৰ কাৰণ অৱগত কৰিব লাগিব বুলি যোৱা ২৭ জুলাইত উচ্চতম ন্যায়ালয়ে দিয়া নিৰ্দেশো আজি বাহাল ৰাখিলে মুখ্য ন্যায়াধীশ এন ভি ৰমানাৰ বিচাৰপীঠে। ই ডিৰ ক্ষমতা বিৰোধীৰ বিৰুদ্ধে সৰ্বোচ্চ ন্যায়ালয়ত আঢ়ৈশৰো অধিক আবেদন দাখিল কৰা হৈছিল আৰু এই বিষয়ত আজি ৰায় পুনৰ বিবেচনাৰ শুনানিত আপত্তি নাই বুলি ঘোষণা কৰিলে উচ্চতম ন্যায়ালয়ে।

## দক্ষিণ আফ্ৰিকাত মূল্যবৃদ্ধি, নিবনুৱা, বিদ্যুৎ কৰ্তনত অতিষ্ঠ জনতাৰ ৰাজপথত বিক্ষোভ



**নিউজ ব্যুৰ', জোহান্সবাৰ্গ, ২৫ আগষ্ট ঃ** অত্যাৱশ্যকীয় সামগ্ৰীৰ ব্যাপক মূল্যবৃদ্ধি, নিবনুৱাৰ সংখ্যা বৃদ্ধি আৰু সঘন বিদ্যুৎ কৰ্তনৰ সমস্যাত জৰ্জৰিত দক্ষিণ আফ্ৰিকাৰ জনতাৰ অৱশেষত ৰাজপথত প্ৰতিবাদ সাব্যস্ত কৰিলে। এই প্ৰতিবাদত অংশ ল'লে সহস্ৰাধিক লোকে। ইতিমধ্যে সামাজিক মাধ্যমত দক্ষিণ আফ্ৰিকাত আৰম্ভ হোৱা এই গণ আন্দোলনৰ ভিডিঅ' ভাইৰেল হৈছে। প্ৰকাশিত বাতৰি অনুসৰি দক্ষিণ আফ্ৰিকাত সম্প্ৰতি নিবনুৱাৰ সংখ্যা ৩৪ শতাংশ হৈছে। এটা সময়তে দেশখনত পেট্ৰ'ল, ডিজেলৰ পৰা আৰম্ভ কৰি সকলো খাদ্য সামগ্ৰীৰ মূল্য সৰ্বাধিক হৈছে। ইফালে, বিদ্যুৎ সংকটে দেখা দিয়া দেশখনত সঘনে বিদ্যুৎ সৰবৰাহ বন্ধ হোৱাত দেশবাসী ক্ষুব্ধ হৈ ৰাজপথলৈ ওলাই আহিবলৈ বাধ্য হৈছে। প্ৰতিবাদকাৰীয়ে চৰকাৰক এইসমূহ বিষয়ত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাৰ দাবী জনাইছে।

## ৩৬ বছৰীয়া এইজন ব্যক্তি একেলগে আক্ৰান্ত হ'ল কৰ'না, মংকীপক্স-এইচ আই ভিত

**নিউজ ব্যুৰ'**
**কটেনিয়া, ২৫ আগষ্ট ঃ** ইটালীৰ কটেনিয়া নিবাসী এজন ৩৬ বছৰীয়া ব্যক্তি একে সময়তে কৰ'না, মংকীপক্স আৰু এইচ আই ভিত সংক্ৰমিত হ'ল। কটেনিয়া ইউনিভাৰছিটিৰ বিজ্ঞানী মতে একেলগে কৰ'না, মংকীপক্স আৰু এইচ আই ভিত আক্ৰান্ত হোৱা এইটোৱে বিশ্বৰ প্ৰথম ঘটনা। চলিত বৰ্ষৰ আৰম্ভণিতে স্পেইনলৈ যোৱাৰ



পাছতে উক্ত ব্যক্তিজন এই তিনিটা ৰোগত সংক্ৰমিত হৈছিল। সমকামী উক্ত ব্যক্তিজনে একাধিক পুৰুষ সংগীৰ স'তে অসুৰক্ষিত যৌন সম্পৰ্কত লিপ্ত হৈছিল। চিকিৎসকে প্ৰথমে যোৱা দুই জুলাইত উক্ত ব্যক্তিৰ শৰীৰত কৰ'নাৰ সংক্ৰমণ ধৰা পেলাইছিল। পাঁচ জুলাইত চিকিৎসকে তেওঁৰ শৰীৰত মংকীপক্সৰ সংক্ৰমণ চিনাক্ত কৰিছিল। ইয়াৰ পাছত চিকিৎসকে উক্ত ব্যক্তিৰ এইচ আই ভিৰ পৰীক্ষণ কৰাত উক্ত মাৰাত্মক বীজাণুৰ উপস্থিতিও ধৰা পৰে। সম্প্ৰতি তেওঁ এইচ আই ভিৰ চিকিৎসা গ্ৰহণ কৰি আছে।

## ইউৰোপত ৫০০ বছৰৰ পাছত ভয়াৱহ জলসংকট, চীনত শুকাল নদী

**নিউজ ব্যুৰ', বেইজিং, ২৫ আগষ্ট ঃ** সমগ্ৰ বিশ্বতে গোলকীয় উষ্ণতা বৃদ্ধিৰ ফলত জলবায়ুৰ ব্যাপক পৰিৱৰ্তন প্ৰত্যক্ষ হ'বলৈ ধৰিছে। ইয়াৰ প্ৰভাৱ ইউৰোপতো স্পষ্ট হ'ল। ইউৰোপত ৫০০ বছৰৰ পাছত সবাতোকৈ ভয়াৱহ খৰাংৰস্থাই দেখা দিছে। সম্প্ৰতি ইউৰোপৰ এক বৃহৎ অঞ্চল তীব্ৰ জলসংকটৰ তীব্ৰ সন্মুখীন হৈছে। গ্ল'বেল ড্ৰ'ট অবজাৰভেটৰিৰ শেহতীয়া প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি ইউৰোপৰ ৪৭ শতাংশ অঞ্চল সম্প্ৰতি খৰাং হৈছে। পানীৰ অভাৱত এনেবোৰ অঞ্চলৰ ভূমি শুষ্ক হৈছে। আনহাতে,




ইউৰোপৰ ১৭ শতাংশ অঞ্চলত খৰাংৰস্থাই গছ-গছনিৰ অস্তিত্বৰ ভাবুকি সৃষ্টি কৰিছে। একেখন প্ৰতিবেদনত উল্লেখ কৰা মতে, পশ্চিম অঞ্চল নৱেম্বৰৰ শেহলৈকে উত্তপ্ত হৈ থকাৰ সম্ভাৱনা আছে। ইফালে, খৰাংৰস্থা আৰু উত্তাপ বৃদ্ধিয়ে চীনতো ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিছে। প্ৰতিবেদনত উল্লেখ কৰা মতে, অত্যধিক উত্তাপ আৰু বৰষুণৰ অভাৱত চীনৰ একাধিক নদীৰ পানী শুকালে। ১৪৪ বছৰৰ পাছত চীনত এনে ভয়াৱহ খৰাংৰস্থাই দেখা দিছে। চীনৰ সবাতোকৈ বৃহৎ নদী য়াংগতজিসহ ৬৬ খন নদী সম্প্ৰতি শুষ্কভূমিত পৰিণত হৈছে।



## এই গাঁৱৰ জনসংখ্যাৰ ৩৩ শতাংশই হৈছে ইউটিউবাৰ, প্ৰতি পৰিয়ালৰে উপাৰ্জন লক্ষাধিক টকা

**নিউজ ব্যুৰ', ৰাইপুৰ, ২৫ আগষ্ট ঃ** চত্তিছগড়ৰ ৰাজধানী ৰাইপুৰৰ পৰা ৪৫ কিলোমিটাৰ দূৰত অৱস্থিত এখন গাঁও সম্প্ৰতি সামাজিক মাধ্যমত বিশেষভাৱে চৰ্চিত হৈছে। গাঁওখন এইদৰে সৰ্বত্ৰ চৰ্চিত হোৱাৰ কাৰণটো হৈছে এই গাঁৱৰ এক বৃহৎ সংখ্যক লোকৰ জীৱিকাৰ মাধ্যম হৈছে ইউটিউব। তুলসী নামৰ গাঁওখনত প্ৰায় তিনি হেজাৰ লোকে বাস কৰে। গাঁওখনৰ এই জনসংখ্যাৰ এহেজাৰৰ অধিক লোক হৈছে ইউটিউবাৰ। অৰ্থাৎ এইসকল লোকে ইউটিউবত ভিডিঅ' প্ৰস্তুত কৰি আহিছে। মুঠ জনসংখ্যাৰ ৩৩ শতাংশই সম্প্ৰতি ইউটিউবাৰ আৰু তুলসীগাঁৱৰ প্ৰতিটো পৰিয়ালৰ উপাৰ্জন মাহে লক্ষাধিক টকা হৈছে। কেৱল ইউটিউবত নানা ধৰণৰ ভিডিঅ' প্ৰস্তুত কৰি এইসকল লোকে ইউটিউবাৰ হিচাপে ধন উপাৰ্জন কৰি আহিছে। শিশুৰ পৰা বৃদ্ধলৈকে গাঁওখনৰ বহু পৰিয়ালৰ লোকে ইউটিউবাৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। অৱশ্যে তুলসীগাঁৱৰ সৰহ সংখ্যক বাসিন্দাই ইউটিউবত হাস্য-ব্যংগ ভিডিঅ' প্ৰস্তুত কৰি আহিছে। এই কাৰণতে গাঁওখন 'লাফটাৰ চেম্পিয়ন'ৰ গাঁও হিচাপেও পৰিচিত হৈছে।

## পুনৰ বিশ্ব স্বাস্থ্য সংস্থাৰ সকীয়নি, বিশ্ব আজিও ক'ভিডমুক্ত হোৱা নাই



**নিউজ ব্যুৰ', জেনেভা, ২৫ আগষ্ট ঃ** বিগত আঢ়ৈ বছৰৰো অধিক দিন ধৰি কৰ'না মহামাৰীয়ে বিশ্বক ত্ৰাসিত কৰি ৰাখিছে। এই বিশ্ব আজিও ক'ভিডমুক্ত হ'ব পৰা নাই। এই মুহূৰ্ততো বিশ্বৰ বিভিন্ন দেশত কৰ'নাৰ অ'মিক্ৰন আৰু ইয়াৰ কে'বাটাও উপপ্ৰজাতিয়ে ব্যাপক সংক্ৰমণ অব্যাহত ৰাখিছে। বিভিন্ন গৱেষণামূলক অধ্যয়নত লাভ কৰা তথ্য অনুসৰি অ'মিক্ৰন তুলনামূলকভাৱে কম প্ৰাণঘাতক যদিও ক'ভিডৰ এই প্ৰজাতি অত্যধিক দ্ৰুত গতিৰে সংক্ৰমিত হ'ব পাৰে। অহা ডিচেম্বৰত বিশ্বত ক'ভিড সংক্ৰমণৰ তিনি বছৰ সম্পূৰ্ণ হ'ব। এই সন্দৰ্ভত পুনৰ বিশ্ববাসীক সকীয়ালে বিশ্ব স্বাস্থ্য সংস্থা (হু)ই। হুৰ ক'ভিড মুৰব্বী মাৰিয়া বান কেৰখভে কয় যে বিশ্বলৈ ক'ভিড ভাইৰাছৰ আগমনৰ তিনি বছৰ সম্পূৰ্ণ হ'বৰ হ'ল যদিও এই ভাইৰাছে বিদায় লোৱাৰ সম্ভাৱনা এতিয়াও প্ৰত্যক্ষ হোৱা নাই। শীঘ্ৰে কৰ'নাই বিদায় লোৱাৰ সম্ভাৱনা নাই বুলি জানিবলৈ দি মাৰিয়াই কয় যে আগন্তুক দিনতো বিশ্ববাসীয়ে ক'ভিড প্ৰতিৰোধৰ বাবে প্ৰয়োজনীয় নিয়ম-নীতি মানি চলিব লাগিব। আগন্তুক সময়ত নতুন প্ৰজাতিৰ ভাইৰাছৰ সংক্ৰমণে অধিক প্ৰত্যাহ্বান সৃষ্টি কৰিব পাৰে বুলিও মাৰিয়াই সকীয়াই দিয়ে। কৰ'না ভাইৰাছৰ স্বৰূপ আৰু প্ৰকৃতি পুনৰ সলনি হ'ব পাৰে বুলি জানিবলৈ দি হুৰ কৰ'না বিশেষজ্ঞগৰাকীয়ে কয় যে বিশ্ববাসীয়ে এই ভাইৰাছৰ সংক্ৰমণ অব্যাহত ৰখাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰয়োজনীয় সতৰ্কতা অৱলম্বন অব্যাহত ৰাখিব লাগিব।

## ঝাৰখণ্ডৰ বিধায়ক পদ বাতিল হ'লে হেমন্তৰ স্থানত মুখ্যমন্ত্ৰী হ'ব পাৰে পত্নী



**নিউজ ব্যুৰ', ৰাঁচী, ২৫ আগষ্ট ঃ** অবৈধ খনন আৰু খনি আবণ্টনৰ গোচৰত নিৰ্বাচন আয়োগে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত ছোৰেনৰ বিৰুদ্ধে এক প্ৰতিবেদন ৰাজ্যপাল ৰমেশ ব্যাসলৈ প্ৰেৰণ কৰিলে। এই প্ৰতিবেদনত আয়োগে হেমন্তৰ বিধায়ক পদ বাতিল কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে। অৱশ্যে এই বিষয়ত চূড়ান্ত সিদ্ধান্ত ৰাজ্যপালে গ্ৰহণ কৰিব বুলি প্ৰতিবেদনত আয়োগে উল্লেখ কৰিছে। হেমন্ত যদিহে মুখ্যমন্ত্ৰী পদৰ পৰা অপসাৰিত হয়, তেন্তে ঝাৰখণ্ডৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী কোন হ'ব? ঝাৰখণ্ডৰ সংবাদ মাধ্যমত চৰ্চিত বাতৰি অনুসৰি, হেমন্তৰ বিধায়ক পদ বাতিল হ'লে তেওঁৰ পত্নী কল্পনা ছোৰেন ৰাজ্যখনৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী নিযুক্ত হোৱাৰ সম্ভাৱনা আছে। বৰ্তমানলৈকে কল্পনা সক্ৰিয় ৰাজনীতিৰ পৰা দূৰত আছে। কিন্তু শেহতীয়াভাৱে হেমন্ত পত্নীয়ে বিভিন্ন সামাজিক অনুষ্ঠান আৰু পাৰিবাৰিক অনুষ্ঠানত অংশ লৈ বিশেষ সক্ৰিয়তা প্ৰদৰ্শন কৰিছে। বিশেষকৈ মহিলা আৰু শিশুৰ স'তে জড়িত বিভিন্ন অনুষ্ঠানত কল্পনাই অংশ লৈছে। সক্ৰিয় ৰাজনীতিত প্ৰৱেশ কৰাৰ লক্ষ্যৰে হেমন্ত পত্নীয়ে এইদৰে নিজক সাজু কৰা বুলি একাংশই দাবী কৰিছে। হেমন্তৰ বিধায়ক পদ নিৰ্বাচন আয়োগৰ পৰামৰ্শত ৰাজ্যপালে বাতিল কৰিলে কল্পনা ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী নিযুক্ত হোৱাৰ সম্ভাৱনা আছে। এইদৰে মুখ্যমন্ত্ৰী হোৱাৰ পাছত স্বামীৰ সমষ্টিৰ পৰাই নিৰ্বাচনত কল্পনাই প্ৰতিদ্বন্দ্বিতা কৰিব বুলি ধাৰণা কৰা হৈছে।

## আশংকা সত্য হ'ল ঃ স্বাধীনতা দিৱসৰ দিনাই ইউক্ৰেইনত ৰুছ আক্ৰমণত নিহত কমেও ২৫ জন

**নিউজ ব্যুৰ'**
**কীভ, ২৫ আগষ্ট ঃ** আশংকা সত্য প্ৰমাণিত হ'ল। স্বাধীনতা দিৱসৰ দিনাই ৰুছ ৰকেটৰ আক্ৰমণত পুনৰ ৰক্তাক্ত হ'ল ইউক্ৰেইন। বুধবাৰে দেশখনৰ পূব প্ৰান্তত এটা ৰেল ষ্টেচনত ৰাছিয়াই ৰকেটৰে চলোৱা আক্ৰমণত প্ৰাণ হেৰুৱালে কমেও ২৫ জন লোকে। এই ঘটনাত কমেও ৫০ জন লোক আহত হৈছে। ইউক্ৰেইনৰ অভিযোগ অনুসৰি, দেশখনৰ স্বাধীনতা দিৱসৰ দিনাই পূৰ্বে শংকা কৰা অনুসৰি এই ভয়াৱহ আক্ৰমণ সংঘটিত কৰিলে ভ্লাডিমীৰ পুটিনৰ দেশখনে।



ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেনস্কি আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে কেইদিনমান আগত শংকা প্ৰকাশ কৰি কৈছিল যে ইউক্ৰেইনৰ স্বাধীনতা দিৱসৰ দিনা ৰাছিয়াই দেশখনত পুনৰ ভয়াৱহ আক্ৰমণ সংঘটিত কৰা শংকা আছে। এই শংকা বুধবাৰে সত্য প্ৰমাণিত কৰিলে পুটিন বাহিনীয়ে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেন'স্কিয়ে জনোৱা অনুসৰি পূব ইউক্ৰেইনৰ ছাপলিন চহৰৰ ৰেল ষ্টেচনত থকা এখন যাত্ৰীবাহী ৰেলত ৰাছিয়াই নিক্ষেপ কৰা ৰকেটে আঘাত হনাত কমেও ২৫ জন লোকৰ মৃত্যু হৈছিল। ঘটনাৰ পাছতে উদ্ধাৰকাৰী দলে অভিযান আৰম্ভ কৰিছিল। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিয়ে দাবী কৰা অনুসৰি, মৃতকৰ সংখ্যা অধিক বৃদ্ধিৰ শংকা আছে। ক্ষেপণাস্ত্ৰৰ উক্ত আক্ৰমণত ৰেলৰ ওচৰতে থকা এখন গাড়ীত অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটাত গাড়ীখনত থকা পাঁচজন লোকৰো মৃত্যু হৈছিল। জেলেন'স্কিৰ এই অভিযোগৰ সন্দৰ্ভত বৰ্তমানলৈকে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই মস্কোৱে। অতীততো ইউক্ৰেইনৰ অসামৰিক অঞ্চলত আক্ৰমণৰ অভিযোগ একাধিকবাৰ মস্কোৱে প্ৰত্যাখ্যান কৰিছিল। যোৱা এপ্ৰিলতো ইউক্ৰেইনৰ আন এটা ৰেল ষ্টেচনত ৰুছ সেনাই নিক্ষেপ কৰা ক্ষেপণাস্ত্ৰৰ আক্ৰমণত ৫০ যাত্ৰীৰ মৃত্যু হৈছিল। সেইবাৰো ৰাছিয়াই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰা নাছিল। বুধবাৰে যুদ্ধবিধ্বস্ত ইউক্ৰেইনে ৩১ সংখ্যক স্বাধীনতা দিৱস পালন কৰিছিল।



## ক্ৰিমিয়া পুনৰ উদ্ধাৰৰ শপত লৈ জেলেন'স্কিয়ে ক'লে, 'ক্ৰিমিয়াৰে আৰম্ভ হৈছিল আৰু এতিয়া হ'ব সমাপ্তি'

**নিউজ ব্যুৰ', কীভ, ২৫ আগষ্ট ঃ** দেশত ৩১ সংখ্যক স্বাধীনতা দিৱসৰ দিনাই পৰিচিত পোছাকত অধিক আত্মবিশ্বাসী ৰূপত ধৰা দিলে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেন'স্কিয়ে। ২৪ আগষ্টৰ দিনা দেশৰ ৩১ সংখ্যক স্বাধীনতা দিৱসত ক্ৰিমিয়া পুনৰ দখলৰ হুংকাৰ দিলে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিয়ে। উল্লেখ্য যে কালি ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধৰ ছমাহ সম্পূৰ্ণ হ'ল। অধিক সতৰ্কতাৰে কালি আয়োজন কৰা স্বাধীনতা দিৱসৰ অনুষ্ঠানত অৱশ্যে জন সমাগমৰ অনুমতি দিয়া হোৱা নাছিল। কেৱল চৰকাৰী আৰু সামৰিক অনুষ্ঠানহে আয়োজিত হৈছিল। ইফালে, কীভত স্বাধীনতা স্কোৱেৰৰ পৰা ৰাষ্ট্ৰৰ উদ্দেশি দিয়া ভাষণত জেলেন'স্কিয়ে কয়, '২৪ ফেব্ৰুৱাৰীত (যুদ্ধৰ আৰম্ভণিৰ দিনা) আমাক কোৱা হৈছিল যে কোনো সুযোগ বাকী নাই। আজি ২৪ আগষ্টত আমি স্বাধীনতা দিৱসৰ শুভেচ্ছা জনালো। এই ছমাহত আমি ইতিহাস সলনি কৰিলো। বিশ্বক সলনি কৰিলো। সৰ্বোপৰি আমি নিজেও সলনি হ'লো। এই যুদ্ধৰ সমাপ্তিৰ অৰ্থ কি? আগতে কৈছিলো শান্তি, এতিয়া কওঁ—জয়লাভ।' ভাষণ প্ৰসংগত ৰাছিয়া অধিকৃত ডনবাছ আৰু ক্ৰিমিয়া পুনৰ উদ্ধাৰৰ হুংকাৰ দি জেলেন'স্কিয়ে পুনৰ কয়, 'একমাত্ৰ যুদ্ধত জয়লাভৰ পাছতহে আমি হাতৰ মুঠি শিথিল কৰিম। কিয়নো আমি দেশবাসী আৰু মাতৃভূমিক ভাল পাওঁ। তেওঁলোকক লৈ ব্যৱসায় নকৰো। ক্ৰিমিয়া আক্ৰমণৰে যুদ্ধৰ আৰম্ভণি হৈছিল আৰু আমি পুনৰ ক্ৰিমিয়া দখলৰে এই যুদ্ধৰ সমাপ্তি ঘটাম।'



## ভূপেন্দ্ৰ চৌধাৰীক উত্তৰ প্ৰদেশৰ বিজেপিৰ সভাপতি নিযুক্ত

**নিউজ ব্যুৰ'**
**লক্ষ্ণৌ, ২৫ আগষ্ট ঃ** উত্তৰ প্ৰদেশৰ বিজেপিৰ ৰাজ্যিক সভাপতিৰ পদত নিযুক্তি লাভ কৰিলে ভূপেন্দ্ৰ চৌধাৰীয়ে। যোগী আদিত্যনাথৰ মন্ত্ৰীসভাত মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা চৌধাৰীক আজি বিজেপিয়ে উত্তৰ প্ৰদেশৰ সভাপতিৰ দায়িত্ব অৰ্পণ কৰিলে। চৌধাৰীয়ে স্বতন্ত্ৰ দেৱ সিঙৰ স্থানত বিজেপিৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিব। ২০২৪ৰ লোকসভাৰ নিৰ্বাচনৰ পূৰ্বে বিজেপিয়ে উত্তৰ প্ৰদেশৰ দলীয় সভাপতি সলনি কৰা ঘটনাই তাৎপৰ্য বহন কৰিছে। উল্লেখ্য যে নতুনকৈ দলৰ সভাপতিৰ দায়িত্ব লাভ কৰা চৌধাৰী জাট সম্প্ৰদায়ৰ এজন প্ৰভাৱশালী নেতা হিচাপে উত্তৰ প্ৰদেশত পৰিচিত।

# বিশ্বনাথত গণিত অলিম্পিয়াড পৰীক্ষা সন্দৰ্ভত বিশ্বনাথত প্ৰেছ বাৰ্তা জিলা সম্পাদকৰ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৫ আগষ্ট ঃ** সমগ্ৰ অসমৰ ৪৭টা কেন্দ্ৰৰ লগতে ২১ আগষ্টত বিশ্বনাথ জিলাৰ বিশ্বনাথ আদৰ্শ বিদ্যাপীঠত গণিত অলিম্পিয়াড পৰীক্ষা অনুষ্ঠিত হৈ যায়। ১৯৮৬ত অসমৰ গণিতৰ পুৰোধা ব্যক্তি তথা গণিত বিষয়ক লিখক বুদ্ধ প্ৰসাদ চেতিয়া, তাৰকেশ্বৰ চৌধুৰী আদি কৰি বহুজনৰ প্ৰচেষ্টাত গঢ় লোৱা অসম গণিত শিক্ষায়তনে ১৯৮৭ৰ পৰাই গণিত অলিম্পিয়াড অনুষ্ঠিত কৰি আহিছে। এইবেলি সৰ্বাধিক ৬৫০০ শিক্ষাৰ্থীয়ে গণিত অলিম্পিয়াড পৰীক্ষাত অৱতীৰ্ণ হৈছে বুলি শিক্ষায়নতৰ বিশ্বনাথ জিলাৰ সভাপতি তথা জিলা সমন্বয়ক ড° অৰুণ চলিহাই জনাইছে। এইবাৰৰ দৰেই আগলৈও ছাত্ৰ-ছাত্ৰীসকলে গণিত অলিম্পিয়াডত অংশগ্ৰহণ কৰে তাৰ বাবে সংশ্লিষ্ট সকলোকে আন্তৰিকতাৰে আগবাঢ়ি আহিবলৈ শিক্ষায়তনৰ তৰফৰ পৰা আহ্বান জনাইছে। পৰীক্ষাটো সুকলমে অনুষ্ঠিত হৈ যোৱা বাবে শিক্ষাৰ্থী, বিভিন্ন শাখা সমন্বয়ক আৰু পৰীক্ষাত জড়িত সকলোকে শিক্ষায়তনৰ সাধাৰণ সম্পাদক ড° আশীষ পালে আন্তৰিক ধন্যবাদ জনাইছে। পৰীক্ষাৰ ফলাফল আৰু শিক্ষায়তনৰ বিভিন্ন কাৰ্য বিৰৰণীৰ বাবে http//www. aamonline.org.in.ৱেবছাইট চাব পাৰিব বুলি বিশ্বনাথ জিলাৰ সম্পাদক প্ৰাঞ্জল বৰদলৈয়ে কালি বিশ্বনাথ নগৰত এক প্ৰেছ বাৰ্তা যোগে জানিবলৈ দিছে।

# চাৰি বছৰে আধৰুৱাকৈ পেলাই থলে বৰকুৰিহাৰ পথৰ মেৰামতি

## ■ মুখ্যমন্ত্ৰীৰ মন্তব্যকো ঠিকাদাৰে আওকাণ কৰাৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৫ আগষ্ট ঃ** ৰাজ্যৰ লোকনিৰ্মাণ বিভাগৰ এটি অতি প্ৰাচীন পথ মৰোৱা-কমলপুৰ পথ। নলবাৰী জিলাৰ বৰভাগৰ অন্তৰ্গত হাজো- নলবাৰী-গুৱাহাটী পথ সংলগ্ন মৰোৱা বজাৰ চ'কৰ পৰা দামালঘাটৰ দলঙৈলৈ থকা ১৩০০ মিটাৰ পথছোৱা বিগত চাৰি বছৰে ঠিকাদাৰে কাম নকৰি পেলাই থোৱাত পথচাৰী তথা বৰভাগ-বাঁহজানীৰ দৈনন্দিন অহা-যোৱা কৰা লোকসকলৰ বাবে নৰক যন্ত্ৰণাসদৃশ হৈ পৰিছে। পথটোৰ নিৰ্মীয়মান কামৰ নমুনাক লৈও স্থানীয় লোকে আপত্তি কৰি



অহাত অৱশেষত বিগত মাৰ্চৰ বিধানসভা অধিবেশনত বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনে প্ৰশ্ন উত্থাপন কৰিছিল। ইয়াৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে জনাইছিল যে এপ্ৰিল-মে'ৰ ভিতৰত হাজো-নলবাৰী-গুৱাহাটী পথৰ কাম সম্পূৰ্ণ কৰা হ'ব লগতে মৰোৱা-কমলপুৰ পথৰ বাকী থকা বৰকুৰিহাৰ ১৩০০ মিটাৰ অংশ আগষ্টত সম্পূৰ্ণ কৰা হ'ব। হাজো-নলবাৰী-গুৱাহাটী পথৰ কাম মুখ্যমন্ত্ৰীয়ে কোৱামতে হ'ল যদিও মৰোৱা-কমলপুৰ পথৰ কাম আজিলৈকে অসম্পূৰ্ণ হৈয়ে ৰ'ল। এতিয়া ৰাইজেৰ অভিযোগ কৰিছে যে মুখ্যমন্ত্ৰীয়ে ৰাজহুৱাকৈ কোৱাৰ পাছতো বিভাগীয় ঠিকাদাৰে কোনো ধৰণৰ গুৰুত্ব দিয়া নাই এতিয়ালৈকে। নিৰ্মীয়মান অৱস্থাৰে পৰা কাম লাভ কৰা ঠিকাদাৰজনৰ মইমতালিত স্থানীয় ৰাইজ অসন্তুষ্ট। দিনটোত অৰ্ধশতাধিক ট্ৰেক্টৰে ধূলিৰে বাট নেদেখা কৰা পথটোত এতিয়া ব্লেক টেপিঙৰ ঠাইত ব্লক ইটাৰে নিৰ্মাণ কৰিব বুলি শুনিও ৰাইজ ক্ষুণ্ণ হৈ পৰিছে।

# বৰপেটাৰ চুণপোৰা ভিঠিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ মহোৎসৱৰ আয়োজন

বিশেষ সংবাদদাতা

**বৰপেটা, ২৫ আগষ্ট ঃ** অসমীয়া জাতিৰ জনক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ সত্ৰনগৰী বৰপেটাৰ চুণপোৰা ভিঠি থানত বৃহত্তৰ বৰপেটাবাসী ৰাইজৰ উদ্যোগত আৰু চুণপোৰা ভিঠি থান পৰিচালনা সমিতিৰ সহযোগত অহা আঠ, ন আৰু ১০ অক্টোবৰত অনুষ্ঠিত হ'ব। একশৰণ হৰি নাম ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই উজনি অসমৰ ধুৱাহাটা বেলগুৰিৰ পৰা ভকত সমন্বিতে ভটিয়াই আহি বৰপেটাত প্ৰৱেশ কৰোতে বৰপেটা চহৰ পালেংদিৱৰীৰ চুণপোৰাত পাঁচটা শুভচিন দেখি নাও ৰখাই ছমাহ কাল বসতি কৰিছিল। জগতগুৰু শ্ৰীমন্ত শংকৰদেৱে কমাৰকুছি আৰু পাটবাউসীলৈ যোৱাৰ আগতে প্ৰথমে পদাৰ্পণ কৰা ঐতিহ্যমণ্ডিত থানখনেই হৈছে চুণপোৰা ভিঠি থান। অথচ শংকৰদেৱ গুৰুজনাই নামনিলৈ ভটিয়াই আহি প্ৰথমে পদাৰ্পণ কৰা আৰু ছমাহকাল বসতি কৰা চুণপোৰা ভিঠি থান আজি অৱহেলিত-অনাদৃত। আনকি নৱ প্ৰজন্মৰ বহু যুৱক-যুৱতীয়ে নাজানে চুণপোৰা ভিঠি থানৰ ঐতিহ্য। সেয়েহে থানখনত প্ৰতি বছৰে গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ পাতি গুৰুজনাক স্মৰণ কৰাৰ লগতে চুণপোৰা ভিঠি থান সম্পৰ্কে নৱ প্ৰজন্মৰ যুৱক-যুৱতীসকলক পৰিচয় কৰাই দিয়া আৰু থানখনত থকা অভাৱ-অভিযোগসমূহ ৰজাঘৰৰ দৃষ্টি আকৰ্ষণ কৰি সমাধা কৰাৰ উদ্দেশ্যে বিগত বৰ্ষৰ পৰা বৃহত্তৰ বৰপেটাবাসী ৰাইজে থান পৰিচালনা সমিতিৰ সহযোগত শংকৰদেৱ গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন সমিতিখন যোৱা তিনি আগষ্টত চুণপোৰা ভিঠি থান চৌহদত অনুষ্ঠিত হোৱা এক ৰাজহুৱা সভাত গঠন কৰা হয়। সভাত বৰপেটাৰ প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাসক সভাপতি, মতিলাল পাঠক আৰু ধনজিৎ পাঠকক কাৰ্যকৰী সভাপতি, মনোৰঞ্জন দেৱ মিশ্ৰ, অজিত কুমাৰ দেৱান, ৰণিজিৎ দাস, ৰামকৃষ্ণ দাস, প্ৰদীপ দাস আৰু বুলেন দাসক উপ-সভাপতি, মহানন্দ পাঠকক মুখ্য সম্পাদক, শৈলেন্দ্ৰ দাস, সন্তোষ লাল মজুমদাৰ, ধনজিৎ দাস, সত্যেন্দ্ৰ নাথ ভড়ালীক সম্পাদক হিচাপে লৈ সাতখন উপ-সমিতিসহ প্ৰায় ডেৰশজনীয়া এখন আৱিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন সমিতি গঠন কৰা হৈছে বুলি প্ৰচাৰ উপ-সমিতিৰ সভাপতি হৰেন্দ্ৰ নাথ দাস আৰু সম্পাদক দীনেশ চন্দ্ৰ দাসে জনাইছে। উদ্‌যাপন সমিতিয়ে ৰাইজৰ সহায়-সহযোগ আৰু উপস্থিতি কামনা কৰিছে।

# ঢেকিয়াজুলিত গাঁওৰক্ষী বাহিনীৰ উদ্যোগত কৰ্মযোগী হৰি নাৰায়ণ বৰুৱাক স্মৰণ



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৫ আগষ্ট ঃ** সদৌ অসম গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠাতা-কৰ্মযোগী-জননেতা-মুক্তিযোদ্ধা-সাহিত্যিক হৰি নাৰায়ণ বৰুৱাক তেওঁৰ ৫৩ সংখ্যক স্মৃতি দিৱসত ৰাজ্যৰ লগতে শোণিতপুৰৰ ঢেকিয়াজুলি আৰক্ষী থানাৰ গাঁওৰক্ষী বাহিনীয়েও সশ্ৰদ্ধ স্মৰণ কৰে। তদুপলক্ষে পৰহি ঢেকিয়াজুলি আৰক্ষী থানা চৌহদত আয়োজিত অনুষ্টুপীয়া অনুষ্ঠানত সমাজহিতৈষী গৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাৰ্ঘ্য নিবেদি শ্ৰদ্ধা জনায়। ঢেকিয়াজুলি থানাৰ সহকাৰী আৰক্ষী বিষয়া কিশোৰ বৰুৱাই এই স্মৃতি তৰ্পণ কাৰ্যসূচীৰ মুখ্য তৰ্পক হিচাপে অংশগ্ৰহণ কৰি গাঁওৰক্ষী বাহিনীৰ পদক্ষেপৰ শলাগ লয়। গাঁওৰক্ষী বাহিনীৰ ঢেকিয়াজুলি থানা উপদেষ্টা সমিতিৰ কাৰ্যালয় সম্পাদক স্বৰাজ ৰাজবংশীয়ে আঁত ধৰাৰ লগতে এই স্মৃতি দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি কয় যে অসম মাতৃৰ সন্তানসকলৰ মাজত প্ৰয়াত হৰি নাৰায়ণ বৰুৱা অন্যতম। তেওঁ দেশৰ স্বাধীনতা সংগ্ৰামৰ এগৰাকী অগ্ৰণী সেনানী আছিল আৰু ৰাজ্যত গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত বৰুৱাৰ অৱদান তথা অনন্য কৃতিত্ব আছিল প্ৰাতঃস্মৰণীয়। তেওঁৰ প্ৰচেষ্টাতে ১৯৫৩ৰ পহিলা এপ্ৰিলৰ গাঁওৰক্ষী বাহিনীক অসম আৰক্ষী বিভাগৰ অধীনত চৰকাৰী সাহায্যপ্ৰাপ্ত সহযোগী সংগঠন হিচাপে স্বীকৃতি প্ৰদান কৰে। তিতাবৰ আৰু টীয়ক সমষ্টিৰ প্ৰাক্তন বিধায়ক বৰুৱাই ১৯৫২ পৰ্যন্ত সমগ্ৰ ৰাজ্যত ১,৬১০ খন গাঁওৰক্ষী বাহিনী গঠন কৰিছিল। ১৯৫৩ৰ অক্টোবৰত বৰুৱা অসম গাঁওৰক্ষী বাহিনীৰ মুখ্য উপদেষ্টা নিযুক্ত হৈছিল আৰু আমৃত্যু সেই পদত আছিল। ১৯৬৯ৰ ২৩ আগষ্টত সমাজপ্ৰাণ হৰি নাৰায়ণ বৰুৱাৰ মৃত্যু হয়। গাঁওৰক্ষী বাহিনী ঢেকিয়াজুলি থানা উপদেষ্টা সমিতিৰ সাহিত্য-সংস্কৃতি-প্ৰচাৰ সম্পাদক সুজিৎ কটকী, সদস্য সংকেশ্বৰ কোচ, গাঁওৰক্ষী বাহিনীৰ সম্পাদক শৈলেন্দ্ৰ মোহন পটংগীয়া, লিটন দে, হামিদুল ৰহমান, আব্দুল মতিন, গাঁওৰক্ষী বাহিনীৰ সম্পাদিকা পূৰ্ণিমা দেৱী, অলকা ভদ্ৰ আৰু ৰীণা ভৌমিক অনুষ্ঠানত উপস্থিত থাকে।

# নামতি বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শতবাৰ্ষিকী উদ্‌যাপনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**নামতি, ২৫ আগষ্ট ঃ** ১৯২১ত স্থাপিত নামতি অঞ্চলৰ অন্যতম শিক্ষানুষ্ঠান নামতি বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শতবাৰ্ষিকী অনুষ্ঠান উদ্‌যাপন কৰাৰ উদ্দেশ্যেৰে ২০ আগষ্টত বিদ্যালয়ৰ প্ৰেক্ষাগৃহত এখন ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। অৱসৰপ্ৰাপ্ত শিক্ষক বদন চন্দ্ৰ দত্তই সভাপতিত্ব কৰা এই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়খনৰ অধ্যক্ষ মিনুমা হাতীবৰুৱাই। সভাত ভাষণ প্ৰদান কৰে অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে চফিউৰ ৰহমান, মুকুল ভট্টাচাৰ্য, হলধৰ দাস, ছাত্ৰ নেতা অসীম দত্ত, ধ্ৰুৱজ্যোতি কলিতা, শিক্ষা বিষয়া প্ৰণৱ গগৈ, সমাজকৰ্মী নিত্যানন্দ কলিতা, নাথু দত্ত আৰু ভাৰত চেতিয়াই। সভাত অধ্যক্ষ মিনুমা হাতীবৰুৱাক মুখ্য আহ্বায়কৰূপে লৈ ৩৯ জন সদস্যৰে এখন আহ্বায়ক সমিতি গঠন কৰা হয়। যোৱা ২২ আগষ্টত আহ্বায়ক সমিতিৰ মুখ্য আহ্বায়ক মিনুমা হাতীবৰুৱাৰ নেতৃত্বত এক বৈঠক অনুষ্ঠিত কৰি ১১ ছেপ্টেম্বৰত এক ৰাজহুৱা সভাৰ সন্মতি সাপেক্ষে অনুষ্ঠান উদ্‌যাপন কৰাৰ অৰ্থে এখন শক্তিশালী আয়োজক সমিতি গঠনৰ সিদ্ধান্ত লোৱা হয়।

# প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি আঁচনিৰ হিতাধিকাৰীক প'ৰ্টেলত নাম অন্তৰ্ভুক্তৰ আহ্বান

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৫ আগষ্ট ঃ** প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি আঁচনিৰ হিতাধিকাৰীসকলক পি এম কিষাণ প'ৰ্টেলত নাম অন্তৰ্ভুক্তৰ আহ্বান জনাইছে গোৱালপাৰা জিলা কৃষি বিভাগে। জিলা কৃষি বিষয়াই কালি কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত উল্লেখ কৰামতে যিসকল কৃষকৰ আধাৰ নম্বৰ সংযুক্ত আৰু ই কে ৱাই চি সম্পন্ন হৈছে তেওঁলোকে অহা ৩০ আগষ্টৰ পূৰ্বে নিজৰ মাটিৰ তথ্যসমূহ পি এম কিষাণ প'ৰ্টেলত অন্তৰ্ভুক্ত কৰিব লাগিব। সেই মৰ্মে হিতাধিকাৰীয়ে শেহতীয়াকৈ উলিওৱা মাটিৰ জমাবন্দী, পি এম কিষাণ পঞ্জীয়ন নম্বৰ, আধাৰ কাৰ্ড আৰু বেংক পাছবুকৰ প্ৰতিলিপি নিজি নিজ কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়াৰ ওচৰত অহা ৩০ আগষ্টৰ পূৰ্বে জমা দিবলৈ আহ্বান জনাইছে। তদুপৰি যিসকল কৃষকৰ আধাৰ নম্বৰ ইতিমধ্যে পি এম কিষাণ প'ৰ্টেলত সংযুক্ত হৈছে সেইসকল কৃষকে ই-কে-ৱাই-চিৰ জৰিয়তে নিজৰ আধাৰ নম্বৰৰ সত্যাসত্য নিৰূপণ কৰিব লাগিব। অন্যথা তেওঁলোকৰ আধাৰ নম্বৰ পি এম কিষাণ প'ৰ্টেলত থকিলেও কিস্তিৰ ধন পোৱাৰ উপযুক্ত নহ'ব। সেয়ে তেওঁলোকে অনতিপলমে নিকটৱৰ্তী চিএছচিত গৈ ই কে ৱাই চি সম্পন্ন কৰিবলৈ আহ্বান জনাইছে। যিসকল কৃষকৰ আধাৰ নম্বৰ এতিয়াও পি এম কিষাণ প'ৰ্টেলত সংযুক্ত হোৱা নাই নাইবা আধাৰ কাৰ্ডৰ বিসংগতি হৈ আছে তেওঁলোকেও নিকটৱৰ্তী চিএছচিত গৈ অথবা সংশ্লিষ্ট কৃষি সম্প্ৰসাৰণ সহায়কৰ হাতত আধাৰ কাৰ্ডৰ ফটোকপি জমা দি সংশোধন কৰিবলৈ অনুৰোধ জনাইছে। তদুপৰি সবিশেষ জানিবলৈ গোৱালপাৰা জিলা কৃষি বিষয়াৰ কাৰ্যালয় আৰু দুধনৈৰ মহকুমা কৃষি বিষয়াৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে জিলা কৃষি বিষয়াই।

## ■ লখিমপুৰত আমছুৰ অৱস্থান ধৰ্মঘট

# মুখ্যমন্ত্ৰীলৈ সাতদফীয়া দাবীৰ স্মাৰকপত্ৰ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২৫ আগষ্ট ঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থা (আমছু) লখিমপুৰ জিলা সমিতিয়ে সন্থাৰ বিভিন্ন দাবীৰ সমৰ্থনত পৰহি জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। দিনৰ ১১ বজাৰ পৰা দুপৰীয়া দুই বজালৈ পালন কৰা ধৰ্মঘট কাৰ্যসূচীত ইউনিয়নে সাত দফীয়া দাবী উত্থাপন কৰি হাতে হাতে প্লে'কাৰ্ড লৈ 'উচ্ছেদিত লোকক পুনৰ সংস্থাপন কৰক, ভূমিহীন লোকক পট্টা দিয়ক' আদি শ্ল'গানেৰে অৱস্থানস্থলী উত্তাল কৰি তোলে। ইউনিয়নে উত্থাপন কৰা মূল দাবীসমূহ হ'ল ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক নিযুক্তি প্ৰদান কৰা, জনসংখ্যা অনুপাতে চৰকাৰী চাকৰি প্ৰদান, স্কুলসমূহত শিক্ষকক বদলিকৰণৰ আগত সেই স্থানত শিক্ষক নিযুক্তি, আকাশলংঘী মূল্যবৃদ্ধি ৰোধ, ভূমিহীন লোকক পট্টা প্ৰদান আৰু উচ্ছেদিত লোকক সংস্থাপিত, বহিঃৰাজ্যত কৰ্মৰত অসমৰ শ্ৰমিকৰ সুৰক্ষা প্ৰদান, অৰুণাচলত মৃত্যুবৰণ কৰা লোকক পাঁচ লাখকৈ সাহায্য প্ৰদান' আদি অন্যতম। অৱস্থান ধৰ্মঘটৰ অন্তত জিলা উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ সাতদফীয়া দাবী সম্বলিত এক স্মাৰকপত্ৰ প্ৰদান কৰে। আজি অৱস্থান ধৰ্মঘট কাৰ্যসূচীত অংশ লৈ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি আনাৰুল ইছলামে সদৰী কৰে যে আজি অসম শিক্ষা, সুৰক্ষা আদি বিভিন্ন সমস্যাৰে জৰ্জৰিত তেনে স্থলত ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতীসকলে তেওঁলোকৰ মৌলিক অধিকাৰৰ পৰা বঞ্চিত হ'ব লগাত পৰিছে আৰু ইয়াৰ সমাধানৰ হেতু আমাৰ এই ধৰ্মঘট কাৰ্যসূচী পালন কৰা হৈছে। অনুষ্ঠানত সহকাৰী সাধাৰণ সম্পাদক ৰাজু ৰহমান, প্ৰচাৰ সম্পাদক হাবিবুৰ ৰহমান, কাৰ্যকৰী সদস্য বডিউৰ ৰহমান, সাধাৰণ সম্পাদ্বয় জিয়াৰুল ইছলাম আৰু আব্দুল বাছিতে অংশগ্ৰহণ কৰে।

# গড়পোটত দুই শিক্ষকক বিদায় সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৫ আগষ্ট ঃ** ৰঙিয়া মহকুমাৰ কঞা ৰাজহ চক্ৰৰ অন্তৰ্গত গড়পোট বাপুজী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা কৃতিত্বৰে অৱসৰ গ্ৰহণ কৰা দুগৰাকী সহকাৰী শিক্ষক ক্ৰমে অমল চন্দ্ৰ কলিতা আৰু বসন্ত কুমাৰ পাটোৱাৰীক কালি বিদ্যালয় কৰ্তৃপক্ষই আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনায়। বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক শশীৰাণী দেৱীৰ সভাপতিত্বত অনুষ্ঠিত সভাত অৱসৰপ্ৰাপ্ত শিক্ষক দুগৰাকীক গামোচা, শৰাই, চেলেং, ধৰ্মগ্ৰন্থ আৰু মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। শিক্ষক অখিল শৰ্মাই আঁত ধৰা আৰু ছাত্ৰ একতা সভাৰ সম্পাদক নম্ৰতা ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত বিদ্যালয়খনৰ সহকাৰী শিক্ষক ভৱকান্ত ডেকা, দেৱজিৎ শৰ্মা আৰু হিৰণ শালৈয়ে অৱসৰী শিক্ষক দুগৰাকীৰ জীৱনাদৰ্শ আলোকপাত কৰাৰ লগতে শিক্ষাৰ্থীৰ ভৱিষ্যতৰ বাবে নিষ্ঠা আৰু সততাৰে সেৱা আগবঢ়াই কৃতিত্বৰে অৱসৰ গ্ৰহণ কৰা দুয়োগৰাকী শিক্ষক সমাজৰ বাবে নমস্য ব্যক্তি হিচাপে সদায় সন্মানৰ পাত্ৰ হৈ ৰ'ব বুলি কয়। আন্তঃগাঁথনিকে ধৰি পৰ্যাপ্ত শিক্ষক আদি এশ এবুৰি সমস্যাৰে ভাৰাক্ৰান্ত গড়পোট বাপুজী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক অমল চন্দ্ৰ কলিতাই ১৯৯০ৰ পৰা ২০২১লৈ আৰু আৰু বসন্ত কুমাৰ পাটোৱাৰীয়ে ২০০১ৰ পৰা ২০২১লৈ শিক্ষকতাকে ব্ৰত হিচাপে লৈ নিষ্ঠাৰে সেৱা আগবঢ়াই চৰকাৰী বিধি অনুসাৰে অৱসৰ গ্ৰহণ কৰিছে যদিও বিদ্যালয় কৰ্তৃপক্ষ আৰু স্থানীয় ৰাইজে তেওঁলোকৰ কৰ্ম দক্ষতাক কেতিয়াও পাহৰি নাযায় বুলি মন্তব্য কৰি সহকৰ্মীসকলে অৱসৰপ্ৰাপ্ত শিক্ষক দুগৰাকীৰ কৰ্মজীৱনৰ স্মৃতি ৰোমন্থন কৰে। উক্ত অনুষ্ঠানতে বিদ্যালয় ছাত্ৰ একতা সভাৰ তৰফৰ পৰা অৱসৰী শিক্ষক দুগৰাকীক সম্বৰ্ধনা জনোৱাৰ লগতে কে'বাগৰাকী শিক্ষাৰ্থীয়ে অৱসৰী শিক্ষক দুগৰাকীৰ নীতি আদৰ্শৰে আগবাঢ়ি যাব বুলি কয়।

# আমগুৰিত উচ্চতৰ মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ শিৱসাগৰ জিলাৰ দ্বি-বাৰ্ষিক অধিবেশন

অগ্ৰদূত বাৰ্তা

**আমগুৰি, ২৫ আগষ্ট ঃ** সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ ২৪ সংখ্যক শিৱসাগৰ জিলা দ্বিবাৰ্ষিক অধিবেশন অহা ২৭ আগষ্টত দিনজোৰা কাৰ্যসূচীৰে আমগুৰি বালিকা উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। কাৰ্যসূচী মতে, সেইদিনা পুৱা ন বজাত আমগুৰি আউনিআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি তথা জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অনিল গগৈ, যোৰহাট চন্দ্ৰকমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বিমল শইকীয়া আৰু আমগুৰি মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অৰুণ শইকীয়াৰ দ্বাৰা বৃক্ষৰোপণেৰে কাৰ্যসূচীৰ পাতনি মেলা হ'ব। সেইদিনাই পুৱা পতাকা উত্তোলন কৰিব সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি ধ্ৰুৱজ্যোতি সন্দিকৈ আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি, বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বিনোদ শইকীয়াই। পুৱা স্মৃতি তৰ্পণ কৰিব অভ্যৰ্থনা সমিতিৰ সভাপতি তথা আমগুৰি আউনিআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অমৰজ্যোতি বৰঠাকুৰে। প্ৰতিনিধি সভা উদ্বোধন কৰিব শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈয়ে। অধিবেশনৰ সকলো কাৰ্যসূচীতে জিলাখনৰ সকলো প্ৰাদেশিকীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিনিধিৰ উপস্থিতি সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি-সম্পাদক ক্ৰমে ধ্ৰুৱজ্যোতি সন্দিকৈ আৰু কৃপাল ভূঞা, অভ্যৰ্থনা সমিতিৰ বিনোদ শইকীয়া, কাৰ্যকৰী সভাপতি অমৰজ্যোতি বৰঠাকুৰ, অভ্যৰ্থনা সমিতিৰ সম্পাদকদ্বয় কল্যাণী কোঁৱৰ আৰু হলিৰাম গগৈয়ে কামনা কৰিছে। অহা ২৮ আগষ্টত পূৰ্ব নিৰ্ধাৰিত অধিবেশনস্থলী আমগুৰি আউনিআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ বাবে হ'বলগীয়া লিখিত পৰীক্ষা অনুষ্ঠিত কৰিবলৈ প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত অধিবেশনখন সমীপৰে আমগুৰি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়লৈ স্থানান্তৰিত কৰা হ'ল বুলি উদ্যোক্তাসকলে জনাইছে।

# সৰুপথাৰত ১৫ দিনীয়াকৈ অনুষ্ঠিত 'ভোৰতাল' কৰ্মশালাৰ সফল সামৰণি



অগ্ৰদূত বাৰ্তা

**সৰুপথাৰ, ২৫ আগষ্ট ঃ** অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনস্থ সৰুপথাৰ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত ন আগষ্ট তাৰিখৰ পৰা সৰুপথাৰ আশীৰ্বাদ ভৱন প্ৰাংগণত ১৫দিনীয়াকৈ অনুষ্ঠিত 'ভোৰতাল' কৰ্মশালাৰ বুধবাৰে সফল সামৰণি পৰে। সৰুপথাৰ দক্ষিণ খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হোৱা সামৰণি অনুষ্ঠানত ধনশিৰি মহকুমাৰ মহকুমাধিপতি দিনছেংফা বৰুৱা, ভাৰপ্ৰাপ্ত সাংস্কৃতিক উন্নয়ন বিষয়া প্ৰাঞ্জিল গগৈ, বিশিষ্ট সাংস্কৃতিক কৰ্মী ক্ষীৰেণ কাকতি, নয়নমণি ৰাজখোৱাকে ধৰি বহুকেইজন সাংস্কৃতিক কৰ্মী আৰু প্ৰশিক্ষক-প্ৰশিক্ষাৰ্থীৰ লগতে অভিভাৱকসকল উপস্থিত থাকে। গৌতম চুতীয়াৰ পৰিচালনাৰে আৰম্ভ হোৱা এই ভোৰতাল কৰ্মশালাৰ সামৰণি অনুষ্ঠানত পোন প্ৰথমে বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক নৰেন চুতীয়াই। সামৰণি অনুষ্ঠানত বৰগীত আৰু প্ৰশিক্ষণপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীয়ে ভোৰতাল নৃত্য প্ৰদৰ্শন কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। মহকুমাধিপতি দিনছেংফা বৰুৱাই সকলো প্ৰশিক্ষক-প্ৰশিক্ষাৰ্থী তথা অভিভাৱকসকলৰ সহযোগিতাক ধন্যবাদ জনায়। এই কৰ্মশালাত মুখ্য প্ৰশিক্ষক হিচাপে ডিব্ৰুগড়ৰ কৃষ্ণাশ্ৰী বুঢ়াগোহাঁই, সহযোগী প্ৰশিক্ষক হিচাপে মুনমী শইকীয়া, সৰুপথাৰ অঞ্চলৰ অজয় বৰা আৰু অযুত বৰা উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক প্ৰচুৰ গৰমকো নেওচি অশেষ কষ্ট আৰু ত্যাগেৰে সুন্দৰভাৱে প্ৰশিক্ষণ প্ৰদান কৰিছিল। এই কৰ্মশালাৰ জৰিয়তে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয় তথা সৰুপথাৰ সাংস্কৃতিক কেন্দ্ৰই ধনশিৰি মহকুমাৰ সাংস্কৃতিক দিশটো আৰু এখোজ আগুৱাই নিয়াৰ বাবে লোৱা মহান প্ৰচেষ্টা তথা পদক্ষেপক সকলো অভিভাৱক-অভিভাৱিকাসকলে শলাগ জনায়। শেষত সকলো প্ৰশিক্ষাৰ্থীক একোখনকৈ মানপত্ৰ প্ৰদান কৰি এটি সমজুৱা প্ৰাৰ্থনাৰে অনুষ্ঠানৰ সামৰণি পৰে।



*চিনামৰাত গোহাঁইপুখুৰীত আয়োজিত এক সজাগতা সভাত চেনিটাৰী নেপকিন বিতৰণ।*

# ধোদাঙক মণিকাঞ্চন সংযোগ ক্ষেত্ৰৰূপে স্বীকৃতিৰ দাবী

## ■ বহু তথ্যই প্ৰমাণ কৰে গুৰু দুজনাৰ প্ৰকৃত মিলনক্ষেত্ৰক

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৫ আগষ্ট ঃ** মাজুলী সাহিত্যৰ উদ্যোগত বৃহত্তৰ আঁহতগুৰিৰ আঁহতগুৰি আৰু দক্ষিণ আঁহতগুৰিৰ ইতিহাস প্ৰণয়ন কৰিবলৈ লোৱা পদক্ষেপৰ যোগেদি গুৰু দুজনাৰ পৱিত্ৰ মিলনভূমি ধুৱাঁহাট বেলগুৰি সত্ৰক পুনৰ স্থাপন কৰিবলৈ লোৱা প্ৰসংগত যোৱা ২১ আগষ্টত শিউলাল বাঁয়ৰালা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত মণিকাঞ্চন সংযোগ স্থানৰ দাবী সমিতিৰ এখন ৰাজহুৱা সভা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰূপেশ্বৰ নেওগৰ পৌৰোহিত্যত অনুষ্ঠিত হৈ যায়। সভাত মাজুলী সাহিত্য সভাৰ পদক্ষেপক কৃতজ্ঞতা জনোৱাৰ লগতে ধুৱাঁহাট বেলগুৰিৰ পুনঃস্থাপনৰ প্ৰস্তাৱিত স্থান সম্পৰ্কত বিশদ আলোচনাৰ শেষত স্থান সম্পৰ্কে মাজুলী সাহিত্য সভাৰ ভূমিকাক চোকা সমালোচনা কৰে। মাজুলীৰ দক্ষিণ আহঁতগুৰি মণিকাঞ্চন সংযোগ স্থান দাবী সমিতিৰ সভাপতি কমল বৰা, কাৰ্যকৰী সভাপতি শোভন বৰুৱা, সম্পাদক গুণীন ভূঞাৰ দ্বাৰা স্বাক্ষৰিত এক বিবৃতিত কোৱা হৈছে বহু আনুষংগিক তথা প্ৰামানিক সূত্ৰই প্ৰতীয়মান কৰে যে অতীতৰ ধুঁৱাহাট বেলগুৰি প্ৰকৃততে বৰ্তমানৰ ধোদাং অঞ্চল। কিয়নো অতীতৰ ধুঁৱাহাট বেলগুৰি তেতিয়াৰ মাজালিৰ বৰ্তমানৰ মাজুলীৰ কলাকটা সুঁতিৰ পাৰত অৱস্থিত আছিল । ধুঁৱাহাট বেলগুৰিৰ বেলগুৰি গাঁওখন ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়াত মাজুলীৰ পৰা ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰত বৰ্তমান ধোদাং অঞ্চলৰ নিকটৱৰ্তী দেৱগাঁও ৰাজহ চক্ৰত অৱস্থিত।

তাৰোপৰি ধুঁৱাহাট বেলগুৰি সত্ৰৰ সেই সময়ৰ নিকটৱৰ্ত্তী গাঁও লগুৱাটী, উজীৱআটি আৰু ৰৌমৰা গাঁও ১৯৭৩ত মাজুলীত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত সৰ্ব্বস্বান্ত হৈ পৰাত ধোদাং অঞ্চলত চৰকাৰীভাৱে সংস্থাপিত কৰা হৈছিল। সেই সময়ৰ মাজুলী ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ দ্বাৰা ধোদাং চাপৰি মাজুলীৰ অন্তৰ্গত অঞ্চল হিচাপে কাৰ্যালয়ৰ মানচিত্ৰৰ দ্বাৰা নিশ্চিত কৰা হৈছিল। ধোদাং অঞ্চলতেই ধুঁৱাহাটৰ নিকটৱৰ্তী সেই সময়ৰ লগুৱাটী গাঁৰৰ হৰি মন্দিৰত আজিও গুৰু দুজনাই ব্যৱহাৰ কৰা সত্ৰৰ সামগ্ৰী সংৰক্ষিত হৈ আছে। ৰৌমৰা গাঁৰৰ বেংটাই খেলক ধুঁৱাহাট বেলগুৰি সত্ৰ খহনীয়াত জাহ যোৱা সময়ত সত্ৰৰ সামগ্ৰী দি থৈ যোৱা বুলি ৰৌমৰা গাঁৰৰ বয়োজ্যেষ্ঠসকলে কোৱা শুনা যায়। মাধৱ পুৰুষে বিৱাহ কৰিবলৈ লোৱা কন্যাগৰাকীৰ গৃহ নেঘেৰিটিং অঞ্চলৰ। গুৰু দুজনাৰ সম্পৰ্কিত বুৰঞ্জীসমূহৰ পৰা ক'ব পৰা যায় যে ধুঁৱাহাট আৰু নেঘেৰিটিঙৰ মাজৰ দূৰত্ব সেই সময়ৰ বেলাটোৰ বাট বেলা কথাটো লক্ষ্য কৰিলে বৰ্তমানৰ ধোদাং অঞ্চলেই যে পূৰ্বৰ ধুঁৱাহাট বেলগুৰি সেই কথাক প্ৰতীয়মান কৰে । মাধৱ গুৰু আৰু হৰি জোঁৱাইক আহোম ৰজাই ধৰি নিয়াৰ দিন ধৰি ধুঁৱাহাট সত্ৰত যি পালনাম হৈছিল তাৰ একে প্ৰক্ৰিয়াৰে ধুঁৱাহাটৰ নিকটৱৰ্তী ৰৌমৰা গাঁৱত পাল-পাতি গোৱা নাম 'পালনাম' বহু যুগৰে পৰা চলি আহিছিল। আৰু বৰ্ত্তমানেও কাতি মাহৰ ২৯ তাৰিখত উদ্‌যাপিত হৈ আহিছে। তাৰোপৰি ধোদাং অঞ্চলত পৱিত্ৰ বেলগছ অপ্ৰতিপালিতভাৱে গজি উঠাতো এক অলৌকিক কাৰ্য। ধুঁৱাহাট বেলগুৰি সম্পৰ্কত ইমানবোৰ সমল থকাৰ পাছতো ধোদাং অঞ্চলত মণিকাঞ্চন সংযোগ ক্ষেত্ৰ হিচাপে ঘোষণা নকৰাত গভীৰ আক্ষেপ প্ৰকাশ কৰে আৰু মাজুলী সাহিত্য সভাকে ধৰি অসম সাহিত্য সভা আৰু অসম চৰকাৰক দাবী জনাব বিচাৰে যে বিজ্ঞানসন্মত পৰ্যবেক্ষণৰ যোগেদি এই অঞ্চলত মণিকাঞ্চন সংযোগ ক্ষেত্ৰ হিচাপে ঘোষণা কৰি ধুঁৱাহাট বেলগুৰি সত্ৰ ভাগক পুনঃস্থাপন কৰি অঞ্চলটোক এক পৰ্যটনস্থলীলৈ পৰিৱৰ্তন কৰিব লাগে । মণিকাঞ্চন সংযোগ স্থানৰ দাবী সমিতিৰ সভাপতি কমল বৰা, কাৰ্যকৰী সভাপতি শোভন বৰুৱা আৰু সম্পাদক গুণীন ভূঞা স্বাক্ষৰিত এক বিবৃতিৰ জৰিয়তে বিভাগীয় কৰ্তৃপক্ষসমূহক আহ্বান জনাব বিচাৰে যে অনাহক বিতৰ্কলৈ নগৈ ধোদাং অঞ্চলে পূৰ্বৰ ধুঁৱাহাট বেলগুৰি হিচাপে ঘোষণা কৰক। মাজুলী সাহিত্য সভাই স্থান হিচাপে ইয়াৰ মাজলৈ শিকলি চাপৰি অঞ্চলক টানি অনাক ন্যস্ত স্বাৰ্থৰ গভীৰ ষড়যন্ত্ৰ বুলি ক'ব বিচাৰে । মাজুলী সাহিত্য সভাৰ দ্বাৰা ২১, ২২আৰু ২৩ জানুৱাৰী ২০২৩ত উদ্‌যাপিত হ'ব লগা বৃহত্তৰ আঁহতগুৰি সন্মিলনৰ স্থান হিচাপে ধোদাং অঞ্চলক ল'বলৈ আহ্বান জনায়। বৃহত্তৰ আঁহতগুৰি অঞ্চল বুলি ক'লে কেৱল চৰ-চাপৰিৰে গঠিত বৰ্তমানৰ আঁহতগুৰি গাঁও পঞ্চায়তকেই নুবুজাই । ইয়াৰ লগত দক্ষিণ আঁহতগুৰি পঞ্চায়তো অন্তৰ্ভুক্ত। কিয়নো দক্ষিণ আঁহতগুৰি পঞ্চায়তো অতীতৰ আঁহতগুৰি মৌজাৰ অধীনৰ ৰাজহ গাঁওসমূহক লৈ গঠিত। দাবী সমিতিৰ সভাপতি-সম্পাদকে ন্যস্ত স্বাৰ্থজড়িত সকলৰ প্ৰতি আহ্বান জনাই ক'ব বিচাৰে যে বিষয়টোত অনাহকত প্ৰৱেশ কৰি বিশৃংখলাৰ সৃষ্টি নকৰে । এই ক্ষেত্ৰত অসম চৰকাৰৰ মুখ্যমন্ত্ৰী, স্থানীয় বিধায়ক মাজুলী সমষ্টি আৰু মাজুলী জিলাৰ উপায়ুক্তক বিষয়টোৰ গুৰুত্ব সহকাৰে লৈ এটা সু-সিদ্ধান্ত প্ৰদান কৰিবৰ বাবে আহ্বান জনায়। সভাত বৃহত্তৰ অঞ্চলটোৰ সন্মানীয় ব্যক্তি ক্ৰমে অৱসৰপ্ৰাপ্ত শিক্ষক শোভন বৰুৱা, উমেশ বৰুৱা, প্ৰবীণ শইকীয়া, ইন্দ্ৰেশ্বৰ বৰুৱা, জ্যোতি প্ৰসাদ বৰা, দক্ষিণ মাজুলী আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা ধৰ্মেশ্বৰ দত্ত, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সদস্য ৰিন্টু দত্ত, তিলক বৰুৱা, ৰঞ্জিত বৰুৱা, প্ৰশান্ত বৰা, চৰকাৰী গাঁওবুঢ়াদ্বয় পৱিত্ৰ বৰা আৰু মইনা খাটনিয়াৰকে ধৰি বহুলোকে স্থান সম্পৰ্কে বক্তব্য প্ৰদান কৰে।

# যোৰহাটত বিজেপি নেতা চিকন্দৰ বখতৰ জন্মজয়ন্তী উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৫ আগষ্ট ঃ** বিজেপিৰ ৰাষ্ট্ৰীয় উপ-সভাপতি, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ, প্ৰাক্তন কেন্দ্ৰীয় কেবিনেট মন্ত্ৰী পদ্মবিভূষণ চিকন্দৰ বখতৰ ১০৪ সংখ্যক জন্মজয়ন্তী উপলক্ষে কালি বিজেপিৰ যোৰহাট জিলা সংখ্যালঘু মৰ্চাই জিলা কাৰ্যালয়ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। সংখ্যালঘু মৰ্চাৰ জিলা সভাপতি পাৰভেজ মেহদিয়ে সভাপতিত্ব কৰা উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰে জিলা সভাপতি হেমন্ত কলিতা, যোৰহাট উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ প্ৰশান্ত গোস্বামী, বিজেপিৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্যা কৰবী চক্ৰৱৰ্তী, সংখ্যালঘু মৰ্চাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য নাৱাজ আহমেদৰ লগতে বিশিষ্ট লোকসকল উপস্থিত থাকে।

# কুঠৰীত শিল্পপ্ৰাণ চন্দ্ৰ ফুকনৰ স্মৃতি দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২৫ আগষ্ট ঃ** অসমৰ বিশিষ্ট শিল্পী, কবি নাট্যকাৰ শিল্পপ্ৰাণ চন্দ্ৰ ফুকনৰ স্মৃতি দিৱস কলিয়াবৰ শাখা সাহিত্য সভাৰ উদ্যোগত কলিয়াবৰ লেখিকা সমাৰোহ সমিতি আৰু কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ সহযোগত কুঠৰীত অহা ২৭ আগষ্টত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপনৰ যো-জা চলোৱা বুলি উদ্যোক্তাসকলে জনাইছে। কাৰ্যসূচী অনুযায়ী সেইদিনা পুৱা স্মৃতি তৰ্পণ অনুষ্ঠানৰ পাছতে কলিয়াবৰ শাখা সাহিত্য সভাৰ সভাপতি হেমোধৰ হাজৰিকাৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব স্থানীয় বিধায়ক তথা মন্ত্ৰী কেশৱ মহন্ত। বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব প্ৰাক্তন মন্ত্ৰী গুণীন হাজৰিকা আৰু মণিমাধৱ মহন্তই।



**গোলাঘাট জিলাৰ ৫২ জাতীয় বিদ্যালয়ৰ সমন্বয়ৰক্ষী সমিতিৰ মুখ্যমন্ত্ৰীলৈ পত্ৰ**

# মাতৃভাষা মাধ্যমৰ বিদ্যালয়ৰ ধ্বংসৰ বাট মুকলি কৰিব

বিশেষ সংবাদদাতা

**গোলাঘাট, ২৫ আগষ্ট ঃ** অসম চৰকাৰে ঘোষণা কৰা ৰাজ্যৰ মাতৃভাষা মাধ্যমৰ চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়ত তৃতীয় শ্ৰেণীৰ পৰা বিজ্ঞান আৰু গণিত বিষয় দুটা ইংৰাজী মাধ্যমত পাঠদান কৰোৱা, সম্প্ৰতি প্ৰচলিত সমাজ বিজ্ঞান বিষয়ৰ পৰিৱৰ্তে বুৰঞ্জী আৰু ভূগোল বিষয় দুটা প্ৰচলন কৰিব বিচৰা আদি চৰকাৰৰ এক হঠকাৰি সিদ্ধান্ত। অসম চৰকাৰৰ এনে সিদ্ধান্তই অদূৰ ভৱিষ্যতে অসমত মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহৰ ধ্বংসৰ বাট মুকলি কৰিব।' অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ অন্তৰ্গত গোলাঘাট জিলাৰ ৫২ খন জাতীয় বিদ্যালয়ৰ মুৰব্বীৰ স্বাক্ষৰেৰে গোলাঘাট জিলা জাতীয় বিদ্যালয়ৰ সমন্বয়ৰক্ষী সমিতিয়ে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰা এক স্মাৰকপত্ৰত এনেদৰে মুকলি অভিমত ব্যক্ত কৰে। সমন্বয়ৰক্ষী সমিতিৰ সভাপতি পল্লৱ বৰবৰা আৰু সম্পাদক সঞ্জীৱ চাৰিঙীয়াই গোলাঘাট জিলাৰ উপায়ুক্তক মুখ্যমন্ত্ৰীলৈ প্ৰেৰণৰ উদ্দেশ্যে প্ৰদান কৰা স্মাৰকপত্ৰত প্ৰকাশ কৰে যে 'মাতৃভাষা মাধ্যমৰ চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়ত তৃতীয় শ্ৰেণীৰ ইংৰাজী মাধ্যমত পাঠদান কৰাব বিচৰা সিদ্ধান্তৰ আমি মুকলি বিৰোধিতা কৰো। কিয়নো বিদ্যালয় পৰ্যায়ত মাতৃভাষা মাধ্যমত শিক্ষা গ্ৰহণ কৰাটোৱেই সম্পূৰ্ণ শুদ্ধ আৰু বিজ্ঞানসন্মত পদ্ধতি বুলি আমি সদায় বিশ্বাস কৰি আহিছো। শিক্ষাবিদ, মনীষী আৰু শিক্ষা বিভাগৰ বিভিন্ন আয়োগৰ প্ৰতিবেদনতো এই ১৩ পৃষ্ঠাত চাওক



বঙাইগাঁৱত বিভিন্ন দাবীত ৰন্ধন কৰ্মীৰ বিক্ষোভ, বৃহস্পতিবাৰে।

## 'বৃহত্তৰ অসমীয়া যুৱ মঞ্চ'ৰ পৰা চাৰি নেতাৰ পদত্যাগ

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ২৫ আগষ্ট ঃ** 'বৃহত্তৰ অসমীয়া যুৱ মঞ্চ'ৰ অন্যতম নেতা ক্ৰমে যাদৱ গগৈ, আকাশ শইকীয়া, পংকজ বৰা আৰু অশ্বিনী বেজবৰুৱাই সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ একনায়কত্ববাদৰ বাবে পদত্যাগ কৰা বুলি সংবাদ মাধ্যমত প্ৰকাশ কৰা কথাটো সম্পূৰ্ণ ভিত্তিহীন। তেওঁলোকে ব্যক্তিগত স্বাৰ্থসিদ্ধিৰ বাবে সংগঠনৰ পৰা পদত্যাগ কৰি অন্য এটা সংগঠনত যোগদান কৰিছে। এই কথা স্পষ্ট কৰি যুৱ মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি বিপুল মহন্ত, কাৰ্যকৰী সভাপতি প্ৰণৱ জ্যোতি সন্দিকৈ আৰু সচিব প্ৰধান মানস জ্যোতি বৰুৱাই এক বিবৃতিযোগে প্ৰকাশ কৰে যে

### সংগঠনৰ মৰ্যাদা লাঘৱ কৰাৰ অপচেষ্টা কৰিলে আইনী ব্যৱস্থা গ্ৰহণ কৰাৰ সকীয়নি

বৰ্তমান সময়ত বৃহত্তৰ অসমীয়া যুৱ মঞ্চ অসমৰ প্ৰেক্ষাপটত এক শক্তিশালী জাতীয় সংগঠন। এনেধৰণৰ দুৰ্বল মানসিকতা তথা স্বাৰ্থলোভী ব্যক্তি সংগঠনৰ পৰা আঁতৰি গ'লেও কোনোধৰণৰ ক্ষতি নহয়। পূৰ্বতেও ২০১৮-১৯ত এইকেইজনে যুৱ মঞ্চৰ সংবিধান উলংঘা কৰি বৃহত্তৰ অসমীয়া যুৱ মঞ্চক জনমানসত হেয় প্ৰতিপন্ন কৰাৰ লগতে নীতি বহিৰ্ভূতভাৱে সংগঠনটোক দুভাগত বিভক্ত কৰি এটা নতুন সংগঠন জন্ম দি কেতবোৰ অনৈতিক কাৰ্যকলাপ চলাইছিল। এইবোৰৰ নেতৃত্ব প্ৰদান কৰিছিল স্বাৰ্থলোভী নেতা যাদৱ গগৈয়ে। তেওঁ বিগত বছৰত কেন্দ্ৰীয় সমিতিৰ সভাপতি পদৰ কাৰণে বিভিন্ন কু- অভিসন্ধি ৰচি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। কিন্তু অসমৰ সকলো জিলাৰ প্ৰতিনিধিৰ পৰা সামান্য ভোট লাভ কৰি নিৰ্লজ্জভাৱে ১৩ পৃষ্ঠাত চাওক

**উন্মোচন কৰা হ'ব সাংস্কৃতিকা**

## টংলাত সাংস্কৃতিক মহাসভাৰ পঞ্চম পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভা

অগ্ৰদূত বাৰ্তা

**টংলা, ২৫ আগষ্ট ঃ** ওদালগুৰি জিলাৰ শৈক্ষিক, বাণিজ্যিক, সাংস্কৃতিক আৰু বৌদ্ধিক নগৰ টংলাত ২৮ আগষ্টত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব সাংস্কৃতিক মহাসভা ওদালগুৰি জিলা সমিতিৰ আতিথ্যত সাংস্কৃতিক মহাসভা অসমৰ পঞ্চম পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভা। চহৰখনৰ মাজমজিয়াত প্ৰতিষ্ঠিত নৰ্থ দৰং ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত অনুষ্ঠিত হ'বলগীয়া কাৰ্যনিৰ্বাহক ১৩ পৃষ্ঠাত চাওক

**সমগ্ৰ ঘটনা চিচি টিভি কেমেৰাত বন্দী**

## টীয়কত ব্যৱসায়িক প্ৰতিষ্ঠানত টিন কাটি চোৰে লুটিলে লক্ষাধিক টকা

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ২৫ আগষ্ট ঃ** মেলেং গায়ন গাঁৱৰ 'অজয় ষ্টোৰ' নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানখনৰ টিন কাটি চোৰে লুটি নিলে লক্ষাধিক টকাৰ সামগ্ৰী। ইপিনে, চিচি টিভিত বন্দী হৈছে চুৰি কৰা সমগ্ৰ ঘটনা। ব্যৱসায়িক প্ৰতিষ্ঠানখনৰ গৰাকীয়ে জানিবলৈ দিয়া মতে, নিশা ১২.৩০ বজাত চোৰে লুটপাট চলাই ব্যৱসায়িক প্ৰতিষ্ঠানখনত। ইতিমধ্যে ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ সমগ্ৰ চুৰিকাণ্ডৰ তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে স্থানীয় ৰাইজে আৰক্ষীয়ে নিশা কোনোধৰণৰ পেট্ৰ'লিঙৰ ব্যৱস্থা নকৰে বাবে দৈনিক এনেধৰণৰ চুৰি কাৰ্য সংঘটিত হ'বলৈ পাইছে বুলি অভিযোগ তুলিছে। ইপিনে, আগতেও এই ব্যৱসায়িক প্ৰতিষ্ঠানখনত চুৰিকাৰ্য সংঘটিত হৈছে। আৰক্ষীয়ে চোৰ কৰায়ত্ত কৰিব পৰা নাই বুলি জানিবলৈ দিয়ে ব্যৱসায়িক প্ৰতিষ্ঠানখনৰ গৰাকীয়ে।

**১৪ জন শিক্ষকে পঢ়োৱাই পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীক**

## বৰুৱাহোলা উচ্চ মাধ্যমিক বিদ্যালয়ত ছাত্ৰী-ছাত্ৰীৰ ভৱিষ্যৎ অনিশ্চিত

অগ্ৰদূতবাৰ্তা,

**চাবুৱা, ২৫ আগষ্ট ঃ** ৰাজ্য চৰকাৰে শিক্ষক নিযুক্তিৰে শিক্ষকৰ অভাৱ দূৰ কৰিবলৈ চেষ্টা কৰি অহাৰ সময়তে চাবুৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰুৱাহোলা উচ্চ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক পঢ়োৱাবলৈ পৰ্যাপ্ত সংখ্যাৰ শিক্ষক অভাৱ, শ্ৰেণীকোঠাৰ অভাৱ হৈ থকাৰ বাবে ৭২ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে আনুষ্ঠানিক শিক্ষা গ্ৰহণত অনিশ্চয়তাই দেখা দিছে। এই ক্ষেত্ৰত স্থানীয় সচেতন যুৱক লক্ষ্যজ্যোতি ৰাজখোৱাই বিদ্যালয় খনৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি চৰকাৰলৈ ব্যৱস্থা গ্ৰহণৰ অনুৰোধ জনাইছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰা ৭২ গৰাকী ছাত্ৰ-ছাত্ৰীক পৰ্যাপ্ত সংখ্যক শিক্ষক আৰু শ্ৰেণী কোঠাৰ অভাৱ প্ৰদৰ্শন কৰি নামভৰ্তি কৰিব পৰা নাই কৰ্তৃপক্ষই। অলপতে তিনিজনে অৱসৰ গ্ৰহণ কৰাৰ উপৰি আন এজন টেট শিক্ষকে স্থানান্তৰ হৈছে। ৩১ আগষ্ট তাৰিখে আকৌ এগৰাকীয়ে অৱসৰ গ্ৰহণ কৰিব। ৫৫৫ গৰাকী ছাত্ৰ-ছাত্ৰীক পাঠদান দিয়া বিদ্যালয় খনত মাত্ৰ ১৪ গৰাকী শিক্ষক আছে। এই ক্ষেত্ৰত চৰকাৰ অথবা শিক্ষা বিভাগে ব্যৱস্থা গ্ৰহণ নকৰিলে ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰিব লগা গুণগত শিক্ষাৰ পৰা বঞ্চিত হ'ব বুলি শংকা প্ৰকাশ কৰে ৰাজখোৱাই।

## পৰিবহণ বিভাগৰ অভিযান অব্যাহত

অগ্ৰদূত বাৰ্তা

**ডুমডুমা, ২৫ আগষ্ট ঃ** তিনিচুকীয়া জিলাত যানবাহন আইন কঠোৰভাৱে বলৱৎ কৰিবৰ বাবে জিলা পৰিবহণ বিভাগে জিলাখনৰ বিভিন্ন অঞ্চলত তীব্ৰ অভিযান অব্যাহত ৰাখিছে। দিনে-নিশাই পৰিবহণ বিভাগে জিলাখনৰ বিভিন্ন অঞ্চলত অভিযান চলাইছে। অতিৰিক্ত বোজা কঢ়িওৱা বাহন জব্দ কৰাৰ লগতে আইন অমান্য কৰা যান-বাহনৰ জৰিমনা বিহিছে। জিলাখনৰ বিভিন্ন অঞ্চলত যান-বাহন আইন ভংগকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বৰ বাবে পৰিবহণ বিভাগে ব্যৱস্থা গ্ৰহণ কৰিছে।

## জল জীৱন মিছনৰ নলৰ পৰা বঞ্চিত ঘগ্ৰাপাৰৰ বাঘমাৰা, কঞাকুছি, পৈচাৰা-কঞাকুছি, কটকীয়াৰ চাৰি শতাধিক পৰিয়াল

**বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত ৰাইজে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক ঘৰে ঘৰে জল যোগান ধৰাৰ বাবে আহ্বান**

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৫ আগষ্ট ঃ** প্ৰধানমন্ত্ৰী জল জীৱন মিছনৰ জৰিয়তে ঘৰ ঘৰ নল-মূল মন্ত্ৰৰে দেশৰ প্ৰতিটো পৰিয়ালত বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰি থকা হৈছে। এন অৱস্থাত নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বাঘমাৰা, কঞাকুছি আৰু পৈছাৰা-কঞাকুছি আৰু কটকীয়া গাঁৱৰ প্ৰায় চাৰি শতাধিক পৰিয়াল প্ৰধানমন্ত্ৰী জলজীৱন মিছনৰ নল সংযোগৰ পৰা বঞ্চিত হৈ থাকিব লগা হৈছে। ৰাজ্যৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নলবাৰী সংমণ্ডলৰ অন্তৰ্গত এই গাঁও চাৰিখনৰ মধ্যমত এটি পানী যোগান আঁচনি বিভাগটোৱে নিৰ্মাণ কৰিব লাগিছিল যদিও আজিকোপতি তেনে কোনো প্ৰাককলন কৰা নহ'ল। যাৰ বাবে দীৰ্ঘদিন ধৰি বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত হৈ পৰিয়ালকেইটাই এতিয়া জল জীৱন মিছনৰ পৰাও বঞ্চিত হ'ব লগা হৈছে। ঘগ্ৰাপাৰৰ মাজমজিয়াত এটি পানী যোগান আঁচনি আছে যদিও উক্ত আঁচনিৰ পৰা ৰেলপথ আৰু ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দুখন দলঙৰ বাবে সেই পৰিয়ালকেইটা পানীৰ পৰা বঞ্চিত হৈ থাকিব লগা হৈছে। একেদৰে দলুৱাত থকা পানী যোগান আঁচনিৰ পৰাও ৰাষ্ট্ৰীয় ঘাইপথৰ দলঙৰ বাবে সংযোগ দিয়া নাই। পৈছাৰা গাঁৱত থকা আঁচনিৰ পৰাও ৰেলপথৰ ১৩ পৃষ্ঠাত চাওক

## বোকাখাতত পত্নীক মৰিয়াই হত্যা

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ২৫ আগষ্ট ঃ** বোকাখাত আৰক্ষী থানাৰ অন্তৰ্গত বৰজুৰিবস্তিত আজি এজন শ্ৰমিকে পত্নীক মৰিয়াই হত্যা কৰে। পকা কাম কৰা শ্ৰমিক দেবাৰু হাচদাই পত্নী পূৰ্ণিমা হাচদাক পাৰিবাৰিক কন্দলৰ বাবে প্ৰহাৰ কৰি হত্যা কৰে। বোকাখাত আৰক্ষীয়ে মৃতদেহ মৰণোত্তৰ পৰীক্ষা কৰাৰ লগতে হত্যাকাৰী দেবাৰু হাচদাক গ্ৰেপ্তাৰ কৰে।

## টিহুৰ ৰতনপুৰত খোৱাপানী যোগান আঁচনিৰ নামত ভেঁকোভাওনা

**শীঘ্ৰে সুব্যৱস্থাৰ দাবী ৰাইজৰ**



অগ্ৰদূত বাৰ্তা

**টিহু, ২৫ আগষ্ট ঃ** জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নলবাৰী সংমণ্ডলৰ অধীনস্থ টিহুৰ ৰতনপুৰ খোৱাপানী যোগান আঁচনিৰ নিতৌ নতুন নতুন সমস্যাৰে ভেঁকোভাওনাত পৰিণত হোৱাত উপভোক্তাসকলৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জলজীৱন মিছনৰ জৰিয়তে হিতাধিকাৰীসকলৰ উদ্দেশ্যে সক্ৰিয় ঘৰুৱা পানী সংযোজনৰ বাবে ২০২১ৰ ৩১ ১৩ পৃষ্ঠাত চাওক

## যোৰহাটত ছেনিটেৰী নেপকিন বিতৰণ, সজাগতা সভা

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ২৫ আগষ্ট ঃ** যোৰহাট পূব ৰাজৰ চক্ৰৰ চেকনীধৰা গাঁৱৰ গাঁও প্ৰধান দিগন্ত বৰুৱা আৰু যুৱ সমাজকৰ্মী সমৰ বাৰিকৰ উদ্যোগত নগৰৰ পাৰ্শ্বৱৰ্তী বলিয়া গোহাঁই পুখুৰী মধ্য ইংৰাজী বিদ্যালয়ত আজি ছেনিটেৰী নেপকিন বিতৰণ, বিদ্যালয় পুথিভঁৰাললৈ গ্ৰন্থ দান আৰু স্বাস্থ্য বিষক এক সজাগতা সভা অনুষ্ঠিত হয়। গাঁও প্ৰধান বৰুৱাই আঁতধৰা আৰু বাৰিকে আদৰণি ভাষণ আগবঢ়োৱা সভাত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি ডাঃ অৰুণ কুমাৰ শইকীয়াই মাহেকীয়াৰ সময়ছোৱাত স্বাস্থ্যৰ যতন সম্পৰ্কে আলোকপাত কৰে। বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী দীপ্তি বুঢ়াগোহাঁই, শিক্ষক অনিমেষ নেওগ, বলিয়া গোহাঁই পুখুৰী প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী দিব্যতা বুঢ়াগোহাঁইৰ উপস্থিতিত বিদ্যালয় পুথিভঁৰাললৈ গ্ৰন্থদান আৰু সপ্তম আৰু অষ্টম শ্ৰেণীৰ ছাত্ৰীসকলৰ মাজত ছেনিটেৰী নেপকিন বিতৰণ কৰা হয়। সভাত বাৰিকে নেপকিনসমূহ প্ৰতিমাহে ছাত্ৰীসকললৈ আগবঢ়োৱাৰ কথা ঘোষণা কৰে। কাৰ্যসূচীত সহযোগিতা আগবঢ়ায় সামাজিক অনুষ্ঠান 'চানেকি'ৰ সমন্বয়ক ভাস্কৰ কলিতাই।

## লাওখোৱা অভয়াৰণ্যত চোৰাং মাছমৰীয়াৰ-বনকৰ্মীৰ মাজত সংঘাত

অগ্ৰদূত বাৰ্তা

**ৰূপহীহাট, ২৫ আগষ্ট ঃ** নগাঁও জিলাৰ লাওখোৱা বন্যপ্ৰাণী অভয়াৰণ্যত চোৰাং মাছমৰীয়াৰ আক্ৰমণত আহত হৈছে তিনিজন বনকৰ্মী। বনকৰ্মীৰ বন্দুক কাঢ়ি লোৱাৰ অপচেষ্টা চলাইছিল চোৰাং মাছমৰীয়াৰ দলটোৱে। লাওখোৱা অভয়াৰণ্যৰ দন্দুৱা বন শিবিৰ অঞ্চলত এই ঘটনা সংঘটিত হৈছে। কুৰবান আলী নামৰ চোৰাং মাছমৰীয়াৰ নেতৃত্বত লাওখোৱা অভয়াৰণ্যৰ দন্দুৱা অঞ্চলত মাছ মাৰিবলৈ সোমাইছিল চোৰাং মাছমৰীয়াৰ দলটোৱে। চোৰাং মাছমৰীয়াক বন বিভাগে অভয়াৰণ্যৰ ভিতৰত অবৈধভাৱে প্ৰৱেশ কৰাৰ ক্ষেত্ৰত বাধা প্ৰদান কৰাত সংঘাতৰ সৃষ্টি হয়। চোৰাং মাছমৰীয়াৰ আক্ৰমণত আহত হোৱা তিনি বনকৰ্মী ক্ৰমে গিৰিধৰ শইকীয়া, জিয়াউৰ ৰহমান আৰু চন্দন ঘোষ। চোৰাং মাছমৰীয়াৰ দলটোৰ বিৰুদ্ধে ইতিমধ্যে গৰাজান আৰক্ষী পহৰা চকীত এক এজাহাৰ দাখিল কৰিছে।

## সংবাদ মাধ্যমত বাতৰি প্ৰচাৰ হোৱাৰ পাছতে উদ্ধাৰ বৰপথাৰৰ নিৰুদ্দিষ্ট যুৱক

অগ্ৰদূত বাৰ্তা

**বৰপথাৰ, ২৫ আগষ্ট ঃ** অৱশেষত উদ্ধাৰ হ'ল চাৰিদিন ধৰি নিৰুদ্দেশ হৈ থকা বৰপথাৰৰ ৰঞ্জনজ্যোতি বৰা । উল্লেখ্য যে গোলাঘাট জিলাৰ বৰপথাৰত চাৰিদিন ধৰি নিৰুদ্দেশ হৈ আছিল এজন বিবাহিত যুৱক ৰঞ্জনজ্যোতি। স্মৰ্তব্য যে বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত যোৰহটীয়া পাভজান গাঁৱৰ নিবাসী ৰঞ্জনজ্যোতি বৰা (৩৮) নামৰ যুৱকজন ২১ আগষ্টৰ পুৱাৰে পৰা সন্ধানহীন হৈ আছিল । পৰিয়ালৰ লোকে আত্মীয়-স্বজনৰ ঘৰত বিচাৰ-খোচাৰ কৰিছে যদিও কোনো সন্ধান লাভ কৰা নাছিল যুৱকজনৰ। উপায়হীন হৈ পৰিয়ালৰ লোকে আৰক্ষীৰ কাষ চাপিছিল যদিও যুৱকজনৰ কোনো শুং-সূত্ৰ উলিয়াবলৈ সক্ষম নহ'ল আৰক্ষী। অৱশেষত সমগ্ৰ ঘটনা সন্দৰ্ভত প্ৰচাৰ মাধ্যমত বাতৰি সম্প্ৰচাৰ হোৱাৰ এদিন পাছতে গোলাঘাট জিলাৰ নুমলীগড়ত উদ্ধাৰ হয় সন্ধানহীন হৈ থকা বৰপথাৰৰ ৰঞ্জনজ্যোতি। পৰিয়ালৰ লোকে জানিবলৈ দিয়া মতে, ৰঞ্জনজ্যোতি সন্ধানহীন হৈ থকা খবৰ সংবাদ ১৩ পৃষ্ঠাত চাওক

**চাবুৱা ডি ডি আৰ মহাবিদ্যালয়ত সাংবাদিকক অপদস্থ**

## মাচুল বৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত ছাত্ৰ-ছাত্ৰীৰ

অগ্ৰদূত বাৰ্তা,

**চাবুৱা, ২৫ আগষ্ট ঃ** চাবুৱাৰ একমাত্ৰ উচ্চ শিক্ষা প্ৰতিষ্ঠান দাখাদেৰী ৰাছিৱাৰা মহাবিদ্যালয়ত মাচুল বৃদ্ধিক লৈ ছাত্ৰ-ছাত্ৰী সকলে দ্বিতীয় দিনাও প্ৰতিবাদ সাব্যস্ত কৰে। ইয়াৰ মাজতে মহাবিদ্যালয় খনৰ অধ্যক্ষ ভূপেন বৰ্মনে ছাত্ৰ-ছাত্ৰীক কৰা দুঃব্যৱহাৰক লৈয়ো প্ৰতিবাদ কৰি থকাৰ সময়তে বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা সাংবাদিকক পহৰাদাৰে অপদস্থ কৰে। স্নাতক মহলাৰ বেকলগ ছাত্ৰ-ছাত্ৰী সকলৰ বৰ্ধিত মাচুল দিয়াৰ ক্ষেত্ৰত দৰিদ্ৰ ছাত্ৰ-ছাত্ৰী সকল অসুবিধাৰ সন্মুখীন হোৱা বুলি প্ৰতিবাদ সাব্যস্ত কৰি মাচুল হ্ৰাস কৰাৰ দাবীত প্ৰতিবাদ কৰিছিল ছাত্ৰ-ছাত্ৰী সকলে। ইয়াৰ পূৰ্বে ডি ডি আৰ মহাবিদ্যালয় খনৰ অধ্যক্ষজনে এই বিষয়ে লিখিতভাৱে অভিযোগ দাখিল কৰিবলৈ যোৱা ছাত্ৰক অধ্যক্ষ জনে দুঃব্যৱহাৰ কৰাৰ কথা সাংবাদিকৰ আগত ইতিমধ্যেই প্ৰকাশ কৰিছে। তদুপৰি আজিও মহাবিদ্যালয় খনৰ চৌহদৰ ভিতৰত প্ৰতিবাদ কৰি থকা দৃশ্য সংগ্ৰহ কৰিবলৈ যোৱাত প্ৰৱেশদ্বাৰৰ পহৰাদাৰে সাংবাদিকৰ গাত হাত দি গতিয়াই উলিয়াই দিয়াৰ চেষ্টা কৰে। অধ্যক্ষ জনে ছাত্ৰ কৰা ব্যৱহাৰ আৰু পহৰাদাৰে সাংবাদিকক কৰা দুঃব্যৱহাৰত আচৰিত হৈ পৰিছে চাবুৱাৰ সাংবাদিক মহল। বিভিন্ন সময়ত ৰাজনৈতিক আৰু একনাকত্ববাদী শক্তি প্ৰদৰ্শন কৰি অহা অধ্যক্ষজনৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰী সকলে অন্যান্য অভিযোগ উত্থাপন কৰিছে। আন্তঃগাঁঠনিৰ আবণ্টিত পুঁজিৰ ব্যৱহাৰৰ ক্ষেত্ৰত অধ্যক্ষজনে স্বয়ম্ভু ঠিকাদাৰ ৰূপত অৱতীৰ্ণ হৈ মহাবিদ্যালয় খনত কাম কৰি অহা বুলি অভিযোগ উত্থাপিত হৈছে । আনহাতে, মহাবিদ্যালয় খনত অৱস্থিত পুথিভঁৰালত ছাত্ৰ-ছাত্ৰী বাবে প্ৰয়োজনীয় বহু পাঠ্যপুথিৰ অভাৱ বুলি ব্যক্ত কৰিছে ছাত্ৰ-ছাত্ৰী সকলে। ছাত্ৰৰ জিৰণি কোঠা আদি জৰাজীৰ্ণ হৈ পৰাও অভিযোগ কৰিছে ছাত্ৰ-ছাত্ৰী সকলে।

**নিশা তামাৰহাটৰ পলাশকান্দি গাঁও উত্তপ্ত**

## বিদ্যুৎ বিভাগৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ ৰাইজৰ



অগ্ৰদূত বাৰ্তা

**তামাৰহাট, ২৫ আগষ্ট ঃ** গোসাঁইগাঁও মহকুমা বিদ্যুৎ উপ-সংমণ্ডলৰ অধীনস্থ তামাৰহাটৰ পলাশকান্দি গাঁৱত নিশা উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। হাতে হাতে বিদ্যুৎ বিল লৈ বিভাগীয় বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। উৎকট গৰমত বিভাগে নিজৰ ১৩ পৃষ্ঠাত চাওক

## বঙাইগাঁৱত ৰন্ধন কৰ্মীৰ বিক্ষোভ

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২৫ আগষ্ট ঃ** আজি চিআইটিইউ (চিটু)ৰ অন্তৰ্ভুক্ত সদৌ অসম মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়নৰ আহ্বানত ৰাজ্যজোৰা বিক্ষোভ কাৰ্যসূচীৰ অংশ ৰূপে বঙাইগাঁৱতো জিলা প্ৰাথমিক শিক্ষ বিষয়া কাৰ্যালয়ৰ সন্মুখত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিদ্যালয়ৰ ৰন্ধন কাৰ্য এনজিঅ'ক দিবলৈ বিজেপি চৰকাৰে লোৱা সিদ্ধান্ত প্ৰত্যাহাৰ কৰা, বিগত সাত মাহৰ বকেয়া মাননি অতিশীঘ্ৰে আদায় দিয়া, ন্যূনতম মজুৰি, সামাজিক সুৰক্ষা আদিৰ দাবীত তিনি শতাধিক মহিলা শ্ৰমিকে বিক্ষোভ প্ৰদৰ্শন কৰাৰ লগতে জিলা শিক্ষা বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

## সদৌ অসম মুক্ত সাংবাদিক সন্থাৰ অধিবেশন


**গুৱাহাটী, ২৫ আগষ্ট ঃ** সদৌ অসম মুক্ত সাংবাদিক সন্থা, আফজাই অসমৰ বিভিন্ন জিলাত সক্ৰিয় হৈ থকা জিলা মুক্ত সাংবাদিক সন্থাসমূহৰ কাৰ্যনিৰ্বাহক সমিতিৰ পূৰ্ণাংগ লিষ্টখন ৩০ আগষ্টৰ ভিতৰত ১৩ পৃষ্ঠাত চাওক

## তিনিচুকীয়াত জল জীৱন মিছন সন্দৰ্ভত এদিনীয়া কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**ডুমডুমা, ২৫ আগষ্ট ঃ** অসম চৰকাৰৰ নিৰ্দেশনা মৰ্মে তিনিচুকীয়া জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগে তিনিচুকীয়া জিলা প্ৰশাসনৰ সহযোগত কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ ধ্বজাবাহী আঁচনি জল জীৱন মিছনৰ ওপৰত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আৰু CLF/VOসকলৰ এখনি এদিনীয়া কৰ্মশালা আজি তিনিচুকীয়া জিলা পৰিষদৰ সভাকক্ষত অনুষ্ঠিত হয়। উক্ত কৰ্মশালাখন তিনিচুকীয়া জিলাৰ অতিৰিক্ত উপায়ুক্ত চাৰফ্ৰাজ হকৰ উপস্থিতিত শুভ উদ্বোধন কৰে তিনিচুকীয়া জিলা পৰিষদৰ সভাপতি ৰাজেন্দ্ৰ কৈৰীয়ে। উক্ত কৰ্মশালাত অতিৰিক্ত উপায়ুক্ত হকে CLF/VOকৰ্মীসকলক জল জীৱন মিছন ৰূপায়ণৰ সহযোগী সন্থা হিচাপে নিস্বাৰ্থভাৱে কাম কৰি যাবলৈ অনুৰোধ কৰে।

## ছিপাঝাৰত প্ৰশাসনিক বিষয়া-সাহিত্যিক ৰুদ্ৰেশ্বৰ ডেকাৰ মৃত্যুত শোক



অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ২৫ আগষ্ট ঃ অসম** চৰকাৰৰ প্ৰশাসনিক সেৱাৰ যুটীয়া সচিব পদৰ পৰা অৱসৰ গ্ৰহণ কৰা তথা বিশিষ্ট সাহিত্যিক ৰুদ্ৰেশ্বৰ ডেকা (৭৩)ৰ যোৱা ২৪ আগষ্টত তেওঁৰ গুৱাহাটীস্থিত বাসগৃহত দিনৰ দুই বজাত মৃত্যুৰ খবৰ পোৱাৰ লগে লগে তেওঁৰ জন্মভূমি মাৰৈ গাঁৱৰ লগতে সমগ্ৰ ছিপাঝাৰ অঞ্চলতে শোকৰ ছাঁ পৰে। ছিপাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত মাৰৈ গাঁও নিবাসী তথা ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰয়াত হংসধৰ কলিতা আৰু কুন্তিবালা দেৱীৰ জ্যেষ্ঠ পুত্ৰ ডেকাই ১৯৪৯ত জন্মগ্ৰহণ কৰি মাৰৈ মজলীয়া বিদ্যালয়ত শিক্ষা জীৱন আৰম্ভ কৰি ১৯৬৭ত ছিপাঝাৰ উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ অসমৰ ভিতৰত ১৩ পৃষ্ঠাত চাওক


## অভিনেত্ৰী চেতনা দাসলৈ আগবঢ়োৱা হৈছে অভিনেতা গুণ মহন্ত বঁটা

**কাইলৈ এই বঁটা প্ৰদান কৰিব অভিনেত্ৰীগৰাকীক**

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২৫ আগষ্ট ঃ** নগাঁও জিলাৰ বৈষ্ণৱ আদৰ্শৰ অন্যতম সত্ৰীয়া অনুষ্ঠান পূৰ্ণমূৰ্তি শ্ৰীমন্ত গোপালদেৱ কলাক্ষেত্ৰৰ উদ্যোগত লখিমী মহন্ত, মিচিমি মহন্ত আৰু ৰক্তিম সুৰুয মহন্তৰ তত্বাৱধানত অসমৰ জনপ্ৰিয় অভিনেতা তথা বিশিষ্ট সমাজকৰ্মী গুণ মহন্তৰ চতুৰ্থ মৃত্যু বাৰ্ষিকীৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ২৭ আগষ্টত দিনৰ ১১ বজাত অভিনেতাগৰাকীৰ নিজা বাসভৱন নগাঁও চহৰৰ ফৌজদাৰীপট্টিত আয়োজন কৰা হৈছে। সেইদিনা নন্দশ্ৰী প্ৰাংগণত অৱস্থিত অভিনয় শিল্পীগৰাকীৰ নিজা বাসভৱনৰ সত্ৰ নামঘৰত পুৱা নাম-প্ৰসংগ, শ্ৰদ্ধাঞ্জলি, আশীৰ্বাদেৰে গুণ মহন্তৰ সাংস্কৃতিক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰম্ভৰ পাছতে বন্তি প্ৰজ্বলন, বিশিষ্ট অতিথিসকলৰ সম্বৰ্ধনা অনুষ্ঠান, বঁটা প্ৰদান, সত্ৰীয় নৃত্যৰ নৃত্যানুষ্ঠানকে আদি কৰি দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰ দিহা কৰা হৈছে। উল্লেখ্য যে এইবাৰ 'গুণ মহন্ত বঁটা' আগবঢ়োৱা হৈছে অসমৰ বোলছবি তথা চলচ্চিত্ৰ জগতৰ জনপ্ৰিয় অভিনেত্ৰী চেতনা দাসলৈ। ইতিমধ্যে এই বঁটা প্ৰথম বছৰত শিল্পী-সাংবাদিক মুকুল দাস, দ্বিতীয় বছৰত জ্যেষ্ঠ অধিবক্তা নিৰঞ্জন শৰ্মা আৰু তৃতীয়টো বৰ্ষত মাকুমস্থিত দ্বিতীয় অসম আৰক্ষীৰ অধিনায়ক তথা বিশিষ্ট কবি-সাহিত্যিক ড° নন্দ সিং বৰক'লাক প্ৰদান কৰা হৈছিল। এইবাৰ চতুৰ্থ বৰ্ষৰ ২৭ আগষ্টত উক্ত বঁটা অভিনেতা গুণ মহন্তৰ সহোদৰ ভ্ৰাতৃ ক্ষীৰদা মহন্তই জনপ্ৰিয় কৌতুক অভিনেত্ৰী চেতনা দাসক প্ৰদান কৰিব বুলি পূৰ্ণমূৰ্তি শ্ৰীমন্ত গোপালদেৱ কলাক্ষেত্ৰৰ তৰফৰ এক প্ৰেছ বিজ্ঞপ্তিযোগে জানিবলৈ দিছে। মনকৰিবলগীয়া যে গুণ মহন্তৰ দুখন পুথি 'গুণাকৰ' আৰু 'মৰমৰ গভীৰ সাগৰ'ৰ লগতে নিজ বাসগৃহ নগাঁৱৰ ফৌজদাৰীপট্টিত 'গুণ মহন্ত পুথিভঁৰাল' ১৩ পৃষ্ঠাত চাওক

## নগাঁৱত ড্ৰাগছৰ বিৰুদ্ধে সৰৱ এনএছইউআই



বিশেষ সংবাদদাতা

**নগাঁও, ২৫ আগষ্ট ঃ** কংগ্ৰেছৰ ছাত্ৰ সংগঠন এনএছইউআইৰ নগাঁও জিলা সমিতিয়ে আজি ড্ৰাগছৰ বিৰুদ্ধে নগাঁও চহৰত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰী দলটোৱে নগাঁও চহৰত এক প্ৰতিবাদী সমদল উলিওৱাৰ লগতে জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে ড্ৰাগছ মাফিয়া হুঁচিয়াৰ, ড্ৰাগছৰ প্ৰচলন বন্ধ কৰক, নগাঁও পুলিচ হায় হায়, আদি বিভিন্ন ধ্বনি দি পৰিৱেশ উত্তাল কৰি তোলে। নগাঁও জিলা এনএছইউআইৰ সদস্যসকলে সংবাদ মাধ্যমৰ আগত অভিযোগ কৰি কয় যে নগাঁও জিলাত বৰ্তমান ড্ৰাগছ বিৰোধী অভিযান স্তিমিত হৈ পৰিছে। এতিয়া আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে ১৩ পৃষ্ঠাত চাওক

## মধ্যাহ্নভোজন আঁচনি ব্যক্তিগতকৰণ বন্ধ কৰাৰ দাবীত কাজলগাঁৱত প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২৫ আগষ্ট ঃ** চিৰাং জিলাৰ সদৰ কাজলগাঁওস্থিত জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত সদৌ অসম মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়নে কাঁহী-বাটি বজাই তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে অসম চৰকাৰে ৰূপায়ণ কৰা মধ্যাহ্ন ভোজন আঁচনি অক্ষয় পাত্ৰ ফাউণ্ডেছন নামৰ বেচৰকাৰী সংস্থাৰ হাতত গতাই দি মধ্যাহ্ন ভোজন আঁচনিৰ ৰান্ধনীসকলক যি একপ্ৰকাৰ বঞ্চিত কৰিছে তাৰ প্ৰতিবাদত আজি সদৌ অসম মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়নৰ চিৰাং জিলা সমিতিৰ উদ্যোগত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে চিৰাং জিলা সদৰ কাজলগাঁৱত। এই প্ৰতিবাদী কাৰ্যসূচীত মধ্যাহ্ন ভোজন কৰ্মচাৰীৰ সাত মাহৰ অনাদায় মাননি শীঘ্ৰে মোকলাই দিয়া, ন্যূনতম মজুৰি আইনমতে ৰন্ধনকৰ্মীক মাননি দিয়া, বিদ্যালয় সংলগ্নীকৰণৰ নামত ৰাজহুৱা শিক্ষাৰ সংকোচন আৰু ৰন্ধনকৰ্মীক কৰ্মচ্যুত কৰাৰ নীতি বাতিল কৰাৰ দাবীত মধ্যাহ্ন ভোজন ৰন্ধন কৰ্মচাৰীসকলে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ৰন্ধনকৰ্মীৰ দাবীসমূহ চৰকাৰে পূৰণ নকৰিলে আগন্তুক দিনত গণতান্ত্ৰিকভাৱে ভয়ংকৰ আন্দোলন কৰিবলৈও বাধ্য হ'ব বুলিও সকীয়াই দিয়ে সন্থাৰ পৰা।

## অভিনেত্ৰী চেতনা দাসলৈ আগবঢ়োৱা

১২ *পৃষ্ঠাৰ পৰা* আৰু 'গুণ মহন্তদেৰ সংগ্ৰহালয়' পৰিয়ালৰ তত্বাৱধানত ঘৰুৱাভাৱে স্থাপন কৰি ইতিমধ্যে ৰাইজ আৰু শিশুৰ বাবে মুকলি কৰা হৈছে। আনহাতে, অভিনেতাগৰাকীৰ শেষকৃত্য সম্পন্ন কৰা শেনচোৱাৰ নিজা মাটিত ৰাইজৰ মনৰ শিল্পীজনৰ 'সম্পূৰ্ণ প্ৰতিমূৰ্তি' ইতিমধ্যে নিৰ্মাণ কৰাৰ পৰিকল্পনাও গ্ৰহণ কৰা হৈছে বুলি পৰিয়ালৰ লোকে জানিবলৈ দিয়াৰ লগতে উল্লিখিত ২৭ আগষ্টৰ অনুষ্ঠানলৈ উদ্যোক্তাসকলৰ হৈ লখিমী মহন্ত, মিচিমি মহন্ত আৰু ৰক্তিম সুৰুয মহন্তই গুণ মহন্তৰ অনুৰাগী, সুহৃদ, শুভাকাংক্ষী সকলোৰে উপস্থিতি আৰু সহায়-সহযোগিতা তথা আশীৰ্বাদ আন্তৰিকতাৰে কামনা কৰিছে।

## 'বৃহত্তৰ অসমীয়া যুৱ মঞ্চ'ৰ পৰা চাৰি

১২ *পৃষ্ঠাৰ পৰা* পৰাজয়বৰণ কৰাৰ পাছতো মঞ্চৰ বিৰুদ্ধে বিভিন্ন প্ৰৰোচনামূলক কাৰ্য কৰি গৈছিল। তেনেবোৰ কাৰণতেই সংগঠনৰ কেন্দ্ৰীয় বিষয়-বাবৰ পৰা অব্যাহতি দিয়াৰ লগতে সাধাৰণ সদস্য পদৰ পৰাও অব্যাহতি দিয়া হয়। গতিকে এই তথাকথিত নিজ স্বাৰ্থলোভী নেতাকেইজনে অনাগত সময়ত যদি বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ নাম লৈ অসামাজিক কাৰ্যত লিপ্ত হোৱাৰ তথ্য পালে বা সংগঠনৰ মৰ্যাদা লাঘৱ কৰাৰ অপচেষ্টা কৰে, তেন্তে তেওঁলোকৰ বিৰুদ্ধে যুৱ মঞ্চই আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি বিবৃতিযোগে সকীয়াই দিয়ে।

## টিহুৰ ৰতনপুৰত খোৱাপানী যোগান

১২ *পৃষ্ঠাৰ পৰা* মাৰ্চত উদ্বোধন হোৱা পানী যোগান আঁচনিখনৰ জৰিয়তে ঘৰে ঘৰে পাইপযোগে পানী যোগানৰ ব্যৱস্থা কৰা হৈছে। যদিও পানীৰ আৰ্চেনিকৰ পৰিমাণ নিৰূপণ হৈ নহাত এই পানী আজিলৈ খোৱাৰ উপযোগী হৈ উঠা নাই। ইফালে, আজি তিনি-চাৰিদিন ধৰি ৫০ ফুট ওখৰ পানী জমা কৰা টেংকীৰ পৰা অহৰহ পানী পৰি আছে। স্থানীয় ৰাইজে এই বিষয়ে জানিব বিচৰাত আঁচনিখনৰ কৰ্মচাৰীয়ে টেংকী ফুটা বুলি জানিবলৈ দিছে, অথচ মেৰামতিৰ ব্যৱস্থা আজিলৈ হোৱা নাই। আনকি এমিটেক্স কোম্পানীয়ে এই পানী টেংকী যোগান ধৰিছিল। তেওঁলোকক অৱগত কৰাত কোম্পানীৰ কৰ্মচাৰী আহি থিক কৰি দিব বুলি কয় যদিও আহিম আহিম বুলি ৰাইজক আঁভুৱা ভাঁৰি থকাৰ অভিযোগ উঠিছে। এনে অৱস্থাত ৰতনপুৰ খোৱাপানী যোগান আঁচনিৰ ভেঁকোভাওনা দূৰ কৰিবলৈ ৰাইজে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ ওচৰত দাবী জনাইছে।

## জল জীৱন মিছনৰ নলৰ পৰা বঞ্চিত

১২ *পৃষ্ঠাৰ পৰা* বাবে পানীৰ সংযোগ দিয়া নাই। সেয়েহে বাঘমাৰা গাঁৱৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ চুবুৰী, মেডিকেলৰ ওচৰৰ চুবুৰি, কঞাকুছি গাঁৱৰ সম্পূৰ্ণ দলেখাত চুবুৰি আৰু পৈচাৰা-কঞাকুছি গাঁৱৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে দুটা চুবুৰি পানীৰ নল সংযোগৰ পৰা বঞ্চিত হৈ আছে। ইফালে, ঘগ্ৰাপাৰ হৰিমন্দিৰত এটা পানী যোগান প্ৰকল্প আছে যদিও কটকটীয়া গাঁৱক সামৰি ল'ব পৰা নাই। যাৰ পৰিপ্ৰেক্ষিতত কটকীয়াৰ ৰাইজে বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত হৈ আহিছে। প্ৰধানমন্ত্ৰী জল-জীৱন মিছনৰ জৰিয়তে সকলো পৰিয়ালকে পানীৰ নলৰ সংযোগ দিব লাগে যদিও এই ক্ষেত্ৰত জনস্বাস্থ্য কাৰিকৰী বিভাগে একো পদক্ষেপ গ্ৰহণ কৰা নাই। সেয়েহে উক্ত চুবুৰিকেইটাৰ ৰাইজে নলবাৰী সমষ্টিৰ বিধায়ক তথা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু নলবাৰী জিলাৰ জিলা উপায়ুক্তক উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে। উক্ত চুবুৰিকেইটাক সামৰি বিভাগটোৱে এটি নতুন পানীযোগান আঁচনি স্থাপন কৰি দীৰ্ঘদিনে বিশুদ্ধ পানীৰ পৰা বঞ্চিত পৰিয়ালকেইটাক পানীৰ সুব্যৱস্থা কৰি দিয়াৰ আহ্বান জনাইছে ভুক্তভোগী ৰাইজে। পিছে এই ক্ষেত্ৰত মন্ত্ৰী বৰুৱাই কিধৰণৰ ব্যৱস্থা গ্ৰহণ কৰে সময়হে ক'ব পাৰিব।

## বিদ্যুৎ বিভাগৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ

১২ *পৃষ্ঠাৰ পৰা* খেয়াল-খুচিমতে বিদ্যুৎ কাটি দিয়াক লৈ প্ৰতিবাদমুখৰ হৈ পৰে গ্ৰাহক ৰাইজ। বিদ্যুৎ বিল পৰিশোধ কৰাৰ পাছতো বিদ্যুৎ কৰ্তন কৰাক কেন্দ্ৰ কৰি প্ৰতিবাদ জনায় ৰাইজে। ইয়াকে লৈ গাঁওখনত নিশা সৃষ্টি হয় উত্তপ্ত পৰিস্থিতিৰ। উৎকট গৰমত হাতে হাতে বিদ্যুৎ বিল লৈ গাঁওখনৰ দুই শতাধিক পুৰুষ-মহিলাই ক্ষুব্ধ হৈ প্ৰতিবাদ সাব্যস্ত কৰে। গাঁওখনত বিদ্যুৎ কৰ্তন কৰাৰ ফলত স্নাতক পৰীক্ষা আৰু অসম চৰকাৰ তৃতীয় বৰ্গৰ পৰীক্ষাৰ ছাত্ৰ-ছাত্ৰী হতাশাগ্ৰস্ত হৈ পৰে। এপিডিচিএলৰ কৰ্মচাৰীয়ে সুৰাপান কৰি গাঁওখনৰ বিদ্যুৎ কৰ্তন কৰা বুলি অভিযোগ তুলিছে গ্ৰাহক ৰাইজে। বিদ্যুৎ যোগানৰ নামত গোসাঁইগাঁও বিদ্যুৎ উপ-সংমণ্ডলৰ কৰ্মচাৰীয়ে উৎকোচ বিচৰাৰ অভিযোগ কৰে গাঁৱৰ একাংশ ৰাইজে। গাঁওখনত বিদ্যুৎ বিল বাকী থকা পৰিয়ালৰ বিদ্যুৎ কাটি দিয়া নহয় সম্পূৰ্ণ বিল পৰিশোধ কৰা গ্ৰাহকৰ বিদ্যুৎ কৰ্তন কৰে গোসাঁইগাঁও বিদ্যুৎ উপ-সংমণ্ডলৰ পৰা যোৱা বিষয়া-কৰ্মীৰ দলে। গাঁওখনত বিদ্যুৎ কৰ্তন কৰাত হাৰাশাস্তি ভুগিছে গাঁৱৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰীৰ লগতে সহস্ৰাধিক পৰিয়াল। হঠাৎ বিদ্যুৎ বিভাগে উক্ত অঞ্চলত প্ৰৱেশ কৰি কোনো তথ্য নোলোৱাকৈ আঠটাকৈ ট্ৰেন্সফৰ্মাৰৰ বিদ্যুৎ কাটি দিয়াত পৰিস্থিতি জটিল হৈ পৰে। 'আমাক বিদ্যুৎ লাগিবই, বিদ্যুৎ বিভাগ হায় হায়, বিদ্যুৎ কৰ্তন নচলিব, আমাৰ দাবী মানিবই লাগিব' আদি শ্ল'গানেৰে নিশা গাঁৱৰ ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰি তীব্ৰ প্ৰতিবাদ জনায়। বিভাগীয় কৰ্তৃপক্ষই লোৱা হঠকাৰি সিদ্ধান্তৰ বিৰুদ্ধে গ্ৰাহক ৰাইজে আইনৰ কাষ চাপিব বুলি প্ৰকাশ কৰিছে।

## ছিপাঝাৰত প্ৰশাসনিক বিষয়া-সাহিত্যিক

১২ *পৃষ্ঠাৰ পৰা* পঞ্চম স্থান দখল কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াইছিল। ১৯৭২ত কটন মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লোৱাৰ পাছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম.এ ডিগ্ৰী লৈ আইন ডিগ্ৰী লাভ কৰি ১৯৮১ত এচিএছ পৰীক্ষাত উত্তীৰ্ণ হৈ অসম প্ৰশাসনীয় সেৱাত কাৰ্যনিৰ্বাহ কৰাৰ পাছত ২০১১ত যুটীয়া সচিবৰূপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰে। ডেকাই হৃদয় স্পন্দন, ভিন্ন চিন্তাৰ আলোকপাত, দূৰণিৰ সুৰ, ৰজনীগন্ধাৰ চকুলো, সাহিত্য সংস্কৃতি আৰু সমাজ, জীৱনবোধৰ অন্বেষণত, প্ৰশাসনীয় কৰ্মজীৱনৰ স্মৃতি ৰোমন্থন আদি গ্ৰন্থৰে সাহিত্যৰ ভঁৰাললৈ বিশেষ অৱদান আগবঢ়াই গৈছে। তদুপৰি অসমৰ বহুকেইখন বাতৰি কাকত, আলোচনীত ভালেমান প্ৰবন্ধ-নিবন্ধ লিখি প্ৰকাশ কৰিছিল। মৃত্যুৰ সময়ত ডেকাই মাতৃসহ পত্নী পূৰ্ণিমা ডেকা, পুত্ৰ কৌশিক ডেকা (কানাডাত কৰ্মৰত), কন্যা চয়নিকা ডেকা আৰু নাতি-নাতিনীক এৰি যায়। প্ৰয়াত ডেকাৰ মৃত্যুত মাৰৈ-বিজুলীবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিয়াল, ছিপাঝাৰ সাহিত্য সভা, মাৰৈ জেছমিন ক্লাব, স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশী আদিয়ে শোক প্ৰকাশ কৰে।

## টংলাত সাংস্কৃতিক মহাসভাৰ পঞ্চম

১২ *পৃষ্ঠাৰ পৰা* সভাৰ পুৱা ন বজাত অসম সাংস্কৃতিক মহাসভাৰ পতাকা উত্তোলন কৰিব ওদালগুৰি জিলা সমিতিৰ সভাপতি ড° হৰি ৰাম দাসে। ৯.১৫ বজাত স্মৃতি তৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰিব অসম সাংস্কৃতিক মহাসভাৰ সভাপতি পবিত্ৰ কুমাৰ শৰ্মাই। প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব অসম সাংস্কৃতিক মহাসভাৰ সম্পাদক প্ৰদীপ কুমাৰ বৰাই। ১০ বজাত উদ্বোধনী অনুষ্ঠানত সমবেত সংগীত পৰিবেশন কৰিব জিলাৰ শিল্পীসকলে। ১০.৩০ বজাত উদ্বোধনী অনুষ্ঠান। সভাৰ আঁত ধৰিব সাংস্কৃতিক মহাসভা অসমৰ ওদালগুৰি জিলা সমিতিৰ সম্পাদক জ্ঞানেন্দ্ৰ কুমাৰ চলিহাই। বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি সভা উদ্বোধন কৰিব বিটিচিৰ সচিব দিঠকানন্দ হাজৰিকাই। আদৰণি সমিতিৰ সভাপতি হিৰণ দেৱীয়ে আদৰণি ভাষণ প্ৰদান কৰাৰ বিপৰীতে মুখপত্ৰ সাংস্কৃতিকা উন্মোচন কৰিব অসম সাংস্কৃতিক মহাসভাৰ সভাপতি পবিত্ৰ কুমাৰ শৰ্মাই। দুপৰীয়া ১২ বজাৰ পৰা অনুষ্ঠিত হ'ব সাংস্কৃতিক মহাসভা অসমৰ পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভা। সভাত মহাসভাৰ অন্তৰ্ভুক্ত সকলো সদস্য-সদস্যাৰ উপস্থিতি আৰু সহযোগিতা উদ্যোক্তাসকলে কামনা কৰিছে।

## মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহৰ ধ্বংসৰ



১২ *পৃষ্ঠাৰ পৰা* মতামত ব্যক্ত কৰিছে। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০তো বিদ্যালয় পৰ্যায়ত পঞ্চম শ্ৰেণীলৈ আৰু য'তেই সম্ভৱ অষ্টম শ্ৰেণীলৈ মাতৃভাষা মাধ্যমত শিক্ষাদানৰ পৰামৰ্শ আগবঢ়াইছে। চৰকাৰৰ শেহতীয়া সিদ্ধান্তৰ দ্বাৰা মাতৃভাষা মাধ্যমত শিক্ষাগ্ৰহণ কৰি থকা শিক্ষাৰ্থীসকলৰ ওপৰত দুটা মাধ্যমৰ বোজা জাপি দিয়া হৈছে বুলি প্ৰকাশ কৰে। ইয়াৰ বিপৰীতে ইংৰাজী মাধ্যমৰ শিক্ষাৰ্থীসকলে বুৰঞ্জী, গণিত, ভূগোল, বিজ্ঞান আটাইবোৰ বিষয় কেৱল ইংৰাজী মাধ্যমত শিকিব পাৰি। অৰ্থাৎ তেওঁলোকে এটা মাধ্যমত শিক্ষা গ্ৰহণ কৰিব পাৰিব। চৰকাৰৰ এনে সিদ্ধান্তৰ দ্বাৰা মাতৃভাষা মাধ্যমৰ শিক্ষাৰ্থীসকলৰ প্ৰতি বৈষম্যমূলক আচৰণ কৰা হৈছে, কিয়নো দুয়োটা মাধ্যমৰ শিক্ষাৰ্থীসকলে একেখন ব'ৰ্ডৰ অধীনত একেলগে একেটা পৰীক্ষাতেই অৱতীৰ্ণ হ'ব লাগিব বুলি স্মাৰকপত্ৰত প্ৰকাশ কৰে। 'ছেবা' ব'ৰ্ডৰ অন্তৰ্ভুক্ত বিদ্যালয়ৰ পৰা সমাজ বিজ্ঞান বিষয়টো উঠাই দিলে তাত সন্নিবিষ্ট অৰ্থনীতি, ৰাজনীতি, বিজ্ঞানৰ পাঠ্যক্ৰমৰ পৰা শিক্ষাৰ্থীসকল বঞ্চিত হ'ব বুলি উল্লেখ কৰা হৈছে। অসমৰ মাতৃভাষা মাধ্যমত সম্প্ৰতি শিক্ষা গ্ৰহণ কৰি থকা আৰু ভৱিষ্যতে শিক্ষা গ্ৰহণ কৰিবলগীয়া ছাত্ৰ-ছাত্ৰীসকলৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰ উক্ত সিদ্ধান্ত বাতিল কৰিবলৈ গোলাঘাট জিলা জাতীয় বিদ্যালয় সন্বয়ৰক্ষী সমিতিৰ সভাপতি বৰবৰা আৰু সম্পাদক চাৰিঔীয়াই আজি স্মাৰকপত্ৰ যোগে মুখ্যমন্ত্ৰীৰ প্ৰতি কাতৰ আহ্বান জনাইছে।

## হাজোত পুনৰ ভূ-মাফিয়া আটক

অগ্ৰদূত বাৰ্তা

**হাজো, ২৫ আগষ্ট ঃ** কামৰূপ জিলাৰ হাজোত পুনৰ আটক হ'ল ভূ-মাফিয়া। যোৱা নিশা হাজো আৰক্ষী থানাৰ আৰক্ষীৰ এটি দলে ৰামদিয়া মৌজাৰ চতলাবৰীৰ নিজ বাসগৃহৰ পৰা কৌশলেৰে আটক কৰে নুৰুল ইছলাম নামৰ ভূ-মাফিয়াজনক। অভিযোগ অনুসৰি, হাজো ৰাজহ বিষয়াৰ কাৰ্যালয়ত ভূমি সংক্ৰান্তীয় বহু দালালীত জড়িত হৈ আছিল ধৃত ইছলাম। হাজো আৰক্ষীৰ এটি দলে এক গোপন সূত্ৰৰ ভিত্তিত চতলাবৰীৰ নিজ ঘৰৰ পৰাই ভূ-মাফিয়া ইছলামক আটক কৰাত সচেতন মহলে প্ৰশংসা কৰিছে।

## সাতামপুৰুষীয়া সামাজিক সম্ভাৱ-ভ্ৰাতৃত্ববোধ ৰক্ষা সম্পৰ্কত দৰং জিলা প্ৰশাসনৰ মত বিনিময় সভা

বিশেষ সংবাদদাতা

**মঙলদৈ, ২৫ আগষ্ট ঃ** দৰং জিলাত বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সম্প্ৰীতিৰ এনাজৰীডাল যাতে সুদৃঢ় হৈ থাকে তাৰ ওপৰত গুৰুত্ব দি দৰং জিলা প্ৰশাসনে আজি উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন মত বিনিময় সভাৰ আয়োজন কৰে। জিলা উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত জিলাখনৰ কে'বাখনো সমাজ তথা সন্মিলনীৰ প্ৰতিনিধিসকল উপস্থিত থাকে। উল্লেখ্য যে বিগত সময়ত দৰং জিলাত হৈ যোৱা অনাকাংক্ষিত ঘটনাৰ পৰিপ্ৰেক্ষিতত এই বিশেষ সভাৰ আয়োজন কৰা হয়। সভাত দৰং জিলাৰ ব্ৰাহ্মণ সমাজ, জিলা ব্ৰাহ্মণ মহাসভা, শ্ৰীমন্ত শংকৰদেৱ সংঘ, যোগী সন্মিলনী, কলিতা জনগোষ্ঠীৰ সন্মিলন, জিলা কেওট সন্মিলন, জিলা কোচ ৰাজবংশী সন্মিলনী, জিলা কুমাৰ সন্মিললনী, কৈৱৰ্ত সমাজ, শালৈ সন্মিলনীৰ প্ৰতিনিধিসকলে সভাত অংশগ্ৰহণ কৰি তেওঁলোকৰ মন্তব্যসমূহ দাঙি ধৰে আৰু উপায়ুক্তই ভ্ৰাতৃত্ববোধ ৰক্ষা সম্পৰ্কত এনেকুৱা সভা অনুষ্ঠিত কৰাৰ পদক্ষেপক শলাগ লয়। সভাত সকলো প্ৰতিনিধিয়ে সময়ৰ লগত খোজমিলাই আগবঢ়াৰ লগতে কুসংস্কাৰৰ পৰা মুক্ত হ'ব লাগে বুলি মন্তব্য কৰে আৰু মানৱ ধৰ্মহে আচল ধৰ্ম বুলি উল্লেখ কৰে। সভাত ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে অবিভক্ত দৰং জিলাৰ সাতামপুৰুষীয়া কৃষ্টি-সংস্কৃতিৰ লগতে আমাৰ বিভিন্ন জাতি-জনজাতিৰ এনাজৰীডাল সদায় সুদৃঢ় হৈ থাকিব বুলি আশা প্ৰকাশ কৰে আৰু সকলো সমাজ তথা সন্মিলনৰ প্ৰতিনিধিসকলক সমাজত ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিবলৈ আহ্বান জনায়। আমি জাতি-জনগোষ্ঠীৰ ঐক্যতাৰ এনাজৰীডাল পাহৰি যাব নালাগে বুলিও মন্তব্য কৰে। মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত কুমাৰ দাসে কয় যে বিগত কিছুদিন আগতে ঘটা এই ঘটনাই যাতে জিলাখনত শেষ ঘটনা হয় আৰু পুনৰাবৃত্তি নহয় তাৰবাবে সমাজৰ মাজত বৈষম্য পৰিহাৰ কৰি চলিবলৈ সকলোকে অনুৰোধ জনায়। সভাত সভাপতিত্ব কৰি দৰং জিলাৰ উপায়ুক্ত প্ৰমৰ কুমাৰ শৰ্মাই কয় যে এই ধৰণৰ জাতিগত কথাত মনোনিবেশ নকৰি উন্নয়নৰ দিশত জিলাখন আগবঢ়াই নিয়াটোৱে প্ৰকৃত উদ্দেশ্য হ'ব লাগে। সকলোকে মিলাপ্ৰীতিৰে থাকি জিলাখনৰ সুনাম অটুট ৰাখিবলৈ আহ্বান জনায়। সভাত দৰং জিলাৰ আৰক্ষী অধীক্ষক প্ৰশান্ত শইকীয়া, অতিৰিক্ত উপায়ুক্ত সঞ্জীৱ বৰা, দৰং জিলাৰ বিজেপিৰ সভাপতি অমৰেন্দ্ৰ শৰ্মা, জিলা পৰিষদৰ সভাপতি ধীৰেন ডেকা প্ৰমুখ্যে গণ্যমান্য লোকসকল উপস্থিত থাকে।

## তেজপুৰ বিহগুৰিৰ শিক্ষাবিদ মিনাক্ষী গোস্বামীলৈ ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৫ আগষ্ট ঃ** ৰাজ্যৰ একমাত্ৰ শিক্ষক হিচাপে এইবাৰ ৰাষ্ট্ৰপতিৰ বঁটা লাভ কৰিব তেজপুৰৰ নিকটৱৰ্তী বিহগুৰিৰ চন্দ্ৰনাথ শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা, ইংৰাজী বিষয়ৰ এগৰাকী শিক্ষয়িত্ৰী মিনাক্ষী গোস্বামীয়ে। উল্লেখ্য যে নৰ্থ ইষ্ট ৰাইটাৰ্ছ ফ'ৰামৰ সদস্য গোস্বামী এগৰাকী ক্ৰীড়া সংগঠক। তেজপুৰৰ মাজগাঁও ৰত্নপুৰ নিবাসী তথা চৰকাৰী শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত ড° লোহিত চন্দ্ৰ গোস্বামী আৰু গীতা গোস্বামীৰ কন্যা শিক্ষয়িত্ৰী গোস্বামীয়ে ২০০৭ত ভাৰতীয় চিকিৎসা সন্থাৰ দ্বাৰা আয়োজিত আন্তৰ্জাতিক নাৰী দিৱসতো পুৰস্কৃত হোৱাৰ লগতে ২০১৯ৰ গণতন্ত্ৰ দিৱসত ৰাজ্য চৰকাৰে তেওঁক মানৱসম্পদ, কলা আৰু সংস্কৃতিৰ ক্ষেত্ৰত আগবঢ়োৱা নিস্বাৰ্থ সেৱাৰ বাবে সন্মানিত কৰিছিল। তদুপৰি ২০১৮ত গোস্বামীয়ে ৰাজ্যিক শিক্ষকৰ বঁটাও অৰ্জন কৰাৰ উপৰি ২০১৬ত অইল শিক্ষা ৰত্ন পুৰস্কাৰো লাভ কৰিবলৈ সক্ষম হৈছে। এগৰাকী কবি হিচাপে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সুপৰিচিত গোস্বামীয়ে দেশে-বিদেশে কবিতাৰ বিভিন্ন কাৰ্যসূচীত অংশ লৈছে। দি চেনচুৰাচ জিফাৰ নামৰ গ্ৰন্থৰ ৰচয়িতা গোস্বামীয়ে এইবাৰ দেশৰ মুঠ ৪৬গৰাকী নিৰ্বাচিত শিক্ষকৰ ভিতৰত ৰাজ্যখনৰ একমাত্ৰ শিক্ষক হিচাপে এই বছৰৰ ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে আৰু তেওঁ অহা পাঁচ ছেপ্টেম্বৰত এই বঁটা নতুন দিল্লীৰ বিদ্যাভৱনত গ্ৰহণ কৰিব। উল্লেখ্য যে শিক্ষয়িত্ৰী গোস্বামীৰ এই সাফল্যত অসম সাহিত্য সভা, শোণিতপুৰ জিলা সাহিত্য সভা, তেজপুৰ সাহিত্য সভা, বাণ থিয়েটাৰ, তেজপুৰ জিলা মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থা, শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ তৰফৰ পৰা তেওঁক অভিনন্দন জ্ঞাপন কৰিছে।

## কলগাছিয়াৰ সোণাপুৰ বেঁকী নদীৰ মৰাসুঁতিত অচিনাক্ত মৃতদেহ উদ্ধাৰত চাঞ্চল্য

অগ্ৰদূত বাৰ্তা

**কলগাছিয়া, ২৫ আগষ্ট ঃ** বৰপেটা জিলাৰ বালিকুৰি আৰক্ষী চকীৰ অন্তৰ্গত সোণাপুৰ বেঁকী নদীৰ মৰা সুঁতিত এক অচিনাকি মহিলাৰ মৃতদেহ উদ্ধাৰক লৈ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। ইতিমধ্যে বালিকুৰি আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে বৰপেটা ফখৰুদ্দিন আলী আহমেদ মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰিছে। বাতৰি লিখা পৰলৈকে মৃত মহিলাগৰাকীৰ নাম-ঠিকনা জানিব পৰা হোৱা নাই। মৰণোত্তৰ পৰীক্ষা আৰু আৰক্ষীৰ তদন্তৰ পাছতহে ঘটনাৰ প্ৰকৃত কাৰণ পোহৰলৈ আহিব বুলি অনুমান কৰা হৈছে।

## নগাঁৱত ড্ৰাগছৰ বিৰুদ্ধে সৰৱ

১২ *পৃষ্ঠাৰ পৰা* সফল অভিযান চলাব পৰা নাই। সেয়েহে এতিয়া ড্ৰাগছৰ প্ৰচলন দিনক দিনে বৃদ্ধি হৈছে। কাৰ্যসূচীৰ অন্তত সংগঠনটোৱে ড্ৰাগছৰ প্ৰচলন বন্ধ কৰাৰ দাবীত উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে ।

## সদৌ অসম মুক্ত সাংবাদিক

১২ *পৃষ্ঠাৰ পৰা* সভাপতিলৈ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনাইছে সভাপতি কুমুদ চন্দ্ৰ ডেকাই। স্মৰণিকাখনিৰ কাম চলি আছে সদস্যসকলে লেখনি পঠিয়াব পাৰিব, লগতে বিগত বছৰৰ এটি চমু খতিয়ানো দিবলৈ সভাপতিয়ে অনুৰোধ জনাইছে। সভাপতি, ডাক-বামুণীমৈদান, পদ্মতীৰ্ণ আৱাস, ৰত্নগিৰি পথ, ফোন ঃ ৯৮৬৪১৭৪৩৮৮

## সংবাদ মাধ্যমত বাতৰি প্ৰচাৰ

১২ *পৃষ্ঠাৰ পৰা* মাধ্যমত বাতৰি সম্প্ৰচাৰ হোৱাৰ পাছত গোপাল কৃষ্ণ গগৈ নামৰ এজন ব্যক্তিয়ে উক্ত যুৱকজনক নুমলীগড়ত দেখা পাই পৰিয়ালৰ লোকক খবৰ দিয়ে। আৰু পেছাত ডাম্পাৰ চালক গোপাল কৃষ্ণ গগৈয়ে তেওঁৰ গাড়ীত ৰঞ্জনক নুমলীগড়ৰ পৰা লৈ আনি গোলাঘাটত পৰিয়ালৰ লোকক গতাই দিয়ে। প্ৰণিধানযোগ্য যে এটা সন্তানৰ পিতৃ ৰঞ্জনজ্যোতি মানসিকভাৱে দুৰ্বল হোৱাৰ বাবে চিকিৎসকৰ ওচৰত চিকিৎসা গ্ৰহণ কৰি থকাৰ কথা জানিবলৈ দিয়ে পৰিয়ালৰ লোকে। ইফালে, ৰঞ্জনজ্যোতিক ঘূৰাই পাই পৰিয়ালৰ লোকসকল আনন্দিত হোৱাৰ লগতে সংবাদ মাধ্যমক অশেষ ধন্যবাদ জনায় পৰিয়ালৰ লোকে ।

## চিদলী সমষ্টিবাসীক লজ্জানত কৰিছে বিধায়ক জয়ন্ত বসুমতাৰীয়ে ঃ দেৰহাছৎ

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, চপ্ত আগষ্ট ঃ** লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বৃদ্ধি পাইছে ৰাজনৈতিক দলসমূহৰ তৎপৰতা। বিপিএফেও বিটিচিৰ ইমূৰৰ পৰা সিমূৰলৈ আৰম্ভ কৰিছে দলীয় সভা। আজি চিৰাং জিলাৰ ভূটান সীমান্তৰ ৰুনিখাতাৰ থাইকাঝোৰাত অনুষ্ঠিত হয় বিপিএফৰ সাংগঠনিক সভা। কে'বাশ লোকৰ উপস্থিতিত সভাত বিটিচিৰ প্ৰাক্তন উপ মুখ্য খাম্পা বৰগয়াৰীয়ে কয়, 'কেন্দ্ৰীয় চৰকাৰে কোচবিহাৰ ৰাজ্য গঠন সন্দৰ্ভত নিজৰ স্থিতি স্পষ্ট কৰক। কোনোবা লোকৰ মুখৰ কথাত নহয়।' এয়া বিটিচিত শান্তিৰে বসবাস কৰা বড়ো আৰু ৰাজবংশী লোকৰ মাজত সংঘাত লগোৱাৰ বাবে ষড়যন্ত্ৰ কৰিছে কোনোবাই বুলি মন্তব্য কৰি বৰগয়াৰীয়ে পুনৰ কয়, 'কোনোবাই ক'লে বুলিয়েই যে কোকৰাঝাৰ, চিৰাং জিলা কোচবিহাৰ ৰাজ্যৰ অন্তৰ্গত হ'ব সেয়া সম্ভৱ নহয়। মুখৰ কথাত ৰাজ্য গঠন নহয়।' তেওঁ লগতে চিদলী সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰীয়ে জনতা ভৱনৰ কৰ্মচাৰীক প্ৰহাৰ কৰা সন্দৰ্ভত কয়, 'চিদলী সমষ্টিবাসীক লজ্জানত কৰাৰ ঘটনা এয়া। শুনি বহু বেয়া পাইছো আমি, লজ্জা অনুভৱ কৰিছো।' জনতা ভৱনত কৰ্তব্যৰত কৰ্মচাৰীক তেওঁৰ কামত বাধা দিয়া আৰু আৰু অমানৱীয়ভাৱে প্ৰহাৰ কৰা হৈছে বুলি কয় বৰগয়াৰীয়ে। ইয়াৰ দ্বাৰা বিধায়ক এজনে নিজৰ মানসিকতাৰ পৰিচয় দাঙি ধৰিছে বুলিও কয় বৰগয়াৰীয়ে। তেওঁ পুনৰ কয়, 'বিপিএফ দলে গঢ়া বিটিচি পুনৰ উদ্ধাৰ কৰিবলৈ সক্ষম হ'ব বিপিএফে। বিপিএফে গঢ়িছিল আৰু ইউপিপিএলে ধ্বংস কৰিছে। বৰ্তমানৰ শাসকীয় দলে কিমান উন্নয়ন কৰিবলৈ সক্ষম হৈছে সেয়া ৰাইজে জানে। ভুলতে ৰাইজে ভোটদানেৰে জয়ী কৰাই এতিয়া পস্তাবলগীয়া হৈছে।' ইপিনে, অনুষ্ঠানত উপস্থিত থকা বিটিচি বিধান পৰিষদৰ বিৰোধী দলপতি দেৰহাছৎ বসুমতাৰীয়ে কয়, 'চিদলী সমষ্টিবাসী ৰাইজক আজি বিধায়ক জয়ন্ত বসুমতাৰীয়ে অতিকে লাজ দিলে। বিধানসভাৰ দৰে পৱিত্ৰ ঠাইত কৰ্তব্যৰত কৰ্মচাৰীক এজন বিধায়কে প্ৰহাৰ কৰাৰ ঘটনা সহজ নহয়।' অনুষ্ঠানত উপস্থিত থাকি বিধায়ক ৰবিৰাম নাৰ্জাৰীয়েও সমালোচনা কৰে বিধায়ক বসুমতাৰীক। তেওঁ লগতে বিটিচি বিপিএফে পুনৰ দখল কৰিব আৰু ৰাইজৰ উন্নয়ন, মিলা -প্ৰীতি তথা শান্তিৰ বাতাৱৰণ ঘূৰাই

## কোচবিহাৰ ৰাজ্যক লৈ বড়ো-ৰাজবংশীৰ মাজত সংঘাতৰ ষড়যন্ত্ৰ কৰিছে একাংশই ঃ খাম্পা

### নগাঁৱত এজন চৰকাৰী চাকৰিয়ালৰ বিধৱা পত্নীৰ কৰুণ বিননি

## ২১ বছৰেও লাভ কৰা নাই পেঞ্চন

বিশেষ সংবাদদাতা

**নগাঁও, ২৫ আগষ্ট ঃ** বিভাগীয় বিষয়া-কৰ্মচাৰীৰ হেমাহিৰ বাবেই এজন চৰকাৰী চাকৰিয়ালৰ বিধৱা পত্নীয়ে পৰিয়াল পেঞ্চন নোপোৱাৰ এক তথ্য পোহৰলৈ আহিছে। এইগৰাকী বিধৱা মহিলাৰ কৰুণ বিননিয়ে এতিয়া সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। বিভাগীয় চৰকাৰী কাৰ্যালয়ত ২১ বছৰে তাঁত-বাটি কৰিও লাভ কৰা নাই চৰকাৰী পৰিয়াল পেঞ্চন। উল্লেখ্য যে নগাঁও জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কৰ্মচাৰী দেৱকান্ত পাটৰৰ ২০০১ত কৰ্মৰত অৱস্থাত এক পথ দুৰ্ঘটনাত মৃত্যু হৈছিল। ইয়াৰ পাছতে প্ৰয়াত পাটৰৰ পত্নী মামণি পাটৰে নগাঁৱৰ মহখুলিস্থ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যালয়ত পৰিয়াল পেঞ্চনৰ বাবে আবেদন কৰে; কিন্তু বিভাগটোৰ বিষয়া-কৰ্মচাৰীয়ে হেমাহি কৰি পৰিয়াল পেঞ্চনৰ কাম সঠিকভাৱে আগবঢ়াই নিনিলে। আজি প্ৰায় ২১ বছৰ ধৰি পেঞ্চন লাভৰ পৰা বঞ্চিত হৈ আছে মহিলাগৰাকী। বিভাগীয় কাৰ্যালয়ৰ দুৱাৰে দুৱাৰে ঘূৰিও নিজ স্বামীৰ প্ৰাপ্য পেঞ্চন লাভ কৰিবলৈ সক্ষম হোৱা নাই। উপায়ান্তৰ হৈ মহিলাগৰাকী সংবাদ মাধ্যমৰ কাষ চাপে। আজি সংবাদ মাধ্যমৰ আগত মামণি পাটৰ নামৰ ভুক্তভোগী বিধৱা মহিলাগৰাকীয়ে অতি দুখেৰে কয় যে কৰ্মৰত অৱস্থাত স্বামীয়ে মৃত্যুক সাবটি লোৱাৰ পাছত নীতিগতভাৱে পেঞ্চন পাব লাগে। কিন্তু নগাঁও জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা, গাণনিক বিষয়া আৰু সংশ্লিষ্ট সহায়কে ৰহস্যজনকভাৱে বিগত ২০ বছৰে প্ৰয়াত পাটৰৰ পেঞ্চনৰ যাৱতীয় কাম সঠিকভাৱে নকৰিলে বুলি মহিলাগৰাকীয়ে অভিযোগ কৰিছে। তথ্য মতে, চৰকাৰী বিভাগটোৱে কৰ্তব্যৰত অৱস্থাত মৃত্যুক সাবটি লোৱা দেৱকান্ত পাটৰৰ পেঞ্চনৰ যাৱতীয় নথিপত্ৰ ২১ বছৰে অসম্পূৰ্ণভাৱে দিছপুৰলৈ প্ৰেৰণ কৰি আহিছে। বিশেষকৈ পেঞ্চনৰ নথিত পাটৰৰ ছাৰ্ভিচ বুকখন প্ৰেৰণ নকৰে। ফলত দিছপুৰৰ পৰা পেঞ্চনৰ নথিসমূহ নগাঁৱৰ কাৰ্যালয়লৈ ঘূৰি আহে। নগাঁৱৰ ম'হখুলিত থকা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়া কৰ্মচাৰীৰ অকৰ্মণ্যতাৰ বাবে ২১ বছৰে বিধৱা মামণি পাটৰে জীয়াতু ভুগিব লগাত পৰিছে। বৰ্তমান অসহায় ফুলগুৰিৰ মামণি পাটৰ। আশ্ৰয় ল'বলৈ এটি ঘৰৰো অভাৱ হোৱা মামণি পাটৰে আনৰ খেতি পথাৰত কাম কৰি দিন পাৰ কৰিব লগা হৈছে। আশ্ৰয় লৈছে বিবাহিতা কন্যাৰ ঘৰত। অসহায় মামণি পাটৰে বিচাৰিছে মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ। যিসকল বিষয়া-কৰ্মচাৰীৰ অমানৱীয় কামৰ বাবে ২১ বছৰে পেঞ্চন লাভৰ পৰা বঞ্চিত হৈ ৰ'ল সেই ক্ষেত্ৰত ন্যায় বিচাৰিছে মামণি পাটৰে। উল্লেখ যে ১৯৮৫ত ফুলগুৰিত দেৱকান্ত পাটৰে নগাঁও জনস্বাস্থ্য কাৰিকৰী বিভাগত যোগদান কৰিছিল।

## দুৰ্নীতিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী বিশ্বনাথ জিলা কংগ্ৰেছৰ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৫ আগষ্ট ঃ** বিশ্বনাথ জিলাৰ বহু চৰকাৰী কাৰ্যালয় এতিয়া দুৰ্নীতিৰ সাগৰ হৈ পৰিছে। কালি বিশ্বনাথৰ জিলা উপায়ুক্ত কাৰ্যালয়ত দুৰ্নীতি নিবাৰক শাখাই অভিযান চলাই উপ-পঞ্জীয়ক তথা কাৰ্যালয়ৰ দুৰ্নীতি পৰায়ণ কৰ্মচাৰী তপন সাহাক গ্ৰেপ্তাৰ কৰা ঘটনাক চৰকাৰক কৃতজ্ঞতা জ্ঞাপন কৰে বিশ্বনাথ নগৰত বিশ্বনাথ জিলা কংগ্ৰেছৰ মুখপাত্ৰ তুষাৰ বৰাই। ইয়াৰ লগতে মুখপাত্ৰজনে বিশ্বনাথৰ এনে বহু চৰকাৰী কাৰ্যালয় আছে, য'ত এতিয়াও বিয়াগোম দুৰ্নীতি চলি থকা বুলি উল্লেখ কৰি চৰকাৰক এই দুৰ্নীতিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনায়।

## খেৰণিত দুই গভাইত চোৰ আটক ঃ উদ্ধাৰ লেপটপ, ম'বাইল আৰু বহু চুৰি সামগ্ৰী

অগ্ৰদূত বাৰ্তা

**ডংকামোকাম, ২৫ আগষ্ট ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণি আৰক্ষী থানাৰ অধীনস্থ দয়াংমুখৰ পৰা যোৱা নিশা আৰক্ষীয়ে দুজন গভাইত চোৰক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন চোৰ দুজনৰ ভিতৰত এজন ধুবুৰীৰ মিলন হক আৰু আনজন হ'ল দয়াংমুখৰ বিকাশ বিশ্বাস। উল্লেখ্য যে চোৰ দুজনে উক্ত নিশা খেৰণিৰ দয়াংমুখস্থিত অশোক সিং নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানটোত লুটপাট সংঘটিত কৰিছিল। ইয়াৰ পাছতেই প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰীয়ে খেৰণি আৰক্ষীক অৱগত কৰাত এক গোপন সূত্ৰৰ পম খেদি ধুবুৰীৰ মিলন হক আৰু দয়াংমুখৰ স্থানীয় যুৱক বিকাশ বিশ্বাসক আটক কৰাৰ লগতে চোৰ দুজনৰ পৰা দুটা লেপটপ, তিনিটা ম'বাইল ফোন, এটা ছাউণ্ড ছিষ্টেমৰ উপৰি অন্যান্য চুৰি সামগ্ৰীও আৰক্ষীয়ে উদ্ধাৰ কৰে।

## ভাৰতত আইএছএছ-অল কায়দাৰ উদ্দেশ্য কেতিয়াও সফল নহয় ঃ গৌৰৱ গগৈ

বিশেষ সংবাদদাতা

**নগাঁও, ২৫আগষ্ট ঃ** 'আইএছএছ, অল কায়দা, আন উগ্ৰপন্থী সংগঠনৰ উদ্দেশ্য ভাৰতৰ ভিতৰত কেতিয়াও সফল নহয়। কিয়নো ভাৰতৰ সংখ্যালঘু সমাজ ভাৰতবৰ্ষৰ লগত আছে। আইএছএছ, অল কায়দাৰ সংগঠন পৃথিৱীৰ প্ৰায়বোৰ দেশতেই আছে, কিন্তু ভাৰতৰ ভিতৰত নাই। এইবোৰ সংগঠন ভাৰতৰ ভিতৰত ডাঙৰ হ'ব নোৱাৰে। কিয়নো ভাৰতৰ সংখ্যালঘু ৰাইজ ভাৰতৰ সংবিধান ৰক্ষাৰ ক্ষেত্ৰত অগ্ৰণী। অসমৰ ক্ষেত্ৰত আইএছএছ, অলকায়দাৰ উদ্দেশ্য কেতিয়াও সফল নহ'ব। আজি নগাঁও জিলাৰ ৰূপহীহাটত এই মন্তব্য কৰে কলিয়াবৰ লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে। সাংসদ গগৈয়ে আৰু কয়যে 'আইএছএছ, অল কায়দাক পৰাজিত কৰিবলৈ হ'লে সংখ্যালঘু সমাজে আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব।

সেইবোৰ সংগঠনৰ প্ৰতি যাতে কোনো যুৱক আকৃষ্ট নহয় তাৰ বাবে সংখ্যালঘু ৰাইজ সদা সতৰ্ক হৈ থাকিব লাগিব। কিবা তৎপৰতা দেখিলে তৎক্ষণাৎ বাধা প্ৰদান কৰিব লাগিব, আৰক্ষীক খবৰ দিব লাগিব।' যিবোৰ অপশক্তিয়ে অসমৰ ভিতৰত সোমাই অসমখনক অশান্ত কৰিব বিচাৰিছে তেনে ধৰণৰ অপশক্তিক সফল হ'বলৈ নিদিও বুলি হুংকাৰ দি সাংসদ গগৈয়ে আৰু কয়, 'যি সকলে অসমৰ ভিতৰত আইএছএছ- অল কায়দাক সুমুৱাবলৈ বিচাৰিছে তেওঁলোকক পৰাজিত কৰিব লাগিব। এই কাৰ্যৰ বাবে অসমৰ সংখ্যালঘু ৰাইজৰ সমৰ্থন লাগিব। অসমৰ সংখ্যালঘু ৰাইজেহে আইএছএছ, অল কায়দাক পৰাজিত কৰিব পাৰিব। অৱশ্যে ইয়াৰ বাবে চৰকাৰে ব্যাপক উন্নয়ন আৰু ৰাইজৰ মাজত সজাগতা আনিব লাগিব।' ৰাজ্য চৰকাৰক সমালোচনা কৰি সাংসদ গৌৰৱ গগৈয়ে কয়, 'চৰকাৰখনে আজি চৰকাৰী স্কুল চলাব পৰা নাই। নগালেণ্ড সীমান্ত, বাংলাদেশৰ সীমান্তত যদি চৰকাৰী স্কুলৰ অৱস্থা বেয়া হয় তেতিয়া নিশ্চয় যুৱকসকল উগ্ৰপন্থী সংগঠনৰ ফালে ঢাপলি মেলিব, ড্ৰাগছত সুমাব, ছিণ্ডিকেটত সুমাব। আইন ৰক্ষাৰ ক্ষেত্ৰত চৰকাৰে হেমাহি কৰিব নালাগে।' তেওঁ কয়, 'অসমৰ শান্তি-সম্প্ৰীতি আৰু উন্নয়নৰ ক্ষেত্ৰত আমি কোনো ধৰণৰ ৰাজনীতি হোৱাটো নিবিচাৰো।'

## শ্ৰদ্ধাঞ্জলি ইলা কটকী বৰুৱা



মৃত্যু জীৱনৰ এক স্বাভাৱিক প্ৰক্ৰিয়া। এই চিৰন্তন সত্যক অস্বীকাৰ কৰাৰ কোনো উপায় নাই। তথাপি ১৬ আগষ্টত ইহ সংসাৰৰ পৰা বিদায় লোৱা মোৰ খুড়ীশাহু ইলা কটকী বৰুৱাৰ বিয়োগ বিশ্বাস কৰিবলৈ বা মানি ল'বলৈ মোৰ বাবে বৰ কঠিন হৈছে। বিশ্বনাথ চাৰিআলিৰ ভিৰগাঁৱৰ দেশপ্ৰাণ লক্ষ্মীধৰ শৰ্মাৰ পৰিয়াললৈ বিয়া হৈ অহাৰ দিনৰ পৰাই খুড়ীৰ সান্নিধ্য লাভ কৰিছিলো। খুড়ী লক্ষ্মীধৰ শৰ্মাৰ ভতিজা, মানৱদৰদী আৰু সৰ্ববৰহী চিকিৎসক অতুল চন্দ্ৰ বৰুৱাৰ সুযোগ্যা পত্নী আছিল। পৰৱৰ্তী সময়ত বিভিন্ন দিশত খুড়ীৰ পাৰদৰ্শিতাৰ প্ৰমাণ পাইছিলো। পৰিয়ালৰ প্ৰতিটো অনুষ্ঠানতে তেখেতে অযাচিতভাৱে আগভাগ লৈছিল। মোৰ ব্যক্তিগত জীৱনত ৰন্ধা-বঢ়া, চুৰেটাৰ গোঠা, নজনা মন্ত্ৰ শিকা ইত্যাদিত খুড়ীৰ যথেষ্ট অৰিহণা আছিল। খুড়ীৰ ব্যক্তিত্বই মোক বৰ আকৰ্ষিত কৰিছিল; যাৰ বাবে নিঃসংকোচে তেখেতৰ ওচৰ চাপিব পাৰিছিলো আৰু বিভিন্ন ক্ষেত্ৰত উপকৃত হৈছিলো।

আমাৰ পৰিয়ালৰ বিয়া, লগুণ দিয়নী, পূজা-পাৰ্বণ আদি সকলোতে খুড়ীৰ উপস্থিতি অপৰিহাৰ্য আছিল। কাৰণ এই সকলোবোৰৰ নীতি-নিয়ম, নাম-গীত সকলো খুৰীৰ কণ্ঠস্থ আছিল। খুড়ীৰ সাহসতে মই ল'ৰাৰ লগুণ দিয়নী আৰু বিয়া সুকলমে অনুষ্ঠিত কৰিছিলো। এই গৰাকী আমাৰ মৰমৰ আৰু অতি শ্ৰদ্ধাৰ খুড়ী আজি আমাৰ মাজত নাই। এই গৰাকী পূণ্যাত্মাৰ জীৱনৰ শেষৰ দিনকেইটাত তেখেতৰ লগত থাকি তেখেতক চিৰবিদায় দিবলৈ পোৱাটো মোৰ বাবে সৌভাগ্যৰ কথা। তেখেতৰ আত্মা পৰমাত্মাৰ লগত বিলীন হৈ শান্তিত থাকক। এয়ে মোৰ প্ৰাৰ্থনা।

ওঁম শান্তি

বেবী বৰুৱা, গুৱাহাটী

## শীঘ্ৰে পকী দলং নিৰ্মাণৰ দাবী আছু-যুৱ-ছাত্ৰ পৰিষদৰ

# নোনা নৈৰ ওপৰত আজিও নহ'ল পকী দলং

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৫ আগষ্ট ঃ** নলবাৰী আৰু কামৰূপ জিলাৰ সীমা নিৰ্ধাৰণ কৰা নোনা নৈৰ ওপৰত এখন পকী দলং নিৰ্মাণ নোহোৱাত দোদতীয়াবাসীৰ লগতে অঞ্চলটোৰ বহুকেইখন গাঁৱৰ ৰাইজে যাতায়াতৰ নামত জীয়াতু ভুগি আহিছে। নৈখনে যদিও বা কামৰূপ আৰু নলবাৰী জিলাৰ সীমা নিৰ্ধাৰণ কৰিছে নৈখনৰ পূব আৰু পশ্চিম দিশত অৱস্থিত নৈখনৰ পশ্চিম দিশত গাঁওখনৰ প্ৰায় এশটা পৰিয়ালে বসবাস কৰি আহিছে। এই বাসিন্দাসকল ৰঙিয়া মহকুমাৰ অন্তৰ্গত হোৱা হেতুকে আটাইকেইটা পৰিয়ালে বজাৰ-সমাৰ, শিক্ষা-দীক্ষা আদি সকলো ক্ষেত্ৰতে নিতৌ ৰঙিয়াকেন্দ্ৰিক হৈ পৰে; কিন্তু দুখৰ বিষয় যে যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগি অহা এই পৰিয়ালকেইটাৰ ওপৰত আজিলৈকে কোনো এখন চৰকাৰৰ সুদৃষ্টি নপৰিল। গাঁওখনৰ দুয়োপাৰৰ ৰাইজে বছৰ বছৰ ধৰি নোনা নৈৰ ওপৰত এখন পকী দলং নিৰ্মাণ কৰিবলৈ দাবী জনাই আহিছে যদিও এই



পৰ্যন্ত চৰকাৰৰ চকু মেল নাখালে বুলি ৰাজহুৱা অভিযোগ উঠিছে। ইপিনে, তদানীন্তন জলসিঞ্চন মন্ত্ৰী তথা বৰ্তমান ৰঙিয়া সমষ্টিৰ বিধায়ক ভৱেশ কলিতাৰো আশ্বাস ফুটুকাৰ ফেনত পৰিণত হোৱা বুলি ৰাইজে অভিযোগ তুলিছে। ভৱেশ কলিতাই মন্ত্ৰী হৈ থাকোতে বিগত দিনত উক্ত স্থানত উপস্থিত হৈ অতি শীঘ্ৰে নোনা নৈৰ ওপৰত এখন পকী দলং নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা কৰিছিল যদিও সেয়া বাস্তৱত ৰূপায়িত নহ'ল বুলি জানিব পৰা গৈছে। উল্লেখ্য যে প্ৰতি বছৰে ৰাইজে গাঁঠিৰ ধন ভাঙি নৈখনৰ ওপৰত একোখন বাঁহৰ দলং নিৰ্মাণ কৰি অহাৰ লেখীয়াকৈ এইবেলিও খৰালি কালত এখন দলং নিৰ্মাণ কৰিছিল। দুমাহমান উক্ত দলংখন ব্যৱহাৰ কৰাৰ পাছত এইখন সম্পূৰ্ণৰূপে জৰাজীৰ্ণ হৈ পৰে। ফলত দলংখনেৰে যাতায়াত-যোগাযোগ ব্যৱস্থা সম্পূৰ্ণ বন্ধ হৈ পৰিছে। সম্প্ৰতি নৈখনৰ পশ্চিম দিশত থকা দোদতীয়াৰ পৰিয়ালকেইটাই ৰঙিয়া চহৰলৈ যোৱাৰ নামত নৰক যন্ত্ৰণা ভুগিছে বুলি ৰাজহুৱা অভিযোগ উঠিছে। তেওঁলোকে পশ্চিম দিশৰ মথাউৰটোৰে নতুবা ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বুৰবৰীৰে আহি নিজখগটা-বিলপাৰ হৈ নাৰিকুছিত উপস্থিত ৩১ নম্বৰ ৰাষ্ট্ৰীয় পথেৰে ৰঙিয়া নতুবা আন গন্তব্য স্থানলৈ যাত্ৰা আৰম্ভ কৰে। এইসকল ৰাইজে ৰঙিয়ালৈ যাবলৈ হ'লে প্ৰায় পাঁচ কিলোমিটাৰ পথৰ ওভতনি যাত্ৰা আৰম্ভ কৰে। অৱশ্যে নোনা নৈৰ ওপৰত উক্ত দলংখন নিৰ্মাণ হ'লে উক্ত অঞ্চলৰ ৰাইজে পাঁচ কিলোমিটাৰ গৈয়েই পোনে পোনে ৰঙিয়াত উপস্থিত হ'ব পাৰে। বিশেষকৈ এই দলংখন নিৰ্মাণ নোহোৱাত অঞ্চলৰ ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী, পথচাৰী, কৃষক সমাজ আদিয়ে বছৰ বছৰ ধৰি ভীষণ সমস্যাত পৰি আহিছে বুলি বিভিন্ন মহল চৰ্চিত হৈছে। সেয়েহে উক্ত সমস্যাৰাজি সন্দৰ্ভত ৰঙিয়া বিধায়ক ভৱেশ কলিতাৰ চকু মেল খাব বুলি দোদতীয়াবাসীয়ে আশা প্ৰকাশ কৰিছে। লগতে স্থানীয় আছু, যুৱ-ছাত্ৰ পৰিষদকে ধৰি বিভিন্ন দল-সংগঠনে উক্ত স্থানত শীঘ্ৰে এখন পকী দলং নিৰ্মাণৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাইছে।

## বিহপুৰীয়াৰ লাৱণ্য হাজৰিকাৰ বিয়োগত শোক



**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ২৫ আগষ্ট ঃ** বিহপুৰীয়াৰ ন নম্বৰ ৱাৰ্ডৰ নিবাসী প্ৰয়াত লক্ষী হাজৰিকাৰ সহধৰ্মিণী লাৱণ্য হাজৰিকা (৮৩)ৰ আজি পুৱা বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। ধৰ্মপ্ৰাণা মহিলাগৰাকীৰ বিয়োগত বিহপুৰীয়াত গভীৰ শোকৰ ছাঁ পৰিছে। বিহপুৰীয়া সন্মিলিত নাট্য সমাজৰ তৰফৰ পৰা প্ৰয়াত হাজৰিকাৰ বিদেহ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ একমাত্ৰ পুত্ৰ-বোৱাৰীৰ লগতে চাৰি গৰাকী জী-জোঁৱাই আৰু বহুসংখ্যক আত্মীয়ক ইহসংসাৰত এৰি যায়।

## শিৱসাগৰত পৰিবহণ নিগমৰ ৩৭ কৰ্মচাৰীক বৰ্খাস্ত

### কৰ্মচাৰীসকলৰ মাজত ব্যাপক প্ৰতিক্ৰিয়া

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৫ আগষ্ট ঃ** অসম ৰাজ্যিক পৰিবহণ নিগমে শিৱসাগৰত নিযুক্তি দিয়া ৩৭জন নিম্নবৰ্গৰ কৰ্মচাৰীক বৰ্খাস্ত কৰিছে। নিগমৰ এই অবাঞ্ছিত কাৰ্যক কেন্দ্ৰ কৰি কৰ্মচাৰীসকলৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

উল্লেখ্য যে সাক্ষাৎকাৰ মাধ্যমেৰে চলিত বৰ্ষৰ যোৱা সাত জানুৱাৰীত পৰিবহণ নিগমৰ বাছসমূহৰ বাবে নিযুক্তি দিছিল ৩৭ জন সহায়ক তথা চাফাই কৰ্মচাৰীক। কিন্তু এবছৰ নৌহওঁতেই গুৱাহাটীস্থিত পৰিচালন সঞ্চালকে এক নিৰ্দেশনাযোগে এইসকল ঠিকাভিত্তিক কৰ্মচাৰীক কোনো স্পষ্ট কাৰণ উল্লেখ নকৰাকৈয়ে কামৰ পৰা অব্যাহতি দিয়াত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। ভুক্তভোগী কৰ্মচাৰীসকলে উদ্বেগ প্ৰকাশ কৰি কয় যে তেওঁলোকে বেলেগ কাম এৰি পৰিবহণ নিগমৰ অধীনত কামত যোগদান কৰিছিল। এতিয়া কোনো কাৰণ নোহোৱাকৈ কামৰ পৰা অব্যাহতি দিয়াত তেওঁলোকৰ ভৱিষ্যৎ অনিশ্চয়তাৰ মাজত সোমাই পৰিছে। ইপিনে, কৰ্মচাৰীসকলক অব্যাহতি দি বিমোৰত পৰিছে শিৱসাগৰ জিলা পৰিবহণ নিগম। অধীক্ষক সত্যজিৎ গগৈয়ে বিগত সময়ছোৱাত অসম ৰাজ্যিক পৰিবহণ নিগমৰ পৰিচালন সঞ্চালক ৰাহুল দাসৰ নিৰ্দেশনা মতেই এখন ব'ৰ্ড গঠন কৰি বৈধ প্ৰক্ৰিয়াৰে এইসকল যুৱকক নিযুক্তি দিয়া হৈছিল বুলি সদৰী কৰিছে। লক্ষ্যণীয় যে পৰিবহণ নিগমে অ' এন জি চিত শতাধিক বাছ দি থৈছে আৰু কামৰ পৰা অব্যাহতি দিয়া এই ৩৭জন কৰ্মচাৰী এই বাছসমূহত নিয়োজিত হৈ আছিল।

## মধ্যাহ্ন ভোজন আঁচনি ব্যক্তিগতকৰণ বন্ধ কৰাৰ দাবীত গোৱালপাৰাত ধৰ্ণা

### চাৰিদফীয়া দাবীৰে মুখ্যমন্ত্ৰীক স্মাৰক প্ৰদান



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৫ আগষ্ট ঃ** মধ্যাহ্ন ভোজন আঁচনি ব্যক্তিগতকৰণ বন্ধ কৰাৰ দাবীত আজি গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়নে ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। বেনাৰ আৰু প্লে'কাৰ্ডেৰে সুসজ্জিত হৈ প্ৰায় অৰ্ধ-সহস্ৰাধিক ৰন্ধন কৰ্মীয়ে তেওঁলোকৰ বিভিন্ন দাবীৰ সমৰ্থনত শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। পাছত সদৌ অসম মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়নৰ গোৱালপাৰা জিলা কমিটীৰ সভানেত্ৰী আৰু সম্পাদিকা ক্ৰমে মামুনী বেগম আৰু মাধৱী ৰায়ে জিলা উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰে । স্মাৰকপত্ৰত উল্লেখ কৰা দাবীসমূহ হ'ল 'মধ্যাহ্ন ভোজন আঁচনি (পি এম পোষণ) ব্যক্তিগতকৰণ বন্ধ কৰা, সাত মাহৰ অনাদায় মাননি শীঘ্ৰে আদায় দিয়া, ন্যুনতম মজুৰি আইনমতে ৰন্ধন কৰ্মীক মাহিলি পাৰিতোষিক আদায় দিয়া আৰু বিদ্যালয় সংলগ্নীকৰণৰ নামত ৰাজহুৱা শিক্ষাৰ সংকোচন আৰু ৰন্ধন কৰ্মীক কৰ্মচ্যুত কৰাৰ নীতি বাতিল কৰা।' স্মাৰক পত্ৰত আৰু উল্লেখ কৰা মতে মধ্যাহ্ন ভোজন আঁচনিখন অসম চৰকাৰে 'অক্ষয় পাত্ৰ ফাউণ্ডেচন' নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানলৈ হস্তান্তৰ কৰিবলৈ উঠি পৰি লাগিছে। যি সময়ত দেশৰ বহু কেইখন ৰাজ্যৰ চৰকাৰে নিজাববীয়াকৈ ৰন্ধন কৰ্মীসকলৰ মাননি বৃদ্ধি কৰাকে ধৰি উৎসৱ ভাট্টা, কাপোৰ, বীমাৰ সুবিধা আদি প্ৰদান কৰি আহিছে ঠিক সেই সময়তে অসমৰ ৰন্ধন কৰ্মীসকলে মাহিলী মাত্ৰ ১৫০০ টকাকৈ বছৰি ১০ মাহৰহে মাননি লাভ কৰি আহিছে। ইপিনে, চলিত বৰ্ষৰ সাত মাহ উকলি যোৱাৰ পাছতো আজিলৈকে মাননি আদায় দিয়া নাই। আনহাতে, চৰকাৰী বিদ্যালয়সমূহত প্ৰয়োজনীয় শিক্ষক নিয়োগকে ধৰি আন্তঃগাঁথনিৰ দুৰ্বলতা আঁতৰ নকৰি শিক্ষাৰ্থীৰ অভাৱৰ অজুহাতত বিদ্যালয় একত্ৰীকৰণে দৰিদ্ৰ পৰিয়ালৰ সন্তানৰ শিক্ষা গ্ৰহণত বাধা সৃষ্টিৰ লগতে ৰন্ধন কৰ্মীও কৰ্মচ্যুত হোৱা বুলিও স্মাৰকপত্ৰত উল্লেখ কৰিছে ।

## বিহপুৰীয়াত ছাত্ৰীক ঘৰত আবদ্ধ কৰি নিৰ্যাতন ঃ আটক অভিযুক্ত

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ২৫ আগষ্ট ঃ** বিহপুৰীয়াৰ সমীপৰ মৰনৈ গ্ৰেজিং গাঁৱত কালি বিয়লি এক জঘন্য কাণ্ড সংঘটিত হয়। কলেজৰ পৰা ঘৰলৈ যোৱা অৱস্থাত উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষত অধ্যয়নৰত এগৰাকী ছাত্ৰীক মইজুল ইছলাম (৪০) নামৰ এটা পাষণ্ডই নিৰ্যাতন চলায়। চাৰিটা সন্তানৰ পিতৃ মইজুলে ইউনিফৰ্ম পৰিহিত কিশোৰী ছাত্ৰীগৰাকীক কৌশলেৰে ঘৰলৈ মাতি নি কোঠাত আৱদ্ধ কৰি উপৰ্যুপৰি নিৰ্যাতন চলায়। ঘৰত পত্নী থকাৰ সময়তে মইজুলে সংঘটিত কৰে এই নিকৃষ্ট কাণ্ড। পৰৱৰ্তী সময়ত কিশোৰীগৰাকীক পৰিয়ালৰ লোকে আৰক্ষীৰ সহায়ত মইজুলৰ ঘৰৰ পৰা উদ্ধাৰ কৰে। বিহপুৰীয়া আৰক্ষীয়ে পৰিয়াল তথা ছাত্ৰীগৰাকীৰ অভিযোগৰ ভিত্তিত নিশাই আটক কৰে মইজুলক। আমছুৰ বিহপুৰীয়া আঞ্চলিক সমিতিয়ে কিশোৰী নিৰ্যাতনকাৰী মইজুলক দৃষ্টান্তমূলক শাস্তিৰ দাবী তুলিছে। উল্লেখ্য যে অভিযুক্ত ব্যক্তিজন পূৰ্বেও এনেধৰণৰ দুষ্কাৰ্যত জড়িত বুলি আমছুৱে অভিযোগ উত্থাপন কৰিছে।

## ঔগুৰিত সংঘটিত হোৱা নৃশংস হত্যাকাণ্ডৰ মূল অভিযুক্তক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ২৫ আগষ্ট ঃ** যোৰহাট জিলাৰ ভগামুখ আৰক্ষী থানাৰ অন্তৰ্গত ঔগুৰি চুমৈমৰাত সংঘটিত নৃশংস হত্যাকাণ্ডত অনন্ত বৰুৱা ওৰফে ভাইকণ নামৰ এজন ম'হৰ গুৱালৰ মৃতদেহ উদ্ধাৰ হৈছিল মৰি নদীৰ এটা পিতনিত। ঘটনাস্থলীত ভগামুখ আৰক্ষী উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰি ঘটনাৰ তদন্ত অব্যাহত ৰাখি উক্ত নিশা পাঁচজন যুৱকক আটক কৰে যদিও আৰক্ষীৰ তদন্তত একে গাঁৱৰে মধু গগৈ নামৰ যুৱকজনে উক্ত নৃশংস হত্যাকাণ্ড সংঘটিত কৰাৰ কথা ইতিমধ্যে স্বীকাৰ কৰিছে যদিও কি কাৰণত এনে নৃশংস হত্যাকাণ্ড সংঘটিত কৰিলে সেই কথা জানিব পৰা হোৱা নাই। ইপিনে, এই ঘটনাত আন কোনো লোক জড়িত থকাৰ সন্দেহত স্নিফাৰ ডগৰ সহায়ত আৰক্ষীয়ে অধিক তদন্ত অব্যাহত ৰাখিছে।

## মধ্যাহ্ন ভোজন আঁচনি ব্যক্তিগতকৰণ-অন্যান্য দাবীৰ সমৰ্থনত মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ২৫ আগষ্ট ঃ** মধ্যাহ্ন ভোজন আঁচনি (পি এম পোষণ) ব্যক্তিগতকৰণ বন্ধ কৰা, সাত মাহৰ অন্যান্য মাননি আদায় দিয়া আৰু ন্যূনতম মজুৰি আদায় বিদ্যালয়ৰ সংলগ্নীকৰণৰ নামত ৰাজহুৱা শিক্ষাৰ সংকোচন আৰু ৰন্ধন কৰ্মীক কৰ্মচ্যুত কৰাৰ নীতি বাতিল আদি দাবী সম্বলিত সদৌ অসম মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়ন লখিমপুৰ কমিটীয়ে লখিমপুৰ জিলা শিক্ষা বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰলৈ এক স্মাৰকপত্ৰ প্ৰেৰণ কৰে। কমিটীয়ে ক্ষোভ উজাৰি কয় যে ৰন্ধন কৰ্মীসকলে দীৰ্ঘদিনৰ পৰা কৰি অহা দাবীসমূহ চৰকাৰে কোনো ধৰণৰ উদ্যোগ গ্ৰহণ নকৰি নতুন নতুন সমস্যা সৃষ্টি কৰাতহে ব্যস্ত হৈ পৰিছে। কমিটীৰ সভানেত্ৰী মায়াৱতী পায়েঙে কয় যে অসম চৰকাৰে অক্ষয় প্ৰাত্ৰ ফাউণ্ডেছ্যনৰ নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানলৈ হস্তান্তৰ কৰিবলৈ উঠি পৰি লাগিছে ইয়াৰ ফলত শিশুসকলৰ সতেজ ৰন্ধা খাদ্যৰ পৰা বঞ্চিত হ'ব।

## মৰাণত সাংবাদিকৰ সম্বৰ্ধনা সভা

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ২৫ আগষ্ট ঃ** মৰাণ মহকুমা সাংবাদিক মঞ্চই অহা কাইলৈ দিনৰ তিনি বজাত মৰাণ শাখা চাহ মজদুৰ সংঘৰ কাৰ্যালয়ৰ সভাকক্ষত চলিত বৰ্ষত সাংবাদিক পেঞ্চনৰ সন্মান লাভ কৰা মৰাণ অঞ্চলৰ প্ৰথমগৰাকী সাংবাদিক বাছা বৰাক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনাবলৈ এখন ৰাজহুৱা সম্বৰ্ধনা সভা অনুষ্ঠিত কৰিছে। উক্ত অনুষ্ঠানতে প্ৰসন্ন দত্ত সোঁৱৰণী বঁটাপ্ৰাপক সাংবাদিক সঞ্জয় নাগকো সম্বৰ্ধনা জনোৱা হ'ব বুলি মৰাণ মহকুমা সাংবাদিক মঞ্চৰ সভাপতি অজিত চুতীয়া, সম্পাদক যদুনাথ পুৰী আৰু মৰাণ মণ্ডলৰ মাণ্ডলিক সম্পাদক তপোব্ৰত গগৈয়ে জানিবলৈ দিছে।

## গোৱালপাৰাত উলামা-ই-হিন্দৰ সদ্ভাৱনা সংসদৰ আয়োজন

**কৃষ্ণাই, ২৫ আগষ্ট ঃ** জমিয়ত উলামা-ই-হিন্দৰ 'সদ্ভাৱনা মঞ্চ'ই দেশৰ ভিন্নধৰ্মী লোকৰ মাজত সম্প্ৰীতি তথা সদ্ভাৱ বৃদ্ধি কৰি দেশক আগুৱাই নিয়াৰ স্বাৰ্থত বিভিন্ন ধৰ্মীয় নেতা, শান্তিকামী নাগৰিক, সচেতন মহল, বুদ্ধিজীৱী, সংবাদকৰ্মী আৰু সমাজসেৱকসকলক একত্ৰিত হৈ সেই সন্দৰ্ভত বিভিন্ন স্তৰত আলোচনা- পৰ্যালোচনা আৰু বিচাৰ-বিবেচনা কৰাৰ বাবে আহ্বান জনাই বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। এই উপলক্ষে জমিয়ত উলামা-ই-হিন্দৰ আহ্বানত অহা ২৮ আগষ্টত সমগ্ৰ ভাৰতৰ প্ৰতিখন জিলা সদৰতে একেদিনাই সদ্ভাৱনা সংসদ অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে। গোৱালপাৰা জিলাতো গোৱালপাৰা জিলা জমিয়তৰ উদ্যোগত অহা ২৮ আগষ্টত জিলা কৃষি প্ৰশিক্ষণ কেন্দ্ৰ, গোৱালপাৰা প্ৰেক্ষাগৃহত দিনৰ ১১ বজাত অনুষ্ঠিত হ'ব এই সদ্ভাৱনা সংসদ। উক্ত সদ্ভাৱনা সংসদত অংশগ্ৰহণ কৰিবলৈ সংশ্লিষ্ট সকলোকে আহ্বান জনাইছে গোৱালপাৰা জিলা জমিয়ত উলামাৰ সভাপতি ইজ্জত আলী মণ্ডল আৰু সম্পাদক আব্দুল হায়ে।

## মৰাণত শিশুৰ মৃত্যুক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতি

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ২৫ আগষ্ট ঃ** এটি ছয় বছৰীয়া শিশুৰ মৃত্যুক কেন্দ্ৰ কৰি আজি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয় মৰাণৰ সমীপৰ খুমটাই চাহ বাগিচাত। খুমটাই চাহ বাগিচাৰ সাগৰ তাঁতী আৰু বিদ্যা তাঁতীৰ ছয় বছৰীয়া কন্যা পৰি তাঁতী যোৱা নিশা হঠাৎ অসুস্থ হোৱাত ওচৰৰ খুমটাই চাহ বাগিচাৰ চিকিৎসালয়লৈ নিয়ে। চিকিৎসালয়খনত কোনো চিকিৎসক নথকাত নাৰ্ছে সামান্য ঔষধ দি তিলৈ ৰাজ্যিক চিকিৎসালয়লৈ যাবলৈ অনুমতি দিয়ে। বাগানৰ এম্বুলেন্সৰে তিলৈলৈ শিশুটিক অনা হয় যদিও শিশুটিৰ অৱস্থা সংকটজনক হোৱাত চিকিৎসকে ডিব্ৰুগড় মেডিকেললৈ নিবলৈ অনুমতি দিয়ে। একেখন এম্বুলেন্সতে শিশুটিক মেডিকেললৈ নিয়া হয় যদিও আধা বাটতে এম্বুলেন্সখন বিকল হৈ পৰে। ইফালে, মেডিকেল পোৱাৰ পাছতে শিশুটিক মৃত ঘোষণা কৰে চিকিৎসকে। এই ঘটনাক কেন্দ্ৰ কৰিয়েই আজি খুমটাই বাগানৰ চিকিৎসালয়খনত স্থানীয় ৰাইজে এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। বাগান কৰ্তৃপক্ষই চিকিৎসালয়খনত এজন চিকিৎসক ৰাখিব নোৱাৰাত ৰাইজ ক্ষোভিত হৈ পৰে। লগতে চিকিৎসালয়খনত এখন ভাল এম্বুলেন্স নথকাত বাগানৰ কৰ্মচাৰীসকলে বাগান কৰ্তৃপক্ষৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰীয়ে সকলো বাগান কৰ্তৃপক্ষক বাগিচা অঞ্চলৰ লোকসকলৰ স্বাস্থ্যৰ প্ৰতি সজাগ হ'বলৈ নিৰ্দেশ দি অহাৰ পাছতো একাংশ বাগানৰ পৰিচালকে বাগিচা অঞ্চলৰ লোকসকলৰ কথা অলপো চিন্তা নকৰে বুলি ৰাইজে অভিযোগ কৰিছে। যাৰ পৰিপ্ৰেক্ষিতত এনে ধৰণৰ ঘটনাবিলাক হ'বলৈ ধৰিছে।

## বিলকিছ বানোৰ গণ ধৰ্ষণকাৰীসকলৰ মুক্তিৰ বিৰুদ্ধে গোৱালপাৰাত প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৫ আগষ্ট ঃ** গুজৰাটৰ বিলকিচ বানুৰ গণ ধৰ্ষণকাৰী আৰু শিশু কন্যাসহ পৰিয়ালৰ হত্যাকাৰীসকলক মুক্তি দিয়াৰ বিৰুদ্ধে যোৱা ২৪ আগষ্টত গোৱালপাৰা চহৰৰ দুৰ্গামন্দিৰত এআইএমএছএছ আৰু এআইডিএছঅ'ৰ কাৰ্যকৰ্তাসকলে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে বেনাৰৰ লগতে হাতে হাতে প্লেকাৰ্ড লৈ 'বিলকিচ বানুৰ হত্যাকাৰীক কিয় মুক্তি দিয়া হ'ল চৰকাৰৰ জবাব লাগে জবাব দিয়ক, বিলকিচ বানু আৰু তেওঁৰ পৰিয়ালৰ গণহত্যাকাৰীক শাস্তি দিয়াৰ ব্যৱস্থা কৰক, গণধৰ্ষণকাৰীক পুনৰ গ্ৰেপ্তাৰ কৰি ফাঁচি দিয়ক' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। উল্লেখ্য যে ২০০২ত গুজৰাটত বিলকিচ বানু আৰু তেওঁৰ পৰিয়ালৰ শিশুসহ সাতজনক ১১ জনীয়া দুৰ্বৃত্তৰ দল এটাই গণধৰ্ষণ কৰি হত্যা কৰিছিল। উক্ত ঘটনাক লৈ গুজৰাট উচ্চ ন্যায়ালয়ে ১১ জনক যাৱজ্জীৱন কাৰাদণ্ড দিছিল। কিন্তু গুজৰাট চৰকাৰে যোৱা ১৫ আগষ্টৰ স্বাধীনতাৰ দিনা এই ধৰ্ষণকাৰী তথা হত্যাকাৰীক মোকোলাই দিয়ে।




## কমলাবাৰী উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত সম্বৰ্ধনা সভা

# মাজুলীৰ নাৰীৰ উচ্চ শিক্ষাৰ বাটকটীয়া বিদ্যালয়খনৰ ঐতিহ্য ৰক্ষাৰ প্ৰস্তাৱ গ্ৰহণ

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ২৫ আগষ্ট ঃ** মাজুলীৰ প্ৰথমখন নাৰীৰ উচ্চ শিক্ষানুষ্ঠান কমলাবাৰী উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৰেন ঠাকুৰীয়াৰ সভাপতিত্বত এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। ছাত্ৰ-ছাত্ৰীসকলৰ সমবেত সংগীতেৰে আৰম্ভ হোৱা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে প্ৰধান শিক্ষক যোগেন শইকীয়াই। সভাত চাকৰিৰ পৰা অৱসৰ লোৱা প্ৰধান শিক্ষক লীলাকান্ত বৰা, সহ শিক্ষক ৰঞ্জিৎ কুমাৰ ভূঞা আৰু নৰেন্দ্ৰ নাথ বৰাক বিদায় সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়ৰ সভাকক্ষলৈ আদৰি আনি একোখন চেলেং, সঁফুৰা আৰু সম্বৰ্ধনা পত্ৰৰে অলংকৃত কৰি শিক্ষকতাৰ সময়ছোৱাত শিক্ষাগুৰুসকলৰ আত্মত্যাগৰ স্মৃতিচাৰণ কৰি এক আৱেগিক পৰিৱেশৰ সূচনা হয়। এই সভাতেই অলপতে এই বিদ্যালয়ৰ সহকাৰী শিক্ষক ৰাষ্ট্ৰীয় বঁটাৰে বিভূষিত, সমাজকৰ্মী অতুল হাজৰিকাকো বিপুলভাৱে সম্বৰ্ধনা জনোৱা হয়। সভাত উপস্থিত থাকি শিক্ষাগুৰুসকলৰ শৈক্ষিক জীৱনৰ সান্নিধ্য সুঁৱৰি কমলাবাৰী একাডেমীৰ প্ৰধান শিক্ষয়িত্ৰী আশা হাজৰিকাই কেউজন



শিক্ষকক বিদ্যালয়খনৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰে। একেদৰে বিদ্যালয় উন্নয়ন সমিতিৰ উপ-সভাপতি, অৱসৰপ্ৰাপ্ত শিক্ষক তথা নতুন কমলাবাৰী সত্ৰৰ দিলীপ শৰ্মা বুঢ়াভকতে শিক্ষানুষ্ঠানখনৰ পৰা আত্মত্যাগ আৰু আদৰ্শ বৰ্তমানৰ শিক্ষাগুৰুসকলেও গ্ৰহণ কৰাৰ আহ্বান জনাই শিক্ষকসকলক ব্যক্তিগতভাৱে সম্বৰ্ধনা জনায়। তদুপৰি বিদ্যালয়ৰ প্ৰতিটো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলেও গুৰুসকলক শ্ৰদ্ধা নিবেদন কৰে। সভাত গড়মূৰ সদৰ প্ৰাথমিক বিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক পূৰ্ণানন্দ কলিতা, মাজুলী জিলা মইনা পাৰিজাতৰ সভাপতি লোহিত বৰা, বিদ্যালয় প্ৰতিষ্ঠা কালৰে অৱসৰপ্ৰাপ্ত শিক্ষক যুগল বৰা আদি কে'বাগৰাকীও বিশিষ্ট ব্যক্তিয়ে বক্তব্য ৰখাৰ উপৰি অভিভাৱক, ছাত্ৰ-ছাত্ৰীসকলৰ ফালৰ পৰা শিক্ষাগুৰুসকলৰ সান্নিধ্য সোঁৱৰণত বক্তব্য ৰাখে। সম্বৰ্ধনা গ্ৰহণ কৰা শিক্ষকসকলৰ ফালৰ পৰা শৈক্ষিক জীৱনৰ সোঁৱৰণ কৰে। সভাত সহকাৰী শিক্ষক জীৱন শইকীয়াৰ পৰিচালনাত বৰগীত আৰু ছাত্ৰ-ছাত্ৰীসকলে মনোজ্ঞ সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। সভাত মাজুলীত স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি মাজুলীৰ শিক্ষা জগতৰ ইতিহাস বিৰল আদৰ্শৰ প্ৰতিভূ মাজুলীৰ প্ৰথমখন নাৰীৰ উচ্চ শিক্ষানুষ্ঠান কমলাবাৰী উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ ইতিহাস যাতে কোনো কাৰণতে বিঘ্নিত নহয় তাৰ বাবে অসম চৰকাৰলৈ দাবী জনাই সৰ্বসন্মতিক্ৰমে সভাত এক গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গৃহীত কৰে।

### পুৰুষৰ ডাবলছ শাখাৰ অন্তিম আঠত ভাৰতৰ দুই যুটি

# বিশ্ব বেডমিণ্টনৰ কোৱাৰ্টাৰত প্ৰণয়





## বিদায় ছাইনা নেহৱালৰ

**টকিঅ', ২৫ আগষ্ট ঃ** ভাৰতৰ এইচ এছ প্ৰণয়ে চলিত বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপৰ পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি হোৱা প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰণয়ে কমনৱেলথ গেমছৰ স্বৰ্ণজয়ী ভাৰতৰে লক্ষ্য সেনক পৰাস্ত কৰি একক কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। ইফালে চলিত বিশ্ব চেম্পিয়নশ্বিপত ভাৰতৰ ধ্ৰুৱ কপিলা আৰু এম আৰ অৰ্জুনৰ পুৰুষৰ ডাবলছ যুটিৰে নিজৰ আকৰ্ষণীয় দৌৰ অব্যাহত ৰাখি অন্তিম আঠত প্ৰৱেশ কৰে। লক্ষ্য আৰু প্ৰাণয়ৰ মাজত এঘণ্টা ১৫ মিনিটৰ খেলৰ অন্তত ১৭-২১, ২১-১৬, ২১-১৭ ৰ ব্যৱধানত জয়ী হয় প্ৰণয়। এতিয়া কোৱাৰ্টাৰ ফাইনেলত প্ৰণয় মুখামুখি হ'ব চীনৰ ঝাও জুন পেঙৰ বিৰুদ্ধে। ইফালে, প্ৰণয়ৰ এই সফলতাৰ পাছতে ভাৰতীয় পুৰুষৰ দুই ডাবলছ যুটি ধ্ৰুৱ কপিলা আৰু এম আৰ অৰ্জুন আৰু সাতৱিকছাইৰাজ ৰংকিৰেড্ডী আৰু চিৰাগ ছেট্টীয়েও কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। অৱশ্যে অলিম্পিকৰ ব্ৰঞ্জৰ পদক বিজয়ী ছাইনা নেহৱালে আজি মহিলা একক শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত বুছানান অংবামৰুংফানৰ বিৰুদ্ধে পৰাস্ত হৈ বিশ্ব চেম্পিয়নশ্বিপৰ পৰা বাহিৰ হয়। থাইলেণ্ডৰ প্ৰতিদ্বন্দ্বীয়ে ১৭-২১, ২১-১৬, ১৩-২১ ৰ ব্যৱধানত পৰাস্ত কৰে ভাৰতীয় খেলুৱৈগৰাকীক।

## প্ৰাইজমানি ফুটবলত ঘগ্ৰাপাৰৰ জয়

**অগ্ৰদুত বাৰ্তা, ঘগ্ৰাপাৰ, ২৫ আগষ্ট ঃ** নলবাৰী জিলাৰ বড়িদতৰাত নৱজ্যোতি সংঘৰ উদ্যোগত মেঘালী বৰ্মন, ডাঃ চিৰাজ উদ্দিন আহমেদ আৰু তাহেৰ আলী সোঁৱৰণী প্ৰাইজমানি চলন্ত ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত উদ্বোধনী খেল খনত নৱজ্যোতি সংঘক ঘগ্ৰাপাৰ ক্ৰীড়া সন্থাই ২- ০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰগতি লাভ কৰে । খেল উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ হামিদ আলীয়ে আৰু বনভাগ মহাবিদ্যালয়ৰ অধ্যক্ষ যোগেন্দ্ৰ কলিতাই সংঘৰ পতাকা উত্তোলন কৰে। খেলখন পৰিচালনা কৰে নৰজিৎ কলিতা,গৌতম কলিতা,জেহেৰুল আমিনে। পৰৱৰ্তী খেলখন অহা ২৮ আগষ্টত কেতেকীবাৰী এফ চি আৰু ৰঙিয়া এফ চি ৰ মাজত অনুষ্ঠিত হ'ব।

### ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা

## গুৱাহাটীত ড্ৰ খেলিলে আৰ্মি গ্ৰীণ-দিল্লী এফ চিয়ে

**গুৱাহাটী, ২৫ আগষ্ট ঃ** অসম চৰকাৰৰ সহযোগত তথা ভাৰতীয় সেনা বহিনীৰ উদ্যোগত চলি থকা ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ আজি গুৱাহাটীত অনুষ্ঠিত হোৱা দিনটোৰ প্ৰথমখন মেচত আৰ্মি গ্ৰীণ দলে সুদেবা দিল্লী এফ চিৰ বিৰুদ্ধে গ'লশূন্য ড্ৰ খেলি পইণ্ট ভগাই লয়। ফলত গ্ৰুপ 'ডি'ৰ পৰা কোৱাৰ্টাৰ ফাইনেললৈ যোগ্যতা অৰ্জনৰ সুযোগ পাঁচোটা দলৰ বাবে এতিয়াও মুকলি আছে। সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত হোৱা আজিৰ গ্ৰুপ 'ডি'ৰ গুৰুত্বপূৰ্ণ মেচখনত আৰ্মি গ্ৰীন দলে তিনি পইণ্ট লাভ কৰিলে দলৰ অন্তিম আঠলৈ যোগ্যতা প্ৰায় নিশ্চিত হ'লহেতেন। কাৰণ আৰ্মি গ্ৰীণ দলে প্ৰথম মেচত জয়ী হৈছিল নৰ্থ ইষ্ট ইউনাইটেডৰ বিৰুদ্ধে। অৱশ্যে এতিয়াও দল দৃঢ় স্থিতিতে আছে। বিপৰীতে দিল্লী এফ চিয়ে নিজৰ দ্বিতীয় মেচতো জয়ৰ মুখ নেদেখাত পৰৱৰ্তী দুয়োখন মেচ দলৰ বাবে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ দৃষ্টিৰে মৰণপণ হ'ব। উল্লেখ্য যে দিল্লী এফ চিয়ে ইয়াৰপূৰ্বে প্ৰথমখন মেচতো কেৰালা ব্লাষ্টাৰ্ছৰ বিৰুদ্ধে ড্ৰ খেলি পইণ্ট ভগাই লৈছিল। আৰ্মি গ্ৰীণ দলে গ্ৰুপৰ তৃতীয় মেচখন অহা ৩১ আগষ্টত খেলিব কেৰালা ব্লাষ্টাৰ্ছ এফ চিৰ বিৰুদ্ধে। আনহাতে, সুদেবা দিল্লী এফ চিয়ে অহা ২৯ আগষ্টত তৃতীয় মেচখন খেলিব ওড়িছা এফ চিৰ বিৰুদ্ধে। এই মেচ দুখনৰ ফলাফলে গ্ৰুপ 'ডি'ৰ কোৱাৰ্টাৰ ফাইনেলিষ্ট নিৰ্ণয়ত ভূমিকা ল'ব। সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামতে দুয়োখন মেচ হ'ব।



## আজি ইম্ফলত ছাউথ ডাৰ্বি

## কলকাতাত জামছেদপুৰৰ মুখামুখি হ'ব এফ চি গোৱা

**কলকাতা, ২৫ আগষ্ট ঃ** চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ কাইলৈ হ'ব লগা প্ৰথমখন মেচত হায়দৰাবাদ এফ চি মুখামুখি হ'ব চেন্নাইয়ান এফ চিৰ। দিনৰ তিনি বজাত গ্ৰুপ 'চি'ৰ এই মেচখন অনুষ্ঠিত হ'ব ইম্ফলৰ খুমান লাম্পাক ষ্টেডিয়ামত। উল্লেখ্য যে আই এছ এলৰ বৰ্তমানৰ চেম্পিয়ন হায়দৰাবাদ এফ চিয়ে প্ৰথম মেচত জয়ী হৈছিল ট্ৰাউ এফ চিৰ বিৰুদ্ধে। বিপৰীতে আই এছ এলৰ পূৰ্ব চেম্পিয়ন চেন্নাইয়ান এফ চিয়ে প্ৰথম মেচখন আৰ্মি ৰেড দলৰ বিৰুদ্ধে ড্ৰ খেলিছিল। ইফালে, নিশা ছয় বজাত কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত হ'ব লগা কাইলৈৰ দ্বিতীয় মেচত গ্ৰুপ 'এ'ৰ দুই দল জামছেদপুৰ এফ চি আৰু এফ চি গোৱা মুখামুখি হ'ব। জামছেদপুৰৰ বাবে এই মেচ মৰণপণ। দলে প্ৰথম দুখন মেচত পৰাস্ত হৈছে বাংগালুৰু এফ চি আৰু মহমেদান স্প'টিঙৰ বিৰুদ্ধে। কাইলৈ পৰাস্ত মানেই বিদায়। ইফালে, গোৱা দলে প্ৰথম মেচত মহমেদানৰ বিৰুদ্ধে ব্যৰ্থ হ'লেও দ্বিতীয় মেচত বায়ু সেনাক পৰাস্ত কৰি প্ৰত্যাবৰ্তন কৰিছে।

## কামৰূপ লীগত আমিনগাঁৱৰ জয়

**অগ্ৰদূতবাৰ্তা**
**শুৱালকুছি, ২৫ আগষ্ট ঃ** কামৰূপ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু শুৱালকুছি ক্ৰীড়া সন্থাৰ সহযোগত আৰম্ভ হোৱা আন্তঃবিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী খেলত আজি আমিনগাঁও পি এছ এ জয়লাভ কৰে। শুৱালকুছি মাধৱদেৱ ক্ষেত্ৰত অনুষ্ঠিত খেলখনত আমিনগাঁও পি এছ এ ই হালোগাও ক্ৰীড়া সন্থাক ৩-১ গলৰ ব্যৱধানত পৰাস্ত কৰে। কাইলৈ শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু শুৱালকুছি গণেশ দাস হাইস্কুলৰ মাজত খেল অনুষ্ঠিত হ'ব।



## ৰাষ্ট্ৰীয় ক্ৰীড়ালৈ অসম জুডো দল

**গুৱাহাটী, ২৫ আগষ্ট ঃ** গুজৰাটৰ গান্ধী নগৰত অনুষ্ঠিত হ'বলা নেচনেল গেমচৰ বাবে অসমৰ পাঁচ গৰাকী জুডোকাই অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিছে। উল্লেখ্য যে ছিনিয়ৰ নেচনেল জুডো চেম্পিয়নশ্বিপৰ পাৰদৰ্শিতাৰ ওপৰত জুডো ফেডাৰেচন অৱ ইণ্ডিয়াই এটা ওজনৰ শাখাত ১৬ জনকৈ মুঠ সাতটাকৈ পুৰুষ মহিলা ওজন শাখাত ২২৪ গৰাকী জুডোকাৰ নাম প্ৰকাশ কৰিছে। তালিকাত আয়োজক ৰাজ্য গুজৰাটৰ খেলুৱৈৰ আৰু সদ্য সমাপ্ত কমনৱেলথ গেমচত ভাৰতক প্ৰতিনিধিত্ব কৰা খেলুৱৈসকলকো অন্তৰ্ভুক্ত কৰা হৈছে। নেচনেল গেমচত মহিলাৰ সাতটা আৰু পুৰুষৰ সাতটা ওজনৰ শাখাত জুডো অনুষ্ঠিত হ'ব। অসমৰ খেলুৱৈ সকল হৈছে, মহিলা ঃ পুজা বসুমতাৰী আৰু ৰাজীকা বড়ো, পুৰুষ ঃ পল্লৱজ্যোতি গোহাঁই, দীনবন্ধু আৰু চানক্য গগৈ।

## ফুটবল প্ৰতিযোগিতাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা, মাটিয়া, ২৫ আগষ্ট ঃ** গোৱালপাৰা জিলাৰ ডুবাপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ক্ৰীড়াংগনত অহা আঠ ছেপ্টেম্বৰৰ পৰা ডুবাপাৰা আঞ্চলিক ফুটবল প্ৰতিযোগিতা আয়োজন কৰা হৈছে । প্ৰতিযোগিতাখনৰ চূড়ান্ত বিজয়ী দলক ট্ৰফীসহ নগদ ৩০ হেজাৰ টকা আৰু বিজিত দলক ট্ৰফীসহ নগদ ২০ হেজাৰ টকাৰে পুৰস্কৃত কৰা হ'ব । প্ৰতিযোগিতাখনৰ ভৰ্তি মাচুল এক হেজাৰ টকা । প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব বিচৰা ইচ্ছুক ফুটবল দল সমূহক ৭০০২-৬১৬৪২৮, ৭০০২৯-১০৯৭৮,।৯৮৫৪৯-২০৯২০,। ৭০০২৩-৭৬৪৬০,।৭০০২০-২৬৬৯৮ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে ডুবাপাৰা আঞ্চলিক ফুটবল প্ৰতিযোগিতা পৰিচালনা সমিতিয়ে।

## সাত ছেপ্টেম্বৰৰ পৰা উপ-ক্ৰীড়া সন্থাৰ লীগ

**যোৰহাট , ২৫ আগষ্ট ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ আন্তঃউপ ক্ৰীড়া সন্থা ফুটবল লীগ প্ৰতিযোগিতাখনি ২৫ আগষ্টৰ পৰা যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা কথা আছিল যদিও অহা ২৯ আগষ্টৰ পৰা যোৰহাট ষ্টেডিয়ামত অসম ফুটবল সন্থাৰ ক্ষিৰোদ বৰুৱা আন্ত জিলা ছিনিয়ৰ ফুটবল প্ৰতিযোগিতাখনি যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱাত এতিয়া পিছুৱাই দিয়া হৈছে। ফুটবল সম্পাদক ফাইজউদ্দিন আহমেদে জনাইছে যে উপ ক্ৰীড়া সন্থাৰ ফুটবল লীগ প্ৰতিযোগিতাখনি এতিয়া সাত ছেপ্টেম্বৰৰ পৰা অনুষ্ঠিত হ'ব।

### পুনৰ চমক ৰাজস্থান ইউনাইটেড এফ চিৰ

## দ্বিতীয় মেচতো জয়ৰ পৰা বিমুখ হৈ চাপত ইষ্ট বেংগল

**কলকাতা, ২৫ আগষ্ট ঃ** ভাৰতীয় ফুটবলৰ নৱাগত ক্লাব ৰাজস্থান ইউনাইটেড এফ চিয়ে চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত আজি আন এক চমক সৃষ্টি কৰিলে। এ টি কে মোহন বাগানক কলকাতাৰ মাটিত পৰাস্ত কৰি অভিযান আৰম্ভ কৰা ৰাজস্থান ইউনাইটেডে আজি 'চিটি অব জয়'ত হোৱা দ্বিতীয়খন মেচত ইষ্ট বেংগলৰ বিৰুদ্ধে ড্ৰ খেলি নিজৰ অপৰাজেয় যাত্ৰা অব্যাহত ৰাখে। স্বাভাৱিকতে এয়া অনন্য সফলতা ৰাজস্থান দলৰ। উল্লেখ্য যে আজি কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগনত হোৱা গ্ৰুপ 'বি' মেচখন ইষ্ট বেংগল ক্লাবৰ বাবে গুৰুত্বপূৰ্ণ আছিল। কাৰণ দলে প্ৰথম মেচতো ড্ৰ খেলিছিল। আজি ইষ্ট বেংগলৰ লক্ষ্য তিনি পইণ্ট সংগ্ৰহৰ আছিল যদিও গ'লশূন্য ড্ৰ খেলি পইণ্ট ভাগাই লয় ৰাজস্থান ইউনাইটেড এফ চিৰ বিৰুদ্ধে। এয়া ইষ্ট বেংগলৰ বাবে স্বাভাৱিকতে হতাশজনক প্ৰদৰ্শন। খেলৰ প্ৰথমাৰ্ধত উভয় দলে চেষ্টা কৰাৰ পাছতো গ'ল কৰিবলৈ সফল নহ'ল। কিন্তু দ্বিতীয়াৰ্ধৰ মেচ আৰম্ভ হোৱাৰ ১৬ মিনিট পাছতে গ'ল কৰা সুবৰ্ণ সুযোগ পাইছিল ৰাজস্থান ইউনাইটেডে। খেলৰ ৬১ মিনিটত পেনাল্টি লাভ কৰে ৰাজস্থানে। কিন্তু বাৰ্বোছাই মৰা পেনাল্টি শ্বট দৰ্শনীয়ভাৱে ৰক্ষা কৰে ইষ্ট বেংগলৰ কমলজিতে। তাৰপাছত মেচত চাপ-উত্তেজনা বৃদ্ধি পাই যদিও গ'ল কিন্তু নহ'ল। উল্লেখ্য যে ইয়াৰপূৰ্বে নিজৰ প্ৰথমখন গ্ৰুপ মেচত এ টি কে মোহন বাগানক হৰুৱাই চমক দিছিল ৰাজস্থানে। বিপৰীতে নৌ সেনাৰ লগত ড্ৰ খেলি নিৰাশাৰে অভিযান আৰম্ভ কৰিছিল ইষ্ট বেংগলে। এতিয়া কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ বাবে ইষ্ট বেংগলৰ বাকী থকা দুয়োখন মেচ মৰণপণ যত দল মুখামুখি হ'ব মুম্বাই চিটী আৰু মোহন বাগানৰ। ৰাজস্থান ইউনাইটেডে তৃতীয় মেচখন খেলিব মুম্বাই চিটী এফ চিৰ বিৰুদ্ধে। অহা ২৯ আগষ্টত এই মেচখন অনুষ্ঠিত হ'ব কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগনত। ইফালে, এ টি কে মোহন বাগান ক্লাবৰ বিৰুদ্ধে অহা ২৮ আগষ্টত মুখামুখি হ'ব ইষ্ট বেংগল ক্লাব। কলকাতা ডাৰ্বিৰ এই মেচখন অনুষ্ঠিত হ'ব বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত। কাৰ্যতঃ এই মেচতে কলকাতাৰ এটা দলৰ বিদায়ো নিশ্চিত হ'ব। কাৰণ মোহন বগানেও প্ৰথম দুখন মেচ ড্ৰ খেলি চাপত আছে।



## ক্লাব কাৰাটেত ব্ৰাডাৰ্ছ ফাইট ক্লাবৰ সফলতা

**অগ্ৰদূত বাৰ্তা, কলিয়াবৰ, ২৫ আগষ্ট ঃ** অসম ৰাজ্যিক কাৰাটে সংস্থা আৰু অসম অলিম্পিক সন্থাৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত নগাঁও কাৰাটে সংস্থাৰ উদ্যোগত আৰু নগাঁও ক্ৰীড়া সংস্থা সহযোগত অনুষ্ঠিত নগাঁও জিলা আন্তঃক্লাৱ কাৰাটে প্ৰতিযোগিতাত কলিয়াবৰৰ ব্ৰদাৰ্ছ ফাইট ক্লাৱে লাভ কৰিছে বিশেষ সফলতা। নগাঁও গোপীনাথ দেৱগোস্বামী বানিজ্য মহাবিদ্যালয়ত অনুষ্ঠিত নগাঁও জিলা আন্তঃক্লাৱ কাৰাটে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি কলিয়াবৰৰ ব্ৰদাৰ্ছ ফাইট ক্লাৱৰ প্ৰতিযোগীয়ে পাঁচটা সোণৰ, তিনিটা ৰূপৰ আৰু ১৪ টা ব্ৰঞ্জসহ ২২টাকৈ পদক লাভ কৰিবলৈ সক্ষম হয়। ব্ৰদাৰ্ছ ফাইট ক্লাৱৰ প্ৰশিক্ষক ত্ৰিশূল ভূএগুাৰ নেতৃত্বত নগাঁও জিলা আন্তঃক্লাৱ কাৰাটে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি শুভজিৎ বসুমতাৰী, ভাস্কৰ বসুমতাৰী, মনদীপ মুখীয়াই সোণৰ পদক লাভ কৰাৰ লগতে ছোৱালীৰ শাখাত চানবী সোণোৱাল আৰু ৰোহানী আখতাৰে সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়। আনহাতে, নমিতা শৰ্মা, শ্বাহিনুৰ আলি আৰু হিমাদ্ৰীজা শৰ্মাই ৰূপৰ পদক লাভ কৰে।



## প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা আৰম্ভ



**অগ্ৰদূত বাৰ্তা , সোণাপুৰ, ২৫ আগষ্ট ঃ** কাৰ্বি উন্নয়ন পৰিষদৰ উদ্যোগত আজিৰে পৰা বমানি খেলপথাৰত ৰতিকান্ত টেৰণ সোঁৱৰনী প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। আজি প্ৰতিযোগিতাখনি উদ্বোধন কৰে তিৱা স্বায়ত্ব পৰিষদৰ উপ মুখ্য কাৰ্যনিৰ্বাহক সদস্য তুলসী বৰদলৈয়ে। উল্লেখ্য নকআউট পদ্ধতিত অনুষ্ঠিত প্ৰতিযোগিতাত ৪৪ টা দলে অংশগ্ৰহণ কৰিছে। আজি অনুষ্ঠিত গ্ৰুপ এৰ উদ্বোধনী খেলখনিত কে দি চি একাদশে টাইব্ৰেকাৰৰ জড়িয়তে চামতাপথাৰ একাদশক ৩-১ গ'লৰ ব্যৱধানত পৰাজিত কৰে। প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত কাৰ্বি উন্নয়ন পৰিষদৰ অধ্যক্ষ ৰঞ্জিত ৰাহাং, কাৰ্বি সাহিত্য সভাৰ সভাপতি ৰাজেন্দ্ৰ টুমুং, তিৱা পৰিষদৰ কাৰ্যনিৰ্বাহক সদস্য পৰেশ ৰাহাং, সদস্যদ্বয় ভবেশ কাঠাৰ, টিকেন বসুমতাৰী,ক্ৰীড়া আৰু যুবকল্যাণ বিভাগৰ সদস্য সচিব গীতাৰ্থ গোস্বামী, কে পি এল টিৰ প্ৰাক্তন অধ্যক্ষ সংবিজিত ইংতি কাঠাৰ প্ৰমুখ্যে বিশিষ্ট লোকসকল উপস্থিত থাকে।

## কেন্দ্ৰীয় বিদ্যালয় অ'এন জি চি নাজিৰাত ক্ৰীড়া প্ৰতিযোগিতাৰ শুভাৰম্ভণি

**অগ্ৰদূত বাৰ্তা, শিমলুগুৰি, ২৫ আগষ্ট ঃ** কেন্দ্ৰীয় বিদ্যালয় অ'এনজিচি নাজিৰাত দুদিনীয়া কাৰ্যসূচীৰে হেণ্ডবল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আজি হোৱা প্ৰতিযোগিতাত কেন্দ্ৰীয় বিদ্যালয় অ'এনজিচি নাজিৰাই প্ৰথমখন খেলত বিজয় সাব্যস্ত কৰে। উল্লেখ্য যে প্ৰতিযোগিতাখনত আনুষ্ঠানিকভাৱে অংশগ্ৰহণকাৰীসকলক শপত প্ৰদান কৰি আৰম্ভ কৰা হয়। উদ্বোধনী অনুষ্ঠানত বিদ্যালয়খনৰ অধ্যক্ষ অখিলেশ্বৰ ঝা উপস্থিত থাকে আৰু প্ৰতিযোগিতাখনৰ বাবে বাহিৰৰ পৰা অহা খেলুৱৈ আৰু অতিথিসকলক আদৰণি জনায়। অনুষ্ঠানটোত জ্যেষ্ঠ শিক্ষক মুৰলী মনোহৰ , ওম প্ৰকাশ বাৰ্মা , মনীষ কুমাৰ ভগত, জীতেন্দ্ৰ কুমাৰ, হৰিদ্দিন শুক্লা, সুনীল কুমাৰ, দুৰ্গা য়েলে, টিনা মীনা, গজেন্দ্ৰ সিং ধাৰ্মেশ, অবিনাশ ভৰদ্বাজ, চন্দ্ৰেশ প্ৰসাদ আৰু অন্যান্য শিক্ষকসকল উপস্থিত থাকে।

## বি ডিভিজন লীগৰ ফাইনেলত ৰঙিয়া এফ চি

**অগ্ৰদূত বাৰ্তা, ৰঙিয়া, ২৫ আগষ্ট ঃ** ৰঙিয়া জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ৰঙিয়া মহাবিদ্যালয় খেলপথাৰত চলি থকা বি ডিভিজন ফুটবল লীগৰ আজিৰ উত্তেজনাপূৰ্ণ দ্বিতীয় ছেমিফাইনেলখন ১) ১ গলত অমীমাংসিত হৈ থকাত টাইব্ৰেকাৰ পদ্ধতিত ৩)১ গ'লত ৰঙিয়া এফ চিয়ে পূব বাৰংহাটী ক্লাৱক পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰে। আজিৰ ছেমিফাইনেল খেলখন উদ্বোধন কৰে মৰাণ ৰাজহ চক্ৰৰ পৰিদৰ্শক সিদ্ধেশ্বৰ বড়োয়ে। খেলখন পৰিচালনা কৰে ৰেফাৰী পহৰেদ আলী আহমেদ, আনোৱাৰ হুছেইন মজুমদাৰ আৰু হাৰেজুৰ ৰহমানে। অহা ২৭ আগষ্টৰ চূড়ান্ত খেলত ৰঙিয়া এফ চিয়ে অলংবাৰ ক্ৰীড়া সন্থাৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।



## আন্তঃক্লাব ফুটবল প্ৰতিযোগিতা আৰম্ভ

**অগ্ৰদূতবাৰ্তা, গৌৰীসাগৰ,২৫ আগষ্ট ঃ** গৌৰীসাগৰ উচ্চতৰ মাধ্যমিক উদ্যোগিক প্ৰতিস্থানৰ খেলপথাৰত আজিৰে পৰা উপ-ক্ৰীড়া সন্থাৰ উদ্যোগত আৰম্ভ হৈছে আন্তঃক্লাৱ ফুটবল লীগ । আজিৰ উদ্বোধনী খেলত দিছিয়াল ফুটবল ক্লাৱক গৌৰীসাগৰ ফুটবল ক্লাৱে ৪-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে । বিজয়ী দলটোৰ হৈ পিংকু গগৈয়ে দুটা গ'ল দিয়াৰ বিপৰীতে প্ৰণৱজ্যোতি মিলি আৰু শ্ৰীমন্ত দাসে একোটাকৈ গ'ল দিয়ে । গৌৰীসাগৰ আৰক্ষী থানাৰ সহ আৰক্ষী বিষয়া জহিৰুল ইছলামে উদ্ধোধন কৰা খেলখনৰ মুখ্য পৰিচালক হিচাপে ৰাজীৱ শইকীয়া আৰু লাইনত বিশেষ ভাৱে সহায় কৰে সুৰজ ভট্ট গোহাই, নীতিশ বড়া আৰু অখিল আহোমে । কাইলৈ বৃহত্তৰ হাতীঘূলি কৃষ্টি বিকাশ মঞ্চ বনাম গৌৰীসাগৰ যুৱ ক্ৰীড়া সংঘৰ মাজত খেল অনুষ্ঠিত হ'ব বুলি উপ-ক্ৰীড়া সন্থাৰ সভাপতি মনোজ লাহন, সম্পাদক অৰূপ বড়াই জানিবলৈ দিছে।

## দ্ৰোণাদিত্যৰ সোণ


**অগ্ৰদূত বাৰ্তা, নলবাৰী,২৫ আগষ্ট ঃ** দুলীয়াজানৰ বিহুতলিত অনুষ্ঠিত হোৱা সদৌ অসম ৰাজ্যিক টাইকোৱানডো প্ৰতিযোগিতাত নলবাৰী জিলাক প্ৰতিনিধিত্ব কৰি দ্ৰোণাদিত্য তালুকদাৰে ছাব-জুনিয়ৰ অনুৰ্ধ ২৯ কিলোগ্ৰাম কিউৰ'গি শাখাত সুন্দৰ প্ৰদৰ্শন দাঙি ধৰি স্বৰ্ণ পদক অৰ্জন কৰিবলৈ সক্ষম হয় । খেলুৱৈজনৰ এনে পাৰদৰ্শিতাত নলবাৰী জিলাৰ বিভিন্ন দল সংগঠনে শুভেচ্ছা জনোৱাৰ লগতে টাইকোৱানডো সন্থাৰ সভাপতি মনোজ কুমাৰ চৌধুৰী আৰু সাধাৰণ সম্পাদক জ্ঞানদ্বীপ কলিতাই শুভেচ্ছা জ্ঞাপন কৰে । উল্লেখ্য যে দ্ৰোণাদিত্য নলবাৰী, বিদ্যাপুৰ নিবাসী প্ৰণৱ তালুকদাৰ আৰু কাজল শৰ্মাৰ পুত্ৰ।



দৈনিক
অগ্ৰদূত

Regn No. RNP/GH-085/2021-2023

গুৱাহাটী, ২৬ আগষ্ট, ২০২২ শুকুৰবাৰ পৃষ্ঠা ১৬



নিৰ্দিষ্ট সময়তে খেলখন আৰম্ভ হৈছিল। যদিও নিৰ্ধাৰিত ৯০ মিনিটৰ পাছতো খেলখন সমাপ্ত নহ'ল। তাৰ পৰিৱৰ্তে খেলা সমাপ্ত হ'বলৈ লাগিল চাৰি ঘণ্টা সময়। মাজতে তিনিবাৰ খেলা বন্ধ ৰাখিবলগীয়া হৈছিল। চাইৰেন বজাৰ লগে লগেই খেলুৱৈ-কৰ্মকৰ্তাসকলে খেলপথাৰ এৰি আশ্ৰয় লৈছিল ষ্টেডিয়ামৰ নিৰাপদ স্থানত। সকলো মিলাই প্ৰায় আঢ়ৈ ঘণ্টা সময় তেওঁলোকে লুকাই থাকিবলগীয়া হয়।

# ৯০ মিনিটৰ ফুটবল মেচ চলিল চাৰি ঘণ্টা

## ইউক্ৰেইনত যুদ্ধৰ মাজতে আৰম্ভ হ'ল খেল ঃ আঢ়ৈ ঘণ্টা লুকাই থাকিল খেলুৱৈ

**নিউজ ব্যুৰ'**
**কিয়েভ, ২৫ আগষ্ট ঃ** নিৰ্দিষ্ট সময়তে খেলখন আৰম্ভ হৈছিল। যদিও নিৰ্ধাৰিত ৯০ মিনিটৰ পাছতো খেলখন সমাপ্ত নহ'ল। তাৰ পৰিৱৰ্তে খেলা সমাপ্ত হ'বলৈ লাগিল চাৰি ঘণ্টা সময়। মাজতে তিনিবাৰ খেলা বন্ধ ৰাখিবলগীয়া হৈছিল। চাইৰেন বজাৰ লগে লগেই খেলুৱৈ-কৰ্মকৰ্তাসকলে খেলপথাৰ এৰি আশ্ৰয় লৈছিল ষ্টেডিয়ামৰ নিৰাপদ স্থানত। সকলো মিলাই প্ৰায় আঢ়ৈ ঘণ্টা সময় তেওঁলোকে লুকাই থাকিবলগীয়া হয়। বোমা-মিছাইলৰ আতংকৰ মাজতে এইদৰেই ফুটবল মেচ অনুষ্ঠিত হ'ল ইউক্ৰেইনত। ছমাহ পাৰ হোৱাৰ পাছতো যুদ্ধ শাম কটা নাই। ইউক্ৰেইনত এতিয়াও মাজে-মধ্যে আকাশত বিচৰণ কৰি আছে ৰাছিয়াৰ যুদ্ধবিমানে। তাৰ পৰাই বোমা নিক্ষেপ কৰি ছিন্নভিন্ন কৰিছে ঘৰ-বাৰী। এতিয়াও মাজে-মধ্যে য'তে-ত'তে আহি পৰিছে মিছাইল। অৱশ্যে তাৰ মাজতে যোৱা মঙলবাৰৰ পৰা ইউক্ৰেইনত আৰম্ভ হৈছে দেশখনৰ ঘৰুৱা ফুটবল লীগ। সেই দিনা চাৰিখন খেল অনুষ্ঠিত হৈছিল যদিও কোনো ধৰণৰ সমস্যা নহ'ল। যদিও কালিৰ এখন মেচত বাৰুকৈয়ে পয়মাল লাগিল। নিৰাপত্তাজনিত কাৰণতে খেলখন তিনিবাৰ বন্ধ ৰাখিবলগীয়া হয় যদিও আয়োজকে বাতিল কৰাৰ পৰিৱৰ্তে খেল শেষ হোৱালৈ অপেক্ষা কৰিলে।

লিভিভৰ ইউক্ৰেনা ষ্টেডিয়ামত ৰুখ লিভিভ আৰু মেটালিষ্ট খাৰকিভৰ মাজত কালি অনুষ্ঠিত খেলখনৰ মাজতে তিনিবাৰ চাইৰেন বাজে। স্থানীয় সময় বিয়লি তিনি বজাৰ পৰা খেল আৰম্ভ হৈছিল যদিও সন্ধিয়া ৭-২৭ বজাতহে সমাপ্ত হয়। চাইৰেন বজাৰ লগে লগে খেলুৱৈ তথা অন্যান্য সহযোগী, কৰ্মকৰ্তা আদিয়ে আশ্ৰয় লয় নিৰাপদ স্থানত। শেষ পৰ্যন্ত খাৰকিভ দলে ২-১ গ'লত জয়লাভ কৰে। উল্লেখ্য যে বোমা-মিছাইলৰ আশংকা থকাৰ বাবে ষ্টেডিয়ামত দৰ্শকৰ প্ৰৱেশ নিষিদ্ধ কৰা হৈছে। লীগৰ প্ৰতিখন মেচ চলি থকাৰ সময়ত ষ্টেডিয়ামৰ ভিতৰত সন্তম হৈ থাকে সেনাবাহিনীৰ লোক। কোনোবা সময়ত যদি এঘণ্টাৰ অধিক সময় ধৰি চাইৰেন বাজি থাকে, লগে লগে সেনাবাহিনীয়ে সমগ্ৰ ষ্টেডিয়াম ঘেৰি ধৰে। সমগ্ৰ পৰিস্থিতি নিৰীক্ষণ কৰি নিৰাপত্তা নিশ্চিত কৰাৰ পাছতহে খেল পুনৰ আৰম্ভ কৰাৰ বাবে সেনাই অনুমতি দিয়ে। এই সন্দৰ্ভত ইউক্ৰেইন ফুটবল সংস্থাৰ সভাপতি এণ্ড্ৰি পাভেলকোৱে কয়, 'সম্পূৰ্ণ ভিন্ন পৰিস্থিতিৰ লীগ আৰম্ভ কৰিছো। যুদ্ধৰ মাজতেই খেলা হৈছে। বোমা-মিছাইলৰ আতংক লৈয়েই খেলা হৈছে। বহু ক্লাবৰ ষ্টেডিয়ামো ভাঙি পৰিছে। তেওঁলোকক সাহায্য কৰিবলৈ আন ক্লাব আগুৱাই আহিছে। ফুটবল আমাৰ বাবে আবেগ, সংগ্ৰাম। কোনো যুদ্ধই ইয়াক আবদ্ধ কৰি ৰাখিব নোৱাৰিব।'



তিতাবৰ মহকুমাৰ অসম-নগালেণ্ড সীমান্তৱৰ্তী অঞ্চলত কিছুদিনৰ পৰা সঘনাই দেখিবলৈ পোৱা গৈছে লাজুকী বান্দৰ। সীমান্তৰ নগাবাট, বেকাজান, বৰহোলাৰ বিভিন্ন গ্ৰামাঞ্চলত কে'বাজনো লোকে প্ৰায়েই প্ৰত্যক্ষ কৰা বুলি জানিব পৰা গৈছে। বিশেষকৈ নিশাৰ ভাগত খাদ্যৰ সন্ধানত আহি গ্ৰামাঞ্চলৰ লোকৰ বাৰীত প্ৰৱেশ কৰা দেখা গৈছে লাজুকী বান্দৰৰ দুই এটা পোৱালিয়ে।

## শংকিত নহৈ বন বিভাগক খবৰ দিবলৈ আহ্বান

# বৰহোলাৰ বিভিন্ন প্ৰান্তত সঘনাই দেখা দিছে লাজুকী বান্দৰে

বিশেষ সংবাদদাতা
নগাবাট, ২৫ আগষ্ট ঃ তিতাবৰ মহকুমাৰ অসম-নগালেণ্ড সীমান্তৱৰ্তী অঞ্চলত কিছুদিনৰ পৰা সঘনাই দেখিবলৈ পোৱা গৈছে লাজুকী বান্দৰ। সীমান্তৰ নগাবাট, বেকাজান, বৰহোলাৰ বিভিন্ন গ্ৰামাঞ্চলত কে'বাজনো লোকে প্ৰায়েই প্ৰত্যক্ষ কৰা বুলি জানিব পৰা গৈছে। বিশেষকৈ নিশাৰ ভাগত খাদ্যৰ সন্ধানত আহি গ্ৰামাঞ্চলৰ লোকৰ বাৰীত প্ৰৱেশ কৰা দেখা গৈছে লাজুকী বান্দৰৰ দুই এটা পোৱালিয়ে। সাধাৰণ বান্দৰতকৈ দেখাত কিছু পৃথক এইবিধ লাজুকী বান্দৰক নিশা নিজ চোতাল অথবা বাৰীত দেখা পাই বহু লোক আচৰিত হৈ পৰে। লাজুকী বান্দৰৰ উপস্থিতিৰ উমান পাই পোহনীয়া কুকুৰসমূহে হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰাৰ লগতে ইয়াক চাবলৈ স্থানীয় ৰাইজে হেতা-ওপৰা কৰা পৰিলক্ষিত হয়। ফলত বহুকেইটা লাজুকী বান্দৰ আঘাতপ্ৰাপ্ত হোৱাৰ উদাহৰণ আছে।

উল্লেখ্য যে নগাবাট, বেকাজান অঞ্চলৰ গাতে লাগি থকা বিশাল নগা পাহাৰৰ হাবিৰ পৰা এইসমূহ লাজুকী বান্দৰ নিশা খাদ্য বিচাৰি ভৈয়ামলৈ নামি আহে। নিশা য'ত ত'ত খাদ্য বিচাৰি ফুৰোতে কেতিয়াবা পোহৰ হোৱাত ভৈয়ামৰ গ্ৰামাঞ্চলৰ কোনো লোকৰ বাৰীৰ গছত উঠি আশ্ৰয় ল'ব লগা হয়। এই সন্দৰ্ভত বন বিভাগে সংবাদ মাধ্যমৰ যোগেদি ৰাইজক আহ্বান জনাইছে যে ক'ৰবাত লাজুকী বান্দৰৰ পোৱালি দেখা পালে কেতিয়াও শংকিত হ'ব নালাগে অথবা আঘাত কৰিবলৈ চেষ্টা কৰিব নালাগে। ই কাৰো অপকাৰ নকৰে। যিকোনো উপায়েৰে বন বিভাগক এটা খবৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। বন বিভাগে ইয়াক উদ্ধাৰ কৰি উপযুক্ত স্থানত এৰি দিয়াৰ ব্যৱস্থা কৰিব।





## ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তত অৱস্থিত নালাপাৰা প্ৰাথমিক বিদ্যালয়ত নাই খোৱা পানীৰ সুব্যৱস্থা

# কিনা পানীৰে কণ কণ শিশুবোৰে তৃষ্ণা নিবাৰণ কৰা এখন ৬০ বছৰীয়া চৰকাৰী বিদ্যালয়ৰ দুখ লগা ছবি

অগ্ৰদূত বাৰ্তা
টংলা, ২৫ আগষ্ট ঃ ওদালগুৰি জিলাৰ টংলা চহৰৰ উত্তৰে প্ৰায় ৩৫ কিলোমিটাৰ দূৰত্বৰ আৰু ভাৰত-ভূটান সীমান্তৰ পৰা সাত কিলোমিটাৰ নিলগৰ অতি দুৰ্গম স্থানত অৱস্থিত এখন চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ নাম নালাপাৰা প্ৰাথমিক বিদ্যালয়। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে প্ৰতিনিধিত্ব কৰা পানেৰী বিধানসভা সমষ্টিৰ খৈৰাবাৰী শিক্ষা খণ্ডৰ অন্তৰ্গত এক নম্বৰ বৰঙাজুলিস্থিত নালাপাৰা প্ৰাথমিক বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ খোৱা পানীৰ সমস্যাৰ জ্বলন্ত ছবিখনে সকলোকে কৰি তুলিছে স্তম্ভিত। ১৯৬২ত প্ৰতিষ্ঠা লাভ কৰা ৬০ বছৰীয়া নালাপাৰা প্ৰাথমিক বিদ্যালয়খনত ১৪৫গৰাকী ছাত্ৰ-ছাত্ৰী থকাৰ বিপৰীতে প্ৰধান শিক্ষকসহ মাত্ৰ দুগৰাকী শিক্ষক থকা বিদ্যালয়খনত নাই কোনো খোৱা পানীৰ সুব্যৱস্থা। জিলাখনৰ বৰনদী অভয়াৰণ্যৰ সীমামূৰীয়া নালাপাৰা প্ৰাথমিক বিদ্যালয়ৰ ১৪৫ শিক্ষাৰ্থীৰ খোৱা পানী আৰু মধ্যাহ্ন ভোজনৰ বাবে প্ৰয়োজনীয় বিশুদ্ধ পানী বিদ্যালয়ৰ প্ৰধান শিক্ষকজনে চাৰিচকীয়া মালবাহী গাড়ীৰ সহায়ত তিনি-চাৰি কিলোমিটাৰ নিলগৰ পৰা পানী ড্ৰামেৰে কিনি আনি মধ্যাহ্ন ভোজন প্ৰস্তুত কৰাৰ লগতে ছাত্ৰ -ছাত্ৰীয়ে তৃষ্ণা নিবাৰণ কৰিছে। বিদ্যালয়ৰ প্ৰধান শিক্ষকজনে প্ৰশ্নৰ উত্তৰত জানিবলৈ দিয়ে যে ২০০৬ৰ পৰা ২০০৯লৈ নালাপাৰা-ৰাজাগঞ্জ পানী যোগান আঁচনিৰ জৰিয়তে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে খোৱা পানী লাভ কৰিছিল যদিও ২০০৯ৰ শেষৰ ফালে টংলা সংমণ্ডল জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যালয়ৰ কনিষ্ঠ অভিযন্তা নগেন্দ্ৰ ভাৰতীয়ে কৌশলগতভাৱে বিদ্যালয়খনলৈ পানী যোগান ধৰা প্ৰায় ছশ মিটাৰ পানীৰ পাইপ উঠাই লৈ যোৱাৰ পৰা আজিও বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত হৈ থাকিল কণ কণ ছাত্ৰ-ছাত্ৰীসকল। বিদ্যালয়খনৰ প্ৰধান শিক্ষকজনে আৰু অৱগত কৰা অনুসৰি ২০০৯, ২০১১, ২০১৪ আৰু ২০১৬লৈ টংলাস্থিত জনস্বাস্থ্য কাৰিকৰী সংমণ্ডল, জিলা উপায়ুক্ত আৰু খণ্ড শিক্ষা বিষয়া কাৰ্যালয়ত বাৰে বাৰে বিশুদ্ধ খোৱা পানীৰ সুব্যৱস্থা বিচাৰি আবেদন কৰি ভাগৰি পৰিল আৰু তেতিয়াৰে পৰা বৰ্তমানলৈকে তেওঁ ছাত্ৰ-ছাত্ৰীৰ বাবে বিশুদ্ধ খোৱা পানী বিচাৰি কাৰো ওচৰত আবেদন কৰা নাই। এই কথা বিদ্যালয়খনৰ শিক্ষকজনে যথেষ্ট ক্ষোভ আৰু দুখেৰে ব্যক্ত কৰে। তদুপৰি সুযোগ বুজি প্ৰধান শিক্ষকজনে স্থানীয় বিধায়ক, বিটিচিৰ এমচিএলএ সকলক খোৱা পানীৰ সুব্যৱস্থা কৰি দিবলৈ বাৰম্বাৰ অনুৰোধ জনায়ো কোনো সুফল লাভ নকৰিলে। ২০০৯ৰ পৰা প্ৰথম অৱস্থাত দিন হাজিৰা লগাই ঠেলাৰ সহায়ত বিদ্যালয়লৈ খোৱা পানীৰ ব্যৱস্থা



কৰাৰ লগতে ২০১৪ৰ পৰা বৰ্তমানলৈকে সপ্তাহত দুই-তিনি দিন চাৰিচকীয়া মাল কঢ়িওৱা বাহনেৰে বিদ্যালয়খনৰ খোৱা পানী যোগানৰ সুব্যৱস্থা কৰি লৈছে শিক্ষকে। এনেদৰে কিনি অনা পানীৰে ছাত্ৰ-ছাত্ৰীৰ তৃষ্ণা নিবাৰণৰ উপৰি মধ্যাহ্ন ভোজন প্ৰস্তুত কৰিছে। গুৰুত্বপূৰ্ণ কথা যে বহুদিনৰ আগতে জমা কৰি ৰখা বৰষুণৰ অকণ অকণ পানীৰে কণ কণ ছাত্ৰ-ছাত্ৰীসকলে মধ্যাহ্ন ভোজন খোৱা কাঁহী আৰু মুখ ধুই থকা দৃশ্য অতি কৰুণ। নিজ চকুৰে প্ৰত্যক্ষ নকৰিলে সেইখন ছবি বুজোৱা বহু কঠিন। প্ৰতি বছৰে দুই-তিনিবাৰকৈ বনৰীয়া হাতীয়ে ছাত্ৰ-ছাত্ৰীৰ বাবে মজুত কৰা মধ্যাহ্ন ভোজনৰ খাদ্য সামগ্ৰী খাবলৈ আহি বিদ্যালয়খন বিধ্বস্ত কৰাৰ পাছতো অতি শেহতীয়াভাৱে বিটিচিৰ জৰিয়তে বিদ্যালয়খনৰ শ্ৰেণীকোঠা আৰু কাৰ্যালয় মেৰামতি কৰিলে যদিও খোৱা পানীৰ কোনো সুব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত নহ'ল। অসম চৰকাৰৰ শিক্ষা বিভাগ আৰু বিটিচি চৰকাৰৰ শিক্ষা বিভাগে নালাপাৰা প্ৰাথমিক বিদ্যালয়ৰ ১৫৪গৰাকী দেশৰ উজ্জ্বল ভৱিষ্যৎ ছাত্ৰ-ছাত্ৰীৰ ন্যূনতম খোৱা পানীৰ সুব্যৱস্থা কৰিবলৈ সক্ষম হ'বনে? বিদ্যালয়খনৰ শিক্ষকে কিনি অনা পানীৰে তৃষ্ণা নিবাৰণ কৰিব নে চৰকাৰে খোৱা পানীৰ স্থায়ী সমাধান কৰিব? এয়া কোটিটকীয়া প্ৰশ্ন হৈ পৰিছে।

# ৰাষ্ট্ৰীয়-ৰাজ্যিক পৰ্যায়ত অংশগ্ৰহণ কৰা শিশু বিজ্ঞানীক বঁটা প্ৰদান

## নলবাৰীত শিশু বিজ্ঞান সমাৰোহৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা
নলবাৰী, ২৫ আগষ্ট ঃ অসম চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগে প্ৰতিবছৰে আয়োজন কৰা ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ নলবাৰী জিলা সমাৰোহখনি অহা অক্টোবৰৰ শেষ সপ্তাহত অনুষ্ঠিত হ'ব। আজি নলবাৰী জিলাৰ উপায়ুক্তৰ সভাকক্ষত আয়োজন কৰা সভাত এখন আয়োজক সমিতি গঠন কৰা হয়। ড° দীনমনি ভাগৱতীক সভাপতি, অজিত শৰ্মাক কাৰ্যকৰী সভাপতি আৰু প্ৰদীপ মহন্তক জিলা সমন্বয়ক, ড° মহানন্দ পাঠকক শৈক্ষিক সমিতিৰ অধ্যক্ষ, চন্দামিতা শৰ্মাক শৈক্ষিক সমন্বয়ক হিচাপে লৈ এই আয়োজক সমিতি গঠন কৰা হয়। এই সভাতে যোৱা বৰ্ষত নলবাৰী জিলাৰ পৰা ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ ৰাষ্ট্ৰীয় পৰ্যায়ত অংশগ্ৰহণ কৰা টিহু বিবেকানন্দ বিদ্যা নিকেতনৰ ছাত্ৰী জিষ্ণুপ্ৰিয়া কলিতা আৰু সঞ্জনা কাশ্যপ আৰু তেওঁলোকৰ প্ৰকল্পৰ গাইড দ্বীপশেখৰ কলিতাক বঁটা, প্ৰমাণপত্ৰ, গামোচা আৰু নগদ ধনেৰে পুৰস্কৃত কৰা হয়। আনহাতে, একেটা অনুষ্ঠানতে ৰাজ্যিক সমাৰোহত অংশগ্ৰহণ কৰা প্ৰতিজন ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ গাইডক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলক বঁটা প্ৰদান কৰে জিলা উপায়ুক্ত গীতিমণি ফুকনে। অনুষ্ঠানত ভাষণ ৰাখি উপায়ুক্তগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলে সৰু সৰু একোটা বিষয়ৰ ওপৰত অধ্যয়ন, পৰীক্ষা কৰি কিদৰে নতুন বস্তু বা চিন্তা উদ্ভাৱন কৰি দেশৰ, দহৰ কল্যাণত নিজকে নিয়োজিত কৰিব পাৰি সেই বিষয়ে উল্লেখ কৰে। আনহাতে, অসম চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ তত্বাবধানত এটি তাৰকাগৃহ আৰু বিজ্ঞান কেন্দ্ৰ নলবাৰীত সম্পূৰ্ণ সাজু হৈ উঠিছে আৰু শীঘ্ৰেই ইয়াক ৰাইজৰ বাবে মুকলি কৰা হ'ব বুলি জিলা উপায়ুক্তজনে প্ৰকাশ কৰে। সভাত অংশগ্ৰহণ কৰা জিলা প্ৰাথমিক শিক্ষা বিষয়া সীমান্ত কুমাৰ ডেকাই ভাষণ ৰাখি নলবাৰী জিলাত বিজ্ঞানৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে শিশু বিজ্ঞান সমাৰোহৰ দৰে অনুষ্ঠানত সকলো ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকক জড়িত কৰাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰাৰ লগতে জিলাৰ শিক্ষা বিভাগৰ পৰা এই ক্ষেত্ৰত সকলো প্ৰকাৰৰ সহায় কৰা হ'ব বুলি উল্লেখ কৰে। আনহাতে, অহা ছেপ্টেম্বৰৰ প্ৰথম সপ্তাহৰ পৰা জিলাখনৰ প্ৰতিটো উন্নয়ন খণ্ডতে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সহযোগত জিলাৰ শিক্ষা বিভাগে একোটাকৈ শিক্ষকসকলৰ বাবে প্ৰশিক্ষণৰ কাৰ্যসূচী আৰম্ভ কৰিব বুলি শিক্ষা বিষয়াজনে জানিব দিয়ে। জিলাৰ সমন্বয়ক প্ৰদীপ মহন্তই আঁতধৰা অনুষ্ঠানটিত শিক্ষাবিদ ড° দীনমনি ভাগৱতী, মহানন্দ পাঠক, ফণীধৰ ডেকা আদিয়ে অংশগ্ৰহণ কৰে।

# মেট্ৰিকত শূন্য ফলাফল প্ৰদৰ্শন কৰা গোৱালপাৰাৰ থৰ্কো হাইস্কুলৰ আজৰ কাহিনী



## সংলগ্ন কৰা হৈছে অসমীয়া মাধ্যমৰ এলপি-গাৰো মাধ্যমৰ এমই-ইংৰাজী মাধ্যমৰ উচ্চ মাধ্যমিক বিদ্যালয়ক

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৫ আগষ্ট ঃ** চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত এজনো ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হ'ব নোৱাৰাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে ৰাজ্যখনৰ ৩৪ খন প্ৰাদেশিকীকৃত আৰু ৭২ খন স্বীকৃতিপ্ৰাপ্ত উচ্চ মাধ্যমিক বিদ্যালয়ক বিলুপ্তকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে চৰকাৰে। শূন্য ফলাফল প্ৰদৰ্শন কৰা ৩৪খন প্ৰাদেশিকীকৃত বিদ্যালয়ৰ ভিতৰত গোৱালপাৰা জিলাৰ থৰ্কো উচ্চ মাধ্যমিক বিদ্যালয়খনো অন্তৰ্ভুক্ত হৈছে। কিন্তু মেট্ৰিকত শূন্য ফলাফল প্ৰদৰ্শন কৰা থৰ্কো উচ্চ মাধ্যমিক বিদ্যালয়ৰ আজৰ কাহিনীয়ে ৰাইজৰ চকু কপালত তুলিছে। প্ৰাপ্ত তথ্য মতে, অসম-মেঘালয়ৰ সীমান্তৱৰ্তী জনজাতীয় (পাহাৰীয়া) অঞ্চলত অৱস্থিত থৰ্কো উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা এইবেলি ৩৬ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বিপৰীতে এজনো উত্তীৰ্ণ হ'ব পৰা নাছিল। কিন্তু অতি আশ্চৰ্যজনক কথাটো হ'ল যে অসমীয়া মাধ্যমৰ এল পি, গাৰো মাধ্যমৰ এম ই আৰু ইংৰাজী মাধ্যমৰ উচ্চ মাধ্যমিক বিদ্যালয়ক সংলগ্ন কৰা হৈছে। ইপিনে, বিদ্যালয়খনৰ এল পি শাখাত ৩৩ গৰাকী, এম ই শাখাত ৫১ গৰাকী আৰু উচ্চ মাধ্যমিকৰ শাখাত ১৪৮ গৰাকী মুঠ ২৩২ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে সম্প্ৰতি অধ্যয়ন কৰি আছে। সম্প্ৰতি এল পি শাখাত দুগৰাকী, এম ই শাখাত মাত্ৰ এগৰাকী আৰু উচ্চ মাধ্যমিকৰ শাখাত চাৰিগৰাকী শিক্ষক আছে। উচ্চ মাধ্যমিকৰ চাৰিগৰাকী শিক্ষকৰ ভিতৰত এগৰাকী বিএছচি আৰু তিনিগৰাকী ক্লাছিকেল (আৰবী, হিন্দী আৰু সাংস্কৃত) শিক্ষক। উল্লেখ্য যে অতিকৈ দৰিদ্ৰ অঞ্চলটোৰ বিদ্যালয়খনত প্ৰায় ৮০ শতাংশ গাৰো জনগোষ্ঠীয় সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে বাকীখিনি বড়ো, ৰাভা আৰু কোচ সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰী আছে। আৰবী সাহিত্যৰ শিক্ষক নিয়োজিত হৈ আছে যদিও নাই কোনো ছাত্ৰ-ছাত্ৰী। ইপিনে, বিদ্যালয়খনৰ বাবে অনুমোদিত ১০ গৰাকী শিক্ষকৰ পদ খালী হৈ আছে। ইয়াৰে এল পিত এগৰাকী, এম ইত পাঁচগৰাকী আৰু উচ্চ মাধ্যমিকৰ শাখাত চাৰিগৰাকীকৈ শিক্ষকৰ পদ খালী হৈ আছে। লক্ষীপুৰ ৰাজহ চক্ৰ অঞ্চলৰ একমাত্ৰ ইংৰাজী মাধ্যমৰ তথা গোৱালপাৰা জিলাৰ ভিতৰতে গাৰো জনগোষ্ঠীয় সম্প্ৰদায়ৰ একমাত্ৰ ইংৰাজী মাধ্যমৰ উচ্চ মাধ্যমিক বিদ্যালয়খন বিলুপ্তিৰ সিদ্ধান্ত গ্ৰহণ কৰাত স্থানীয় থৰ্কো অঞ্চলৰ ৰাইজে আশ্চৰ্য প্ৰকাশ কৰিছে। উল্লেখ্য যে যোৱা ৩০ জুলাইত থৰ্কো উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগণত বিদ্যালয় পৰিচালনা সমিতি, অভিভাৱক আৰু শিক্ষকসকলৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। উক্ত সভাত এল পিত অসমীয়া মাধ্যমত, মধ্য ইংৰাজী শাখাত গাৰো মাধ্যমত আৰু উচ্চ মাধ্যমিকৰ শাখাত ইংৰাজী মাধ্যমত অধ্যয়ন কৰিবলগীয়া বিষটো গুৰুত্ব সহকাৰে আলোচনা কৰা হয়। কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা সভাখনত বিদ্যালয়ৰ খালী পদত অতি শীঘ্ৰেই নিযুক্তিৰ ব্যৱস্থা কৰাৰ লগতে এম ই শাখাত তথা ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে গাৰো মাধ্যমৰ পৰিৱৰ্তে ইংৰাজী মাধ্যমৰ পাঠদানৰ ব্যৱস্থা কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনোৱাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সেই মৰ্মে ইতিমধ্যে বিদ্যালয় কৰ্তৃপক্ষই জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ জৰিয়তে উৰ্ধ্বতন কৰ্তৃপক্ষলৈ আবেদন জনাইছে। এই আজৰ মাধ্যমৰ বিদ্যালয়খনৰ অতিকৈ গুৰুত্বপূৰ্ণ আভ্যন্তৰীণ সমস্যাৰ সমাধানৰ ব্যৱস্থা নকৰি বিলুপ্তিৰ সিদ্ধান্ত লোৱাটো স্থানীয় জনগোষ্ঠীয় ৰাইজে সহজভাৱে মানি ল'ব পৰা নাই। এই ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ তদন্তৰ জৰিয়তে বৃহত্তৰ স্বাৰ্থৰ খাতিৰতে বিদ্যালয়খন বাহাল ৰখাৰ দাবী জনাইছে স্থানীয় ৰাইজে। অন্যথা তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ লগতে আইনৰ কাষ চাপিবলৈ বাধ্য হ'ব বুলিও হুংকাৰ দিছে।




## বাতৰি কাকত অবিহনে চলিছে লখিমপুৰ গ্ৰন্থাগাৰৰ অন্তৰ্গত ১০টা পুথিভঁৰাল

**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ২৫ আগষ্ট ঃ** গ্ৰাম্য পুথিভঁৰালসমূহে গাঁৱক জ্ঞান-বিজ্ঞান পোহৰৰ দিশত আগুৱাই নিয়াৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰাৰ পৰিৱৰ্তে বিপৰীত ছবি এখনহে দেখিবলৈ পোৱা গৈছে লখিমপুৰ গ্ৰন্থাগাৰৰ অন্তৰ্গত গ্ৰাম্য পুথিভঁৰালসমূহত। উল্লেখ্য যে লখিমপুৰ গ্ৰন্থাগাৰৰ অধীনৰ ১০টা গ্ৰাম্য পুথিভঁৰাল এখন খবৰ কাগজ অবিহনে চলি আছে। পুথিভঁৰাল কৰ্তৃপক্ষই বাতৰি কাকত, মাহেকীয়া বিভিন্ন আলোচনীৰ ধন বিল প্ৰস্তুত কৰিও পুথিভঁৰালীলৈ নপঠোৱাৰ বাবে বাতৰি কাকত, মাহেকীয়া আলোচনী আদি ৰাখিব নোৱৰাৰ কথা পোহৰলৈ আহিছে। তদুপৰি লখিমপুৰ গ্ৰন্থাগাৰৰ অন্তৰ্গত ১০ টা পুথিভঁৰালত পঢ়ুৱৈৰ বাবে নাই সুবিধাজনক চকী-মেজ, প্ৰস্ৰাৱাগাৰ, ফেনৰ সুবিধা। এই সম্পৰ্কে বিহপুৰীয়া বিনোৱা জী গ্ৰাম্য পুথিভঁৰালৰ এগৰাকী পঢ়ুৱৈয়ে কয়, আমি বিচৰা মতে কিতাপ পঢ়িবলৈ পোৱা নাযায়। ফেন, চকী, মেজৰ অভাৱত পঢ়ুৱৈয়ে গছৰ তলত কিতাপ পত্ৰ পঢ়ে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে নাওবৈচা লথৌ যোৰহটীয়া গ্ৰাম্য পুথিভঁৰাল আৰু পানীগাঁও লেচাই গাঁও গ্ৰাম্য পুথিভঁৰালৰ অৱস্থা সবাতোকৈ তথৈবচ। এই ক্ষেত্ৰত ২০১৭ত পুথিভঁৰাল সঞ্চালক ৰুমী গোস্বামীয়ে লখিমপুৰ গ্ৰাম্য পুথিভঁৰালসমূহ পৰিদৰ্শন কৰে যদিও কোনো ধৰণৰ তাৎক্ষণিক পদক্ষেপ গ্ৰহণ নকৰিলে বুলি জানিব পৰা গৈছে।

# 'ঘাতক'সহ কাজিৰঙা সুৰক্ষাৰ বাবে সাজু হ'ব বিশেষ গঁড় সুৰক্ষা বাহিনী

## লক্ষ্যভেদ ৩০০ মিটাৰ, কঠোৰ প্ৰশিক্ষণত ব্যস্ত এদল যুৱক-যুৱতী



**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ২৫ আগষ্ট ঃ** 'ঘাতক' আহি আছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানলৈ। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ লগতে ৰাজ্যৰ আন কে'বাখনো বনাঞ্চলত অচিৰেই চোৰাং চিকাৰীৰ বিৰুদ্ধে 'ঘাতক' লৈ সাজু হোৱাৰ প্ৰস্তুতি চলাইছে বিশেষ গঁড় সুৰক্ষা বাহিনীয়ে। এই কথা আজি সদৰী কৰিছে কলিয়াবৰৰ চিকনিস্থিত দ্বিতীয় অসম বন সুৰক্ষা বাহিনী কৰ্তৃপক্ষই। উল্লেখ্য যে চোৰাং চিকাৰীক প্ৰতিহত কৰিবলৈ এইবাৰ বিশেষ গঁড় সুৰক্ষা বাহিনীয়ে হাতত উন্নত আগ্নেয়াস্ত্ৰ 'ঘাতক' লৈ সাজু হোৱাৰ কথা ইতিমধ্যে পোহৰলৈ আহিছে। কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে, চোৰাং চিকাৰীৰ যিকোনো মাৰণাস্ত্ৰক প্ৰত্যাহ্বান জনাব 'ঘাতকে'। ৩০০ মিটাৰ দূৰত্বৰ পৰাই চোৰাং চিকাৰীক কাবু কৰিব পাৰিব এই অত্যাধুনিক 'ঘাতকে'। ওজন কম হোৱাৰ বাবে অৰণ্যৰ মাজত সহজতেই লৈ ফুৰিব পাৰিব এই মাৰাত্মক মাৰণাস্ত্ৰ। কাজিৰঙা, মানাহ, পবিতৰা, ওৰাং ৰাষ্ট্ৰীয় উদ্যানত নিয়োজিত হৈ থকা বিশেষ গঁড় সুৰক্ষা বাহিনীৰ হাতত তুলি দিয়া হ'ব এই 'ঘাতক'। এই মাৰাত্মক মাৰণাস্ত্ৰবিধ লৈ ইতিমধ্যে কলিয়াবৰ জখলাবন্ধাৰ চিকনিস্থিত দ্বিতীয় অসম বন সুৰক্ষা বাহিনীৰ মুখ্য কাৰ্যালয়ৰ প্ৰশিক্ষণ পথাৰত কঠোৰ প্ৰশিক্ষণ গ্ৰহণ কৰি আছে গঁড় সুৰক্ষা বাহিনীৰ দলটোৱে। চাৰিগৰাকী মহিলা জোৱানসহ মুঠ ২৫ গৰাকী জোৱানে গ্ৰহণ কৰিছে এই অত্যাধুনিক 'ঘাতক'ৰ প্ৰশিক্ষণ। চোৰাং চিকাৰীৰ মাৰণাস্ত্ৰক প্ৰত্যাহ্বান জনাবলৈ 'ঘাতক' চালনাৰ প্ৰশিক্ষণ। দ্বিতীয় অসম বন সুৰক্ষা বাহিনীৰ তত্ত্বাৱধানতে এই প্ৰশিক্ষণ প্ৰদান কৰা হৈছে বুলি জানিব পৰা গৈছে। কৰ্তৃপক্ষৰ হৈ কমাণ্ডেণ্ট মুকুল শইকীয়াই জনোৱা মতে, ফায়াৰিং ৰেঞ্জত অন্তিম প্ৰশিক্ষণৰ অন্তত বিশেষ গঁড় সুৰক্ষা বাহিনীৰ জোৱানসকলৰ হাতত তুলি দিয়া হ'ব 'ঘাতক'। জোৱানসকলক প্ৰশিক্ষণ প্ৰদান কৰে ক্ৰমে মহেন্দ্ৰ ওৱাৰী পৰিদৰ্শক এ বি আই, অম্বিকা শৰণ শইকীয়া উপ-পৰিদৰ্শক, উমেশ বৰ্মন, উপ-পৰিদৰ্শক বৰুণ বৰ্মন, উপ-পৰিদৰ্শক মৃণাল নাৰ্জাৰী, পৰিদৰ্শক এ বি আই।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com